

# কানৈয়ান

২০০৯ - ২০১০ বৰ্ষ



তত্ত্বাৱধায়ক
মৃদুল শৰ্মা

সম্পাদিকা
ৰিম্পী গগৈ




# কানৈয়ান

২০০৯ - ২০১০ বর্ষ

তত্বাবধায়ক
মৃদুল শর্মা

সম্পাদিকা
রিম্পী গগৈ

# কানৈয়ান

## ২০০৯-২০১০ বৰ্ষ

### সম্পাদনা সমিতি

সভাপতি ঃ
ড° জয়কৃষ্ণ মহন্ত

উপদেষ্টা ঃ
সুদক্ষিণা দাস বৰদলৈ
অদিতি কোঁৱৰ

তত্বাৱধায়ক ঃ
মৃদুল শৰ্মা

সম্পাদিকা ঃ
ৰিম্পী গগৈ

সদস্য-সদস্যা ঃ
ৰিণ্টু চেতিয়া
জয়ন্ত গগৈ
মাধুৰ্য সুভাষ দাস
মুনমী কোঁৱৰ

প্ৰচ্ছদ ঃ
মৃদুল শৰ্মা

মুদ্ৰাংকণ, অলংকৰণ
আৰু অংগসজ্জা
দেৱজীৎ বৰা

প্ৰকাশক
ছাত্ৰ একতা সভা
ডিহিংসুকানৈ কলেজ

মুদ্ৰণ
জীৎ প্ৰিন্টছফ্‌ট
চিবিং চাপৰি ডিব্ৰুগড়
☎ ৯৯৫৪৪৮১৩৬৭



ড° জয়কৃষ্ণ মহন্ত, অধ্যক্ষ




সুদক্ষিণা দাস বৰদলৈ



অদিতি কোঁৱৰ



মৃদুল শৰ্মা



ৰিণ্টু চেতিয়া



জয়ন্ত গগৈ




ৰিম্পী গগৈ



মাধুৰ্য সুভাষ দাস



মুনমী কোঁৱৰ



# শ্ৰদ্ধাঞ্জলি



স্বৰ্গীয় নিৰ্মল গগৈ

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ
কলেজৰ এৰাব নোৱৰা
অংগস্বৰূপ হৈ উঠা নিৰ্মল গগৈ
হঠাতে আমাৰ মাজৰপৰা
আঁতৰি গ'ল। তেওঁৰ আত্মাৰ সদ্‌গতি
কামনা কৰি তেওঁৰ স্মৃতিত
আমি শ্ৰদ্ধাঞ্জলি
নিবেদন কৰিছোঁ।





# কৃতজ্ঞতা

ড° জয়কৃষ্ণ মহন্ত,
সুদক্ষিণা দাস বৰদলৈ, অদিতি কোঁৱৰ,
নয়নমণি সোনোৱাল, কৃষ্ণ নাৰায়ণ বৰুৱা,
সন্দিপন গগৈ, শান্তনু কৌশিক গগৈ,
অংকুৰাজ বুঢ়াগোঁহাই, বসন্ত শইকীয়া,
দীপাংকৰ নেওগ, জাহ্নৱী সোনোৱাল,
লক্ষ্যজিৎ গগৈ, লক্ষ্যৰাজ গগৈ,
পল্লৱজ্যোতি শইকীয়া, মনম পেগু।


অনিচ্ছাকৃতভাৱে ৰৈ যোৱা
ভুল-ত্ৰুটিৰ বাবে সকলো
পাঠকৰ ওচৰত ক্ষমা
প্ৰাৰ্থনা কৰিছোঁ।

Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**



# শুভেচ্ছা-বাণী

মই জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰ ছাত্ৰ একতা সভাই প্ৰকাশ কৰিবলগীয়া আলোচনীখনৰ সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ গৈছে।

কানৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ এটা সু-নাম আছে। ইয়াত প্ৰকাশিত গল্প, কবিতা, প্ৰবন্ধ -পাতিয়ে পাঠকৰপৰা যথেষ্ট সমাদৰ লাভ কৰি আহিছে। আলোচনীখনত প্ৰকাশিত তথ্য-পাতি সমূহ মহাবিদ্যালয়খনৰ ইতিহাস প্ৰস্তুত কৰোঁতে সহায়ক হৈছে। মই আশা ৰাখিছোঁ প্ৰকাশ পাবলগীয়া আলোচনীখনৰ সংখ্যাটোৱে উক্ত দিশসমূহৰ প্ৰতিফলন ঘটোৱাৰ লগতে ভৱিষ্যতৰ দিনবোৰত এখন সংৰক্ষণযোগ্য দলিল হিচাপে পৰিণত হ'ব। আলোচনীখন সৰ্বাঙ্গ সুন্দৰৰ কামনাৰে।

বিনীত

কন্দৰ্প কুমাৰ ডেকা

(কন্দৰ্প কুমাৰ ডেকা)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

Office of The Principal
**DIBRUGARH H. S. KANOI COLLEGE**
P.O.:Dibrugarh - 786001



# শুভেচ্ছা-বাণী

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ কলেজৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'ৰ ২০০৯-১০ বৰ্ষৰ সংখ্যাটি আগষ্ট ২০১০ -অৰ ভিতৰতে প্ৰকাশ পাব বুলি জানি মই অতিশয় আনন্দিত হৈছোঁ। সময়ৰ লেখেৰে পঁয়ষষ্ঠিটা বছৰ অতিক্ৰম কৰা এই শিক্ষানুষ্ঠানখনৰ বৰ্ণাঢ্য ইতিহাসৰ আধাৰতে ইয়াৰ বৰ্তমানৰ অৱস্থান। আজিৰ তাৰিখলৈ এই শিক্ষানুষ্ঠানৰ মেধা আৰু মনীষাৰ উৎকৰ্ষ সাধন-প্ৰক্ৰিয়াৰ মননশীল প্ৰতিফলন আলোচনীখনত সম্পন্ন হ'ব বুলি মই আশাবাদী।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ হওক, সকলোৰে দ্বাৰা সমাদৃত হওক।

জয়কৃষ্ণ মহন্ত

(ড° জয়কৃষ্ণ মহন্ত)
অধ্যক্ষ
ডি.হ.সূ. কানৈ কলেজ
ডিব্ৰুগড়





# সূচীপত্ৰ


| | | |
|---|---|---|
| ৭ | সম্পাদকীয় | |
| ৯ | ড° নগেন শইকীয়াৰ সৈতে সাক্ষাৎকাৰ | |
| ১৫ | বেজবৰুৱাৰ চক্ৰধ্বজ সিংহ ঃ এটি অৱলোকন | ড° উষাৰাণী বৰুৱা |
| ২০ | জল সংকট ঃ সাম্প্ৰতিক কালৰ এক জ্বলন্ত সমস্যা | ড° ভাৰতী দত্ত |
| ২৪ | যোৱাটো দশকত আমাৰ অৰ্থনীতিত গতি আৰু ধাৰা | ড° আতিকুদ্দিন আহমেদ |
| ২৭ | দক্ষিণ কোৰিয়া ভ্ৰমণৰ কিছু স্মৃতি আৰু উপলব্ধি | ড° মিনু বুঢ়াগোঁহাই |
| ৩০ | অসমীয়া জীয়ৰী | পপী বুঢ়াগোঁহাই |
| ৩২ | অনুৰাধাৰ দিন | জুৰী বৰা বৰগোহাঞি |
| ৩৭ | আন্ধাৰত জোনাক | সীমা খাতুন |
| ৪০ | অসমীয়া ভাষাৰ সংকটাৱস্থা ঃ কিছুমান প্ৰশ্ন | প্ৰদীপ বড়া |
| ৪৪ | এজনী অহংকাৰী ছোৱালী | ৰীমা খাতুন |
| ৪৫ | অনুৰাধা তুমি সঁচাকৈয়ে ........ | বন্তি সোনোৱাল |
| ৪৭ | পায়ো হেৰুওৱা অতীত | জয়ন্ত গগৈ |
| ৫০ | ভাৰতীয় শাস্ত্ৰীয় সংগীত | বিষ্ণু চেতিয়া |
| ৫২ | হৰেকৃষ্ণ ডেকাৰ সৈতে সাক্ষাৎকাৰ | |
| ৫৭ | তেজৰে কমলাপতি ..... | প্ৰদীপ বড়া |
| ৬২ | ড° ভবেন্দ্ৰনাথ শইকীয়াৰ দৃষ্টিত শিশুজগত | অৰ্ঘ্যা গোস্বামী |
| ৬৫ | কালান্তৰৰ কবিতা | মৃদুল শৰ্মা |
| ৬৮ | মই আকৌ আহিম | অপূৰ্ব দাস |
| ৬৮ | এখুদ অনুভৱ | ইন্দুকল্প দিহিঙীয়া |
| ৬৮ | তোমাক বিচাৰি পাওঁ | দীপশিখা গগৈ |
| ৬৯ | আন্ধাৰ | বিষ্ণু চেতিয়া |
| ৬৯ | অনুভূতিৰ স্বাধীনতাৰ | জোনালী তালুকদাৰ |
| ৭০ | সন্ত্ৰাসবাদ | কাজল দাস |
| ৭০ | শিক্ষাগুৰু | ভৃগুৰাম মিলি |
| ৭১ | তুমি সুখী হ'ব পৰাকৈ ভাল পাব নোৱাৰিলোঁ তোমাক ! | ভাস্কৰজ্যোতি দাস |
| ৭১ | আজি আকৌ মনত পৰিছে | বিজয় চাংমাই |
| ৭২ | লুইতৰ বুকুত ককাৰ ল'ৰালি | সুদৰ্শন গগৈ |
| ৭৪ | আমাৰ মহাবিদ্যালয় | ৰীমা খাতুন |
| ৭৫ | শৱদেহৰ বিচাৰ | আফ্ৰুজ আলি |
| ৭৫ | মোৰ প্ৰথম প্ৰেম | গৌতম মালো |
| ৭৬ | শিক্ষাগুৰু | সীমা খাতুন |



# সূচীপত্ৰ


| | | |
|---|---|---|
| ৭৬ > | কথা | *পাপৰি মেধি* |
| ৭৭ > | Looking Back: Feminism and Women's Progress | Dr.Madhumita Purkayastha |
| ৮১ > | Philip Sidney : A defense of poesie | Pratik Chaudhury |
| ৮৩ > | Human Resource, Employment and Education : Challenges and Opportunities | Dr. Partha Ganguli |
| ৮৮ > | The future of poor and underpriviledge children | Himangshu Bailung |
| ৯০ > | British eye in Indian Administration | Titus Bhenger |
| ৯২ > | Snakes – A boon to human life *(Special reference from India)* | Rajat Suhro Bose |
| ৯৪ > | Twinkle Twinkle Little Star | Bharati Das |
| ৯৬ > | Rock Music - For all the rock freaks | Debaranjan Bharali |
| ৯৭ > | A Poem | Ramen Urang |
| ৯৭ > | Nothing is Impossible | Tulbul Gogoi |
| ৯৮ > | Students – The Future Generation | Romen Urang |
| ৯৮ > | Alphabet for Success | Papu Thakur |
| ৯৯ > | And Love... Is Ours | Kukil Kr. Konch |
| ৯৯ > | Blame | Himangshu Bailung |
| ১০০ > | प्यार | मोनालिचा बरठाकुर |
| ১০০ > | कभी कभी | अभिनब राँय |
| ১০১ > | अपने जीवन के वारे में जरा सोचिये .. | अशोक कुमार शाह |
| ১০১ > | मुझे ऐसा अनुपम ज्ञान दो | ममता भगत |
| ১০২ > | प्यारे झड़े पत्ते | पारसमणि डांमोरीया |
| ১০৩ > | মোৰ কলেজীয়া জীৱন | অনুপ চেতিয়া |
| ১০৪ > | সম্পাদকীয় প্ৰতিবেদন | |


# সুবচনী

ত্যাগ কৰি ত্যাগৰ কাৰণে মনত দুখ পাব লাগিলে ত্যাগৰ মহান আদৰ্শটোৰেই নষ্ট হয়। যি বস্তু অনিষ্টকৰ বুলি ভৰা যায়, তাক এৰি দিয়া যায়, সেই কাৰণে সেই বস্তু এৰি দি আনন্দ পোৱা উচিত।

—*মহাত্মা গান্ধী*

আমি আমাৰ চিন্তাৰ বিপ্লৱীকৰণ কৰিব লাগিব, আমাৰ কৰ্মৰ বিপ্লৱীকৰণ কৰিব লাগিব আৰু পৃথিৱীৰ দেশসমূহৰ মাজত থকা সম্পৰ্কৰ বিপ্লৱীকৰণ কৰিবলৈ আমাৰ সাহস থাকিব লাগিব। কালিৰ কথা আজি নাখাটে আৰু কালিলৈ সি নিৰাশাজনকভাৱে পুৰণি হৈ পৰিব। পৃথিৱীৰ সমস্ত জনগণক এই কথা বুজাই দিয়াটো বুদ্ধিজীৱিসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু ভাগ্য বিধায়ক সামাজিক কাম।

— *এলবাৰ্ট আইনষ্টাইন*

সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন। জাতীয় জীৱন যদি সংকীৰ্ণ হয়, জাতীয় সাহিত্যয়ো সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে।

— *লক্ষ্মীনাথ বেজবৰুৱা*

# সম্পাদকীয়

বৰ্তমান একবিংশ শতিকা। আমি সকলো এই শতিকাৰে উচ্চাকাংক্ষাৰে পৰিপূৰ্ণ একো একোজন ছাত্ৰ-ছাত্ৰী। এই শতিকাৰ প্ৰতিটো দিশেই সুকীয়া আৰু দ্ৰুতবেগী। চাৰিওফালে নিজকে প্ৰতিষ্ঠা কৰাৰ প্ৰতিযোগিতা, ন ন প্ৰযুক্তিবিদ্যাৰ আৱিৰ্ভাৱ। প্ৰতিটো কামেই কম সময়ৰ ভিতৰতে সমাধান কৰাৰ প্ৰচেষ্টাৰে বিজ্ঞানীসকলেও বিভিন্ন ধৰণৰ সা-সঁজুলি বা সামগ্ৰী তৈয়াৰ কৰিছে। আপোনজনক হেৰুৱাই পুনৰ নোপোৱাৰ বাদে বিজ্ঞানে আজিৰ সমাজক সকলো সুবিধা প্ৰদান কৰিবলৈ সক্ষম হৈছে। চাৰিওফালে কেৱল শৈক্ষিকতাৰ বাতাৱৰণ।

এইবোৰৰ মাজতে আমি এটা কথা লক্ষ্য কৰিবলৈ বাধ্য হৈছোঁ যে যিমানেই আধুনিকতা, প্ৰযুক্তি- বিদ্যা আৰু শৈক্ষিকতাৰ চাপ আমাৰ মাজত বাঢ়িবলৈ ধৰিছে সিমানেই আমি অমানৱীয় হৈ পৰিছোঁ। আমি নিজকে জীৱশ্ৰেষ্ঠ মানৱ হিচাপে দাবী কৰিছোঁ, কিন্তু মানৱীয়তা হেৰুৱাই পেলাইছোঁ। হয়, আমি মানবলৈ বাধ্য যে আগৰ তুলনাত আমাৰ শিক্ষাৰ প্ৰসাৰ ঘটিছে, শিক্ষিতৰ সংখ্যা বাঢ়িছে। কিন্তু কি হৈছে? যেনেকৈ আগতে কোনোৱা এজন মহান পণ্ডিতে কৈছিল, "অল্প বিদ্যা ভয়ঙ্কৰী" , এতিয়া আমি ক'ব লাগিব "উচ্চ শিক্ষা ভয়ঙ্কৰী"। যিমানেই আমি নিজকে উচ্চ শিক্ষিত কৰি তোলোঁ সিমানেই আমি মানৱতাবিহীন হৈ পৰোঁ। আনহাতে সত্যক নিৰ্ভীকতাৰে আঁকোৱালি লোৱাৰ বিপৰীতে অসত্যকেই সত্য হিচাপে লৈ জীয়াই থাকিবলৈও আমি বাধ্য হৈছোঁ। আজিৰ তাৰিখত এনে বহুতো উচ্চ শিক্ষিত ব্যক্তিয়ে কম সময়ত অধিক উপাৰ্জন কৰিবলৈ কিছুমান দুৰ্নীতি-কাৰ্য্যত লিপ্ত হৈ নিজ জীৱন সুচাৰুৰূপে পৰিচালনা কৰি আছে যাক আমি পশুৰ লগত তুলনা কৰিলেও কম কোৱা হ'ব। নাৰী অধিকাৰৰ ভাষণ দিয়া মহিলা এগৰাকীয়ে আন এগৰাকী নিম্ন খাপৰ মহিলাক অপমানিত কৰিবলৈ কুণ্ঠাবোধ নকৰে।

এইবোৰ কিয় হৈছে আৰু ইয়াৰ বাবে প্ৰকৃততে কোন দায়ী। ইয়াৰ বাবে প্ৰকৃততে আমি নিজকে দোষী সাব্যস্ত কৰিব পাৰোঁ। কিয়নো আমি নিজকে সদায় পৰীক্ষাত ভালকৈ উত্তীৰ্ণ কৰিবলৈহে প্ৰস্তুত কৰি তোলোঁ। পৰীক্ষাৰ বাবে নিজকে প্ৰস্তুত কৰাতকৈ শিক্ষিত হ'বলৈ জ্ঞান অৰ্জন কৰাটোহে প্ৰকৃত মানুহৰ কাম। আমি নিজকে এজন ধনৱান ব্যক্তি হিচাপে গঢ়ি তুলিব নোৱাৰিলেও এজন সৎ, আদৰ্শৱান ব্যক্তি হিচাপে গঢ়ি তুলিবলৈহে অপ্ৰাণ চেষ্টা কৰিব লাগে। শিক্ষাগুৰু তথা অভিভাৱকসকলে আমাক অৰ্থাৎ ছাত্ৰ সমাজক বা নিজ সন্তানক জীৱনত একো কৰিব নোৱাৰিলেও এজন সু-নাগৰিক তথা সমাজৰ এজন সৎ ব্যক্তি হ'বলৈ উপদেশ দিলে আমাৰ সমাজৰপৰা দুৰ্নীতি আঁতৰ হ'বলৈ বেছি সময় নালাগিব। সমাজৰ দোষ-ত্ৰুটিবোৰ আঁতৰ কৰিবলৈ হ'লে আমি আমাৰ মাজত থকা দোষবোৰ প্ৰথমতে আঁতৰ কৰিব পাৰিব লাগিব। কিয়নো এজন এজন ব্যক্তিৰপৰাই এখন বৃহৎ সমাজৰ ৰূপ লয়। সেয়েহে আমি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে যাতে আমি নিজকে এজন আদৰ্শবান ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰোঁ।






জৰ্জ হনৰ্ড্ছ টিডচনত কানৈ কলেজ

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজে ইতিমধ্যে পঁয়ষষ্ঠিটা গৌৰৱোজ্জ্বল বছৰ অতিক্ৰম কৰিলে। যোৱা ২০০৫ চনতে হীৰক জয়ন্তী বৰ্ষত ভৰি দিয়া এই শিক্ষানুষ্ঠানে উদ্‌যাপন কৰা হীৰক জয়ন্তী সমাৰোহ সাম্প্ৰতিক বৰ্ষত সমাপন কৰা হৈছে। এই মুহূৰ্তত এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাকালৰেপৰা বৰ্তমানলৈকে জড়িত সকলো জ্ঞাত-অজ্ঞাত ব্যক্তিৰ প্ৰতি আমি কৃতজ্ঞতা প্ৰকাশ কৰি গৌৰৱৰ অধিকাৰী হৈছোঁ।

সম্পাদনা
সমিতি

ড° নগেন শইকীয়া আধুনিক অসমৰ সমাজ-বৌদ্ধিক জীৱনৰ এটা উল্লেখনীয় নাম। এইজন প্ৰতিভাশালী ব্যক্তিৰ জীৱন আৰু কৰ্মৰ সম্পৰ্কত তেখেতৰ নিজৰ অনুভৱ আৰু চিন্তাৰ সৈতে পৰিচয় হোৱাৰ লক্ষ্য আগত ৰাখি তত্বাৱধায়কৰ সৌজন্যত এই সাক্ষাৎকাৰ প্ৰস্তুত কৰিছে সম্পাদিকাই।



# ড° নগেন শইকীয়াৰ সৈতে সাক্ষাৎকাৰ

কানৈ কলেজৰ সমূহ শিক্ষাৰ্থীৰ হৈ আপোনাক আমাৰ শ্ৰদ্ধা-সম্ভাষণ জনাইছোঁ। কলেজৰ বাৰ্ষিক মুখপত্ৰ 'কানৈয়ান'ত প্ৰকাশৰ উদ্দেশ্যে আপোনাক কেইটামান প্ৰশ্ন সুধি সেইকেইটাৰ উত্তৰ প্ৰাৰ্থনা কৰিছোঁ।

প্ৰশ্ন ঃ সাম্প্ৰতিক অসমীয়া সাহিত্য জগতৰ আপুনি এজন অগ্ৰণী ব্যক্তিত্ব। আপোনাৰ শৈশৱ আৰু কৈশোৰ কালত আপোনাৰ মনত লেখক হোৱাৰ স্বপ্ন জাগিছিলনে? সেই কালত ভৱিষ্যতৰ সাহিত্যিকজনৰ প্ৰস্তুতিৰ অৰ্থে আপোনাৰ ধ্যান-ধাৰণা বা কাৰ্যকলাপ কেনে আছিল? আপোনাৰ ঘৰখন, বন্ধুবৰ্গ আৰু সামগ্ৰিকভাৱে চৌপাশৰ পৰিৱেশটোৱে আপোনাৰ ভৱিষ্যতৰ প্ৰস্তুতিত কেনেদৰে অৰিহণা যোগাইছিল?

উত্তৰ ঃ মোৰ জন্ম হৈছিল গোলাঘাট নগৰৰপৰা প্ৰায় দহ কিলোমিটাৰ দূৰৰ এখন গাঁৱত। গাঁওখনৰ নামটো 'হাতীয়েখোৱা'। সেয়েহে আমাৰ গাঁওখনৰ নামটো বহুতৰ বাবে আচহুৱা যেন লাগে। গাঁওখন সম্পূৰ্ণ হাবিৰে পৰিপূৰ্ণ। ওচৰতে আছিল এখন বৰকাঠনি বাগিচা। এই অঞ্চলৰ কাঠনি শব্দটোৱে বুজায় যে তাত কেনেকুৱা ধৰণৰ কাঠনি আছিল। সেই বাগিচাখনৰ নিচেই দাঁতিতেই লাগি আছিল এখন ক'লা ডাঠ হাবি আৰু হাবিখনৰ কাঠ-বাঁহবোৰ ভাঙিবৰ বাবে দঁতাল হাতীৰো ব্যৱস্থা আছিল। সেই হাবিখনৰপৰা আমাৰ পূৰ্বপুৰুষৰ ঘৰটো পশ্চিমে প্ৰায় পাঁচ কিলোমিটাৰ দূৰত অৱস্থিত। গাঁওখনৰ নামটো ঢেকীয়াল গাঁও। প্ৰকৃততে সেই গাঁওখনতহে মোৰ জন্ম হৈছিল। মোৰ দেউতা সেইখন গাঁৱৰ প্ৰথম শিক্ষক আছিল। ১৯৩০ চনত তেওঁ নিজেই এখন মজলীয়া স্কুলৰ প্ৰতিষ্ঠা কৰিছিল আৰু সেইখন আছিল তেওঁৰ নিজা Preparatory স্কুল। সেই বিশাল অঞ্চলটোত সেইখনেই

প্ৰকৃততে মই নিজকে এজন শিক্ষক হিচাপেহে চিনাকি দিবলৈ ভাল পাওঁ। যেতিয়া মই কোনো ৰাজহুৱা সভাত থাকোঁ, কোনোৱে যদি মোক প্ৰাক্তন সাংসদ বুলি চিনাকি দিয়ে মই তেতিয়া বৰ আচহুৱা যেন পাওঁ। কিন্তু কোনোবাই মোক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বেজবৰুৱা আসনৰ অধ্যাপক আছিল বুলি ক'লে মই বৰ গৌৰববোধ কৰোঁ।



*মই গাঁৱত থকা সত্বেও ইমান বান্ধোনত আছিলোঁ যে সেইবাবেই চাগৈ কিতাপ মোৰ সংগী হৈ পৰিছিল আৰু এনেকৈয়ে বোধকৰোঁ মোৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি বাঢ়িছিল। সেই অৱস্থাত আৰু এটা অভ্যাস আছিল। ডাঙৰ মানুহৰ নামৰ আগত থকা উপাধিটো লৈ নিজৰ নামটো লিখি লুকুৱাই ৰাখিছিলোঁ। আচলতে মোৰ নামৰ আগত কিবা এটা উপাধি লগোৱাৰ মোৰ বৰ ইচ্ছা আছিল। সৰু কালৰ মোৰ এনে বহু ঘটনা আছিল। সৰুতে মই পদ্য আঁওৰাই ভাল পাইছিলোঁ আৰু তেনেকৈ আনৰ পৰা অনুকৰণ কৰিবলৈও যত্ন কৰিছিলোঁ।*

একমাত্ৰ স্কুল আছিল। সেই স্কুলখনত দেউতাৰ সংগী হিচাপে তিনি চাৰিজন শিক্ষক আছিল। সেই সময়ত স্কুলখনৰ শিক্ষাৰ্থী আছিল কেৱল ল'ৰা। কিয়নো ছোৱালীক সেই সময়ত শিক্ষা দিয়াৰ ব্যৱস্থা হোৱাই নাছিল। মোৰ শিক্ষাজীৱন প্ৰকৃততে দেউতাৰ স্কুলতে আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত মই স্কুললৈ যোৱা নাছিলোঁ। দেউতাই ঘৰতেই বৰ্ণমালা, ABCD আদি শিকাইছিল। পিছত দেউতাৰ স্কুলতে প্ৰথম শ্ৰেণীৰ পৰীক্ষা দিবৰ বাবে নাম লগাই দিলে যিটো বৰ্তমান তৃতীয় শ্ৰেণী। তাৰ পাছত মোৰ এল.পি. স্কুলৰ শিক্ষা সমাপ্ত হ'ল আৰু পুনৰ দেউতাৰ নিজা স্কুললৈ আহিলোঁ। যিহেতু মোৰ দেউতা এজন শিক্ষক আছিল সেয়েহে আমাৰ ঘৰত দেউতাৰ এটা পুথিভঁৰালো আছিল। সেইটো মোৰ এক প্ৰকাৰৰ উন্মেষ আছিল। সেই পৰিৱেশৰ বাবেই চাগৈ শৈশৱৰপৰাই কিতাপ মোৰ সংগী হৈ পৰিছিল। সেই সময়ত দেউতাই নিজৰ পুথিভঁৰালটোৰ বাবে কলিকতাৰপৰা 'ৰামায়ণ', 'মহাভাৰত', 'নামঘোষা', 'কীৰ্তন' আদি অৰ্ডাৰ দি আনিছিল কিয়নো তেতিয়া এই কিতাপবোৰ আমাৰ ইয়াত ছপা হোৱা নাছিল। আনহাতে যি দুই-এখন ছপা হৈছিল সেয়াও বঙলা ভাষাতহে। এই পৰিৱেশৰ উপৰিও আমাৰ গাঁওখনৰ সকলোঁৰে বাবে এটাই নামঘৰ আছিল আৰু তাত ৰাস, ভাওনা আয়োজিত কৰাৰ উপৰিও আইনাম, বিয়ানাম, বৰগীত, লোকগীতৰ প্ৰতিযোগিতা আয়োজিত কৰি থলুৱা সংস্কৃতি ৰক্ষা কৰা হৈছিল। ঠিক এনে ধৰণৰ পৰিৱেশ এটাত মই ডাঙৰ-দীঘল হৈছিলোঁ। আমাৰ পৰিয়ালটো ডাঙৰ আছিল বাবে দেউতাই বৰঘৰৰ ওচৰতে আমাৰ ঘৰটো সাজি লৈছিল। আমাৰ মাটি-বাৰী বহুত আছিল যদিও সকলো আধিত খেতি কৰিবলৈ দিয়াৰ বাবে সাধাৰণতে গাঁৱৰ ল'ৰা এটাৰ খেতি কৰাৰ প্ৰতি যি ইচ্ছা থাকে, মোৰ সেই ইচ্ছা মই পূৰণ কৰিব নোৱাৰিলোঁ। সেই ইচ্ছাৰ বাবে দেউতাৰো বান্ধোন আছিল। মই গাঁৱত থকা সত্বেও ইমান বান্ধোনত আছিলোঁ যে সেইবাবেই চাগৈ কিতাপ মোৰ সংগী হৈ পৰিছিল আৰু এনেকৈয়ে বোধকৰোঁ মোৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি বাঢ়িছিল। সেই অৱস্থাত আৰু এটা অভ্যাস আছিল। ডাঙৰ মানুহৰ নামৰ আগত থকা উপাধিটো লৈ নিজৰ নামটো লিখি লুকুৱাই ৰাখিছিলোঁ। আচলতে মোৰ নামৰ আগত কিবা এটা উপাধি লগোৱাৰ মোৰ বৰ ইচ্ছা আছিল। সৰু কালৰ মোৰ এনে বহু ঘটনা আছিল। সৰুতে মই পদ্য আঁওৰাই ভাল পাইছিলোঁ আৰু তেনেকৈ আনৰ পৰা অনুকৰণ কৰিবলৈও যত্ন কৰিছিলোঁ। মই মোৰ আত্মজীৱনী 'ধূলিৰ ধেমালি'ও লিখিছোঁ এবাৰ আমাৰ ঘৰৰ ওচৰৰ দোকানখনত প্ৰথম বাৰ হাৱাইন ছাৰ্ট ওলাইছিল। মোৰ পিন্ধিবলৈ বৰ মন গৈছিল। সেয়েহে মই দেউতাক ক'লোঁ মোক এটা হাৱাইন ছাৰ্ট লাগে। কিন্তু দেউতাই মোৰ ইমানবোৰ ছাৰ্ট থকা বাবে কিনি নিদিওঁ বুলি ক'লে। সেই ঘটনা মই এল.পি. স্কুলৰ শেষৰ শ্ৰেণীত থকা সময়ৰ কথা। ছাৰ্ট নিদিয়াৰ বেজাৰতে মোৰ ছাৰ্ট নাই মোক ছাৰ্ট নিদিয়ে বুলি এটা পদ্য লিখি মোৰ টেবুলত থৈ দিলোঁ। অলপ সময়ৰ পাছতেই আমাৰ বৰদেউতাৰ ল'ৰা এটা আহি সেই কবিতাটো দদাইদেৱেকক অৰ্থাৎ মোৰ দেউতাক দিলে মোক বৰ ভাল পাব বুলি দেউতাক দি দিলে। দেউতাই কবিতাটো পঢ়াৰ পিছত তাৰ হতুৱাই মোক মতোৱাই আনিলে আৰু তোৰ ইমানবোৰ ছাৰ্ট থাকোঁতে তই এনে ধৰণৰ কবিতা কিয় লিখিছ বুলি কৈ মোক কাণত ধৰি আঁঠু কঢ়োৱাই থলে। মই নাজানো কোনোবাই এনে সাহিত্য বঁটা পাইছেনে নাই কিন্তু মোৰ সাহিত্য জীৱনৰ সেয়া আছিল প্ৰথম পুৰস্কাৰ।

প্ৰশ্নঃ আপোনাৰ আন এটা চিনাকি শিক্ষক হিচাপে। শিক্ষকতাৰ প্ৰসঙ্গৰ উপৰিউক্ত প্ৰশ্নকেইটা সুধিলে আপুনি কেনেভাৱে উত্তৰ দিয়ে, তাকে জানিবলৈ আমাৰ আগ্ৰহ উপজিছে।

উত্তৰঃ প্ৰকৃততে মই নিজকে এজন শিক্ষক হিচাপেহে চিনাকি দিবলৈ ভাল পাওঁ। যেতিয়া মই কোনো ৰাজহুৱা সভাত থাকোঁ, কোনোৱে যদি মোক প্ৰাক্তন সাংসদ বুলি চিনাকি দিয়ে মই তেতিয়া বৰ আচহুৱা যেন পাওঁ। কিন্তু কোনোবাই মোক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বেজবৰুৱা আসনৰ অধ্যাপক আছিল বুলি ক'লে মই বৰ গৌৰৱবোধ কৰোঁ।

প্ৰশ্নঃ সাম্প্ৰতিক অসমত নিজৰ সন্তানক অসমীয়া মাধ্যমতকৈ ইংৰাজী মাধ্যমতহে স্কুলীয়া শিক্ষা দিবলৈ সৰহভাগ অভিভাৱক আগ্ৰহী। তাৰ তুলনাত অসমীয়া মাধ্যমৰ চৰকাৰী স্কুলবোৰৰ প্ৰতি মানুহৰ মনত এক ধৰণৰ বিতৃষ্ণাই গা কৰি উঠিছে। এনে ঘটনাচক্ৰত আপোনাৰ দৃষ্টিত অসম আৰু অসমীয়া মানুহৰ ভৱিষ্যত কেনে? এনে ঘটনাপ্ৰৱাহ ৰোধ কৰিবলৈ গ্ৰহণ কৰিব পৰা কাৰ্য প্ৰণালী কেনে হোৱা উচিত বুলি আপুনি ভাবে?

উত্তৰঃ মই বিভিন্ন প্ৰবন্ধত লিখিছোঁ যে ইংৰাজী বিষয়টো বৰ্তমান বৰ দৰকাৰী বিষয়। এতিয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ যিটো যুগ এই যুগৰ লগত নিজকে খাপ খুৱাই চলিবলৈ হ'লে আৰু ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় যিকোনো প্ৰতিযোগিতাত ভাগ ল'বলৈ হ'লে ইংৰাজী বিষয়টোৰ অতি প্ৰয়োজন। আমি ইংৰাজীক বিষয় হিচাপে গুৰুত্ব দিব লাগে, মাধ্যম হিচাপে নহয়। আমাৰ ইমানবোৰ মানুহ যিসকলে আমাৰ জাতীয় জীৱনত অৰিহণা যোগাইছে তেওঁলোক প্ৰত্যেক জনেই নিজৰ নিজৰ মাতৃভাষা মাধ্যমত পঢ়া সত্বেও তেওঁলোক ইংৰাজী বিষয়টোতো বৰ দক্ষ। তেন্তে চোৱাঁচোন যিমানখিনি মানুহে আমাৰ জাতীয় জীৱনলৈ সদায় কাম কৰি আহিছে তেওঁলোক সকলো অসমীয়া মাধ্যমৰ দ্বাৰাই উত্তীৰ্ণ হোৱা দেখা যায়। আমাৰ বৰ্তমান চৰকাৰী স্কুল-শিক্ষাব্যৱস্থাত দেখা যায় যে ইংৰাজীৰ ওপৰত গুৰুত্ব নিদিয়ে। আমাৰ অসমীয়া মাধ্যমৰ ছিলেবাছত ইংৰাজীৰ পেপাৰ মাত্ৰ এখনেই। আনহাতে ইংৰাজী মাধ্যমৰ তিনিখন পেপাৰ। ইংৰাজী মাধ্যমে আকৌ তিনিওখনৰ ওপৰতেই সমানেই গুৰুত্ব দিয়ে। আনহাতে অসমীয়া মাধ্যমে ইংৰাজী বিষয়টোত ফে'ল কৰিলেও গ্ৰেছ মাৰ্ক দি পাছ কৰোৱাই দিয়ে। আনহাতে আমাৰ শিক্ষকসকলেও যেনেদৰে ইংৰাজী বিষয়টো শিকাব লাগে তেনেদৰে শিকাব নোৱাৰে বা তেনে শিক্ষক নাই। যেতিয়ালৈকে আমাৰ চৰকাৰী স্কুলত ইংৰাজী বিষয়টোক গুৰুত্ব দিয়া নহ'ব তেতিয়ালৈকে এই অসুবিধাখিনি দেখা দি থাকিব।

প্ৰশ্নঃ বুদ্ধিজীৱি হিচাপে, ৰাজনীতিবিদ হিচাপেও আপোনাৰ ভূমিকা যোৱা প্ৰায় আধা শতিকা কাল অসমত সৰ্বজনবিদিত হৈ আছে। বিদেশী নাগৰিকৰ অনুপ্ৰৱেশজনিত অসমীয়াৰ অস্তিত্বৰ সংকট, সশস্ত্ৰ বিপ্লৱ আৰু স্বাধীন অসমৰ দাবী, অসমৰ প্ৰাকৃতিক সম্পদৰ দ্বাৰা অসমীয়াৰ উন্নয়ন আৰু প্ৰাকৃতিক দুৰ্যোগ যাইকৈ বানপানী এইবোৰ সমস্যাৰ সম্পৰ্কত আপুনি আমাক আপোনাৰ মতামত জনাবনে?

উত্তৰঃ আচলতে আমাৰ অসমখন বিভিন্ন প্ৰাকৃতিক সম্পদৰ সৈতে পৰিপূৰ্ণ। কিন্তু আমাৰ অসমৰ চৰকাৰ সেই সম্পদভিত্তিক উদ্যোগ গঢ়ি তুলিবলৈ সক্ষম হোৱা নাই। মই বহুত বাৰ লিখিছো আমাৰ ইমানবোৰ সম্পদ আছে, সেই সম্পদৰ ভিত্তিত আঁচনি সৃষ্টি বা নিৰ্মাণ নকৰিলে আমাৰ অৰ্থনীতি টনকিয়াল নহ'ব। এতিয়া আমাৰ দুখৰ কথা হৈছে যে আমি সকলোঁ বস্তু বাহিৰৰ পৰা কিনি খাওঁ কিন্তু সেয়া আমাৰ ইয়াত উৎপন্ন হোৱা শস্যৰপৰাহে তৈয়াৰ কৰা হয়। এতিয়া কথা হ'ল আমাৰ ইয়াত সেই বস্তুবোৰ তৈয়াৰ কৰিবলৈ উপযুক্ত উদ্যোগৰ অভাৱ। আনহাতে বিদেশীৰ প্ৰব্ৰজন যিটো এতিয়ালৈকে আমাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ কোনেও সঠিকভাৱে মূল্যায়ন বা প্ৰতিৰোধ কৰিব পৰা নাই। মানুহ আহিবই। আমি তাক নিয়ন্ত্ৰণ কৰিব পাৰিবই লাগিব। আন কোনো দেশত জানো আমাৰ দেশৰ দৰে বিদেশীৰ প্ৰব্ৰজন ঘটিছে? গতিকে আমি ইয়াত সেই দুৱাৰখন নিজেই মুকলি কৰি দিছোঁ

আৰু আমাৰ নানা ৰাজনৈতিক দলে নিজৰ ভোটৰ লোভত সেই দুৱাৰখন খুলি দিয়াৰ নিচিনা হৈছে। সেইবাবে এইবোৰ সংস্থাৰ পৰিৱৰ্তন নোহোৱালৈকে আমাৰ এইবোৰ সমস্যাৰ সমাধান হ'ব বুলি মই নাভাবো।

প্ৰশ্নঃ আপোনাৰ দৃষ্টিত এজন ভাল ছাত্ৰৰ গুণবোৰ কি কি?

উত্তৰঃ মই ভাবো যে এজন ভাল ছাত্ৰৰ কেইবাটাও গুণ থাকিব লাগে। তেওঁ উচ্চতৰ যিটো বিষয় অধ্যয়ন কৰে সেইটো তেওঁ কেৱল পৰীক্ষাৰ বাবে পঢ়িব নালাগে। বিষয়টো প্ৰকৃততে কি সেইটো জানিবলৈহে পঢ়িব লাগে। তাৰ পাছতহে পৰীক্ষাৰ বাবে সাজু হ'ব লাগে। আমাৰ শিক্ষকসকলেও শিক্ষাৰ্থীসকলক পৰীক্ষাৰ বাবেহে প্ৰস্তুত কৰি তোলে। বিষয়টোক ভিতৰৰপৰা জনাবলৈ সক্ষম নহয়। বিষয়টোৰ ভিতৰৰখিনি জানিলেহে তেওঁ নিজে নিজেই ৰিজাল্ট ভাল কৰিব পাৰিব। গতিকে ভাল ছাত্ৰ এজন হ'বলৈ হ'লে বিষয়টো জানিবৰ বাবে আৰু শ্ৰম কৰিবলৈ আগ্ৰহ থাকিব লাগিব। মোৰ মতে এজন ভাল ছাত্ৰৰ আৰু তিনিটা গুণ থাকিব লাগে। সেই কেইটা হ'ল — নীতিত অচলতা, চৰিত্ৰত সততা আৰু ব্যৱহাৰৰ নম্ৰতা। এই কেইটা গুনেহে যিকোনো মানুহকে প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাত সহায় কৰে বুলি মই ভাবো। মোৰ মতে আমাৰ মানুহৰ ভিতৰত যি কাম, ক্ৰোধ, লোভ, মোহ নামৰ প্ৰবৃত্তি আছে সেইকেইটা সংযত কৰিব পাৰিলেহে তোমালোক প্ৰত্যেকে,ভালকৈ অধ্যয়ন কৰিব পাৰিবা বুলি মোৰ বিশ্বাস। তোমালোঁকে কেৱল পৰীক্ষাৰ বাবে অধ্যয়ন নহয়, জানিবৰ বাবে অধ্যয়ন কৰি তোমালোঁকৰ মাজত থকা প্ৰতিভা সহজে বিকাশ কৰিবলৈ সক্ষম হ'ব পাৰিবা।

প্ৰশ্নঃ আপোনাৰ মতে এজন ভাল শিক্ষকৰ বিশেষত্ববোৰ কি কি?


উত্তৰঃ মোৰ মতে এজন ভাল শিক্ষকে নিজেই সদায় পঢ়া-শুনা কৰিব লাগিব কাৰণ এজন শিক্ষক হ'ল এজন ভাল ছাত্ৰ। প্ৰথমে এজন ভাল শিক্ষক হ'বলৈ হ'লে তেওঁ Lifetime student হ'ব লাগিব কাৰণ এজন শিক্ষকে যদি বি.এ. পাছ কৰি পঢ়া সাং কৰে তেন্তে তেওঁ আৰু উচ্চ শিক্ষা কেনেকৈ পাব? গতিকে এজন ভাল শিক্ষকে ওৰেটো জীৱন ছাত্ৰ হৈ থাকিবই লাগিব। আনহাতে যেতিয়া এজন শিক্ষকে কোনো এটা বিষয় ছাত্ৰ-ছাত্ৰীক বুজাবলৈ যায় তেতিয়া তেওঁ বিষয়টো ভিতৰৰপৰা বুজাই দিব পাৰিব লাগে। বিষয়টো ল'ৰা-ছোৱালীয়ে গ্ৰহণ কৰিব পৰাকৈ বুজাই দিলেহে ল'ৰা-ছোৱালীৰ মনত খাঁজ খাই থাকিব।

প্ৰশ্নঃ অসমৰ মেধাৱী ছাত্ৰ-ছাত্ৰীবোৰ কৰ্মসংস্থান বিচাৰি বাহিৰলৈ গুচি যোৱাত অসম এদল ভাল, মেধাৱী কৰ্মীৰ সেৱাৰপৰা বঞ্চিত হৈছে। এনে অৱস্থাৰ উপশম ঘটাবলৈ আমি কেনে কাৰ্যব্যৱস্থা ল'লে ফলদায়ক হ'ব বুলি আপুনি ভাবে?

উত্তৰঃ মই আগতেই কৈছোঁ আমি যদি সম্পদভিত্তিক উদ্যোগ বা বিভিন্ন বাণিজ্যিক উদ্যোগ গঢ়ি তুলিব পাৰোঁ তেতিয়া আমাৰ এই মেধাৱী ছাত্ৰসকলে কিয় কৰ্মসংস্থান বিচাৰি বাহিৰলৈ যাব? এইটো আমাৰ ভুল ধাৰণা। কাৰণ ভাল মেধাৱী ছাত্ৰ হৈও যেতিয়া নিজৰ আত্ম সংস্থাপন কৰিব নোৱাৰে তেতিয়াহে বাহিৰলৈ যাবলৈ বাধ্য হয়।

প্ৰশ্নঃ ছাৰ, আপুনি অতীতৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ তুলনাত বৰ্তমানৰ কানৈ মহাবিদ্যালয়ৰ মাজত কোনো ধৰণৰ পাৰ্থক্য দেখা পাইছে নেকি? যদি, দেখিছে তেন্তে কেনে ধৰণৰ আৰু এই পাৰ্থক্যই আমাৰ ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উজ্বল ভৱিষ্যত গঢ়াত সহায় কৰিব পাৰিব নে?

মই ভাবো যে এজন ভাল ছাত্ৰৰ কেইবাটাও গুণ থাকিব লাগে। তেওঁ উচ্চতৰ যিটো বিষয় অধ্যয়ন কৰে সেইটো তেওঁ কেৱল পৰীক্ষাৰ বাবে পঢ়িব নালাগে। বিষয়টো প্ৰকৃততে কি সেইটো জানিবলৈহে পঢ়িব লাগে। তাৰ পাছতহে পৰীক্ষাৰ বাবে সাজু হ'ব লাগে। আমাৰ শিক্ষকসকলেও শিক্ষাৰ্থীসকলক পৰীক্ষাৰ বাবেহে প্ৰস্তুত কৰি তোলে। বিষয়টোক ভিতৰৰপৰা জনাবলৈ সক্ষম নহয়। বিষয়টোৰ ভিতৰৰখিনি জানিলেহে তেওঁ নিজে নিজেই ৰিজাল্ট ভাল কৰিব পাৰিব। গতিকে ভাল ছাত্ৰ এজন হ'বলৈ হ'লে বিষয়টো জানিবৰ বাবে আৰু শ্ৰম কৰিবলৈ আগ্ৰহ থাকিব লাগিব।





উত্তৰঃ আমাৰ প্ৰত্যেকটো প্ৰতিষ্ঠানে পৰিৱৰ্তনৰ মাজেৰে গতি কৰিছে। এই গতিত যদি কেতিয়াবা সংস্কৃতত ক'বৰ দৰে চক্ৰৱৎ পৰিৱৰ্তন্তে দুঃখনি চ সুখনি চ অৰ্থাৎ গাড়ীৰ চকাটো কেতিয়াবা বোকাত পৰে আকৌ কেতিয়াবা শুকানত উঠে। তেনেকৈ কানৈ কলেজো সদায় একে ধৰণে থাকিব বুলি আমি আশা কৰিব নোৱাৰোঁ। কানৈ কলেজৰ বৰ্তমান প্ৰসাৰ ঘটিছে। বেলেগ বেলেগ বিষয় অন্তৰ্ভুক্ত হৈছে। শিক্ষাৰ গোটেই ক্ষেত্ৰখন বহল হৈ পৰিছে। গতিকে আগৰ তুলনাত কানৈ কলেজৰ যে পৰিৱৰ্তন ঘটিছে তাত কোনো সন্দেহ নাই। কিন্তু আমাৰ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসুৰ দৰে পণ্ডিতৰো অতিকে প্ৰয়োজন। অৱশ্যে তেওঁৰ দৰে পণ্ডিত নোলাব বুলি আমি নিৰাশ হ'ব নালাগে। ওলাব নিশ্চয়, সেই আশাৰে আমি বাট চাই আছোঁ।

প্ৰশ্নঃ ছাৰ, আমি আপোনাৰ ব্যক্তিগত জীৱনলৈ উভতি আহিছোঁ। আপোনাৰ জীৱনৰ এনে এটি মুহূৰ্তৰ কথা আমি জানিব বিচাৰিছোঁ যিটো মুহূৰ্ত আপোনাৰ বাবে চিৰস্মৰণীয়।

উত্তৰঃ মোৰ চিৰস্মৰণীয় মুহূৰ্ত বুলি ক'লে সৰু-ডাঙৰ বহুত আছে। মোৰ যদি শৈশৱৰ কথা কওঁ তেন্তে আমাৰ বিদ্যালয়ৰ সেই বছৰৰ আলোচনীত মোৰ তিনিটা লেখা অৰ্থাৎ এটা গল্প, এটা পদ্য আৰু এটা প্ৰবন্ধ প্ৰকাশ পাইছিল। সেই মুহূৰ্তটো মোৰ বাবে চিৰস্মৰণীয়। এনেকুৱা মোৰ আন কেইটা মুহূৰ্ত হৈছে যেতিয়া মই শিক্ষক হৈছিলোঁ আৰু তাৰ পাছত যেতিয়া মই কলেজৰ অধ্যাপক হৈছিলোঁ। এইকেইটা মুহূৰ্তৰ উপৰি মই অসম সাহিত্য সভাৰ সভাপতি হৈ পুনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আহি যোগ দিয়াটোও মোৰ বাবে চিৰস্মৰণীয় মুহূৰ্ত। এনে ধৰণৰ মোৰ অজস্ৰ মুহূৰ্ত আছে তাৰ ভিতৰত কিছুমান সুখৰ কিছুমান দুখৰ। সুখৰ ভিতৰত আৰু এটা হ'ল যেতিয়া মই ৰাজ্যসভাৰ সভাপতি নিৰ্বাচিত হৈছিলোঁ। নিৰ্বাচিত হোৱাৰ পাছত মই কাৰ্যভাৰ গ্ৰহণ কৰি সংসদৰ সভাপতিৰ আসনত বহিছিলোঁ আৰু চকীখনৰ দুয়োটা মূৰত সিংহৰ মূৰ আৰু সন্মুখত আছিল স্বাধীন ভাৰতৰ প্ৰথম ৰাজ্যসভাৰ সভাপতি ৰাধাকৃষ্ণণৰ ফটো। তেওঁ বহা আসনখনত বহিবলৈ পাই মোৰ এক শিহৰণ হৈছিল আৰু মই নিজকে গৌৰৱবোধ কৰিছিলোঁ।

প্ৰশ্নঃ Behind every successful man, there is an woman বুলি এষাৰ কথা আছে। আপোনাৰ জীৱনত বাইদেউৰ ভূমিকাৰ সম্পৰ্কে কওকচোন।

উত্তৰঃ মই আচলতে বাহিৰৰ জীৱনটোৰ লগতহে জড়িত হৈ আছিলোঁ। সাহিত্য সভাৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে বাহিৰে বাহিৰে কাম কৰি থাকিলোঁ। ঘৰখন, ল'ৰা-ছোৱালী ডাঙৰ দীঘল কৰাৰপৰা সকলোখিনি তেওঁৱেই কৰিলে। মই আজিলৈকে যিমানখিনি কাম কৰিলোঁ তেওঁৰ সহযোগ নথকাহেঁতেন বোধকৰোঁ ইমানখিনি কাম কৰিবলৈ সক্ষম নহলোহেঁতেন। জীৱনৰ এই খিনি কৰ্তৃত্ব মই তেওঁৰ বাবে এৰি দিওঁ।

প্ৰশ্নঃ পুত্ৰ, কন্যা, নাতি-নাতিনীৰে ভৰা ঘৰখনৰ মুৰব্বী হিচাপে আপোনাৰ অনুভৱ আৰু অসমৰ এজন অগ্ৰণী ব্যক্তি হিচাপে আপোনাৰ অনুভৱৰ মাজত সম্পৰ্ক আৰু পাৰ্থক্য কিমান?

উত্তৰঃ মই মোৰ ল'ৰা-ছোৱালী আৰু নাতি-নাতিনীবোৰক ভাল পাওঁ আৰু তেওঁলোকৰ প্ৰতি দায়িত্ব মোৰ সদায়েই থাকিব। ঠিক তেনেকৈ আন ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিও মোৰ দায়িত্ব একে। সেইবুলি প্ৰতিজনৰ অসুবিধা আঁতৰ কৰিব নোৱাৰি। কিন্তু তোমালোক সকলোঁকে মোৰে নাতি-নাতিনী বুলি ভাবি সন্তুষ্ট হ'ব পাৰোঁতো!

প্ৰশ্নঃ ছাৰ, আপুনি নিজকে একেধাৰে গল্পকাৰ, চিন্তাশীল প্ৰবন্ধকাৰ, কবি,



*মই আমাৰ কানৈ মহাবিদ্যালয়ৰ কানৈয়ান সকলক ইয়াকে পৰামৰ্শ দিব বিচাৰো যে -- তেওঁলোকে প্ৰত্যেকেই নিজ নিজ বিষয় ভালকৈ বুজি ভাল শিক্ষা লাভ কৰি ভৱিষ্যতৰ বাবে নিজকে প্ৰস্তুত কৰি তোলে যেন। তোমালোকক আজি মই সেই কেইজন যুৱকৰ কথা ক'ব বিচাৰো যি কেইজনে অসমীয়া ভাষা সাহিত্যৰ সৃষ্টিক দিশ হিচাপে লৈ অসমীয়া ভাষা সাহিত্য সৃষ্টি কৰি আমালৈ সুবিধা কৰি থৈ গ'ল।*

সাহিত্যিক, বুদ্ধিজীৱি, শিক্ষাবিদ হিচাপে গঢ়ি তোলাত কাৰ পৰা আটাইতকৈ বেছি অনুপ্ৰেৰণা পাইছিল?

**উত্তৰঃ** প্ৰকৃততে অনুপ্ৰেৰণা হোৱা ধাৰণাটো প্ৰত্যেক মানুহৰ নিজৰ ভিতৰত থাকে। বাহিৰৰ পৰিৱেশে আমাক অনুকূল কৰি দিয়াত সহায় কৰে। কিন্তু প্ৰেৰণা বা অনুপ্ৰেৰণা সদায় নিজৰ ভিতৰত হে থাকে। বাহিৰৰ কোনো পৰিৱেশে সহায় কৰিব নোৱাৰে। অনুপ্ৰেৰণাটো মোৰ নিজৰ ভিতৰত নিজেই গঢ় লৈ উঠিছিল। অৱশ্যে উপাদানবোৰ চাৰিওফালৰ পৰিৱেশৰপৰাই পাইছোঁ।


**প্ৰশ্নঃ** নতুন প্ৰজন্মৰ লেখক-লেখিকাসকললৈ আপোনাৰ পৰামৰ্শ?

**উত্তৰঃ** মই বহুতো ল'ৰা-ছোৱালীৰ লেখা পঢ়িছোঁ। তাৰ ভিতৰত সকলোৱে যে ভাল লিখিছে সেয়া মই নকওঁ। কিন্তু তাৰে ভিতৰত কিছুমানে যে ইমান সুন্দৰকৈ লিখিছে যিবোৰ আমিয়ে আজিলৈকে ভাবি পোৱা নাই। সেয়েহে মই ভাবোঁ যে আমাৰ নতুন প্ৰজন্ম নিৰাশাজনক নহয়। অৱশ্যে নিজকে এজন প্ৰকৃত ব্যক্তি হিচাপে গঢ়িবলৈ মানুহক আৰু দেশক ভিতৰৰপৰা ভাল পাব লাগিব। আমাৰ প্ৰত্যেকৰে মাজত কিছুমান প্ৰবৃত্তি আছে। এই প্ৰবৃত্তিবোৰ আঁতৰ কৰিলে দেখা পাওঁ এজন প্ৰকৃত মানুহ আছে যিজনৰ জাত-পাত, ভাষা একোৱে নাথাকে। আমি তেনেকৈ প্ৰত্যেক মানুহক ভাল পাব পাৰিব লাগিব। এনেকৈ যদি আমি সকলোকে ভাল পাব পাৰোঁ তেন্তে বাহিৰৰ জগতৰ বস্তুবোৰে আমাক কলুষিত কৰিব নোৱাৰে। এনেকৈ যদি আমি মানুহক আৰু দেশক ভাল পাব পাৰোঁ তেন্তে পৃথিৱীখন বৰ সুন্দৰ হৈ পৰিব।

**প্ৰশ্নঃ** আমাৰ কানৈ মহাবিদ্যালয়ৰ কানৈয়ানসকললৈ কোনো ধৰণৰ পৰামৰ্শ ........।


**উত্তৰঃ** মই আমাৰ কানৈ মহাবিদ্যালয়ৰ কানৈয়ান-সকলক ইয়াকে পৰামৰ্শ দিব বিচাৰোঁ যে – তেওঁলোকে প্ৰত্যেকেই নিজ নিজ বিষয় ভালকৈ বুজি ভাল শিক্ষা লাভ কৰি ভৱিষ্যতৰ বাবে নিজকে প্ৰস্তুত কৰি তোলে যেন। তোমালোকক আজি মই সেই কেইজন যুৱকৰ কথা ক'ব বিচাৰোঁ যি কেইজনে অসমীয়া ভাষা সাহিত্যৰ সৃষ্টিক দিশ হিচাপে লৈ অসমীয়া ভাষা সাহিত্য সৃষ্টি কৰি আমালৈ সুবিধা কৰি থৈ গ'ল। সেই সময়ত সেই আটাইকেইজন যুৱক কলিকতাত FA শ্ৰেণীৰ ছাত্ৰ আছিল – যিটো আজিকালি Higher Secondary বুলি কয়। গতিকে FA শ্ৰেণীত পঢ়ি থকা ল'ৰা কেইজনমানে নিজ চিন্তা চৰ্চাৰে আমাৰ মনত যদি এক জাগৰণ সৃষ্টি কৰিব পাৰে তেন্তে তোমালোঁকে কিয় কৰিব নোৱাৰিবা। তেওঁ মানুহক আৰু দেশক ভিতৰৰ পৰা ভাল পাইছিল। সেয়েহে দেশৰ কাৰণে ইমানবোৰ কৰিবলৈ সক্ষম হৈছিল। আমাৰ ইয়াত কৰিবলৈ কিমানবোৰ কাম আছে। ভাষাৰ কাৰণে, সাহিত্যৰ কাৰণে, অসমীয়া জাতিটোৰ কাৰণে। এইবোৰকে নিজৰ দিশ হিচাপে লৈ আমাৰ বাবে থকা অফুৰন্ত কাম কৰিবলৈ আমি আগবাঢ়ি আহিব লাগে।

অসমীয়া নাট্য সাহিত্যত বুৰঞ্জীমূলক নাটকৰ ইতিহাস আৰম্ভ হয় বিংশ শতাব্দীৰপৰা। ১৯০০ চনত পদ্মনাথ গোহাঞি বৰুৱাৰ ৰচিত 'জয়মতী' নাটক প্ৰকাশ হয়। 'জয়মতী'য়েই প্ৰথম অসমীয়া বুৰঞ্জীমূলক বা ঐতিহাসিক নাটক। ইয়াৰ পোন্ধৰ বছৰৰ পাছত ১৯১৫ চনত লক্ষ্মীনাথ বেজবৰুৱাই একেলগে তিনিখন বুৰঞ্জীমূলক নাটক লিখি প্ৰকাশ কৰে। নাটক তিনিখন হ'ল 'বেলিমাৰ', 'জয়মতী কুঁৱৰী' আৰু 'চক্ৰধ্বজ সিংহ'। এই কেউখন নাটক অসম বুৰঞ্জীৰ আহোম ৰাজত্বকালৰ ঘটনাৱলীৰ আধাৰত ৰচিত।



# বেজবৰুৱাৰ চক্ৰধ্বজ সিংহ ঃ

## এটি অৱলোকন




ড° উষাৰাণী বৰুৱা
মুৰব্বী, অসমীয়া বিভাগ


'চক্ৰধ্বজ সিংহ' নাটকখনৰ কাহিনী গ্ৰহণৰ ক্ষেত্ৰত নাট্যকাৰে হেমচন্দ্ৰ গোস্বামীৰ 'শৰাইঘাটৰ যুদ্ধ' নামৰ প্ৰবন্ধৰ কথা উল্লেখ কৰিছে। তদুপৰি Gait -অৰ 'History of Assam' আৰু উপেন্দ্ৰ বৰুৱাৰ 'মোমাই তামুলী'ৰপৰা সহায় লোৱাৰ কথাও নাটকখনৰ পাতনিত উল্লেখ কৰিছে। অসম বুৰঞ্জীত চক্ৰধ্বজ সিংহৰ ৰাজত্ব কাল বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হৈ পৰিছে শৰাইঘাটৰ ৰণৰ বাবে। এই ৰণত জয়লাভেৰে অসমীয়াৰ জাতীয় গৌৰৱ জিলিকি উঠিছিল। অসমীয়াৰ সাহস, চতুৰতা, ৰণ নিপুণতাৰ কথা মোগল সেনাপতি অম্বৰাধিপতি ৰামসিংহই ভূয়সী প্ৰশংসা কৰি গৈছিল। বেজবৰুৱাই এই বিষয়বস্তুকে নাট্যৰূপ দিছে চক্ৰধ্বজ সিংহ নাটকত। এই বিষয় বাছি লোৱাৰ উদ্দেশ্যৰ কথাও নাট্যকাৰে নাটকখনৰ পাতনিতে কৈ থৈছে — '... অসমৰ অতীত গৌৰৱ কাহিনী নাটৰ আকাৰেৰে আজিকালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰাটোহে ...।' ইয়াৰপৰাই এইটো

কাল্পনিক চৰিত্ৰসমূহৰ ক্ষেত্ৰত এই একেখন নাটকৰ পাতনিত আৰু এষাৰ মন কৰিবলগীয়া কথা কৈ গৈছে – 'যি কেইজন কাল্পনিক ব্যক্তি সেই কেইজনৰ চৰিত্ৰ তোমাৰ ক্ষমতা অনুসাৰে যিমান পাবা ৰহণ সানিব পাৰা —অৱশ্যে তাকো এনেকৈ সানিব লাগে যাতে তাৰ দ্বাৰাই মূল ঘটনা বা নায়ক নায়িকাৰ চৰিত্ৰৰ অঙ্গহানি নহয়।' (পাতনি, বেলিমাৰ) বুৰঞ্জীমূলক নাটকৰ এই বিশেষ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি বেজবৰুৱাই তেওঁৰ ঐতিহাসিক নাটক কেইখনত কাল্পনিক চৰিত্ৰসমূহ চিত্ৰিত কৰাৰ প্ৰয়াস কৰিছে।

স্পষ্ট হৈ পৰে যে বেজবৰুৱাৰ জাতীয় প্ৰেম বা স্বদেশ প্ৰেমেই এই নাটক ৰচনাৰ মূল উৎস।

চক্ৰধ্বজ সিংহ ৰাজপাটত উঠাৰপৰা শৰাইঘাটৰ ৰণ বিজয়লৈকেএই সময়ছোৱাৰ বুৰঞ্জীৰ ঘটনাৰ লগত নাট্যকাৰে স্বকল্পিত চৰিত্ৰ আৰু ঘটনাৱলীৰে নাট্য কাহিনীক সৰস আৰু বৈচিত্ৰ্যময় ৰূপ দিবলৈ প্ৰয়াস কৰিছে। এই ক্ষেত্ৰত প্ৰিয়ৰাম, গজপুৰীয়া, গজপুৰীয়ানী আৰু তেওঁলোকৰ সঙ্গোপাঙ্গ কেইজনৰ কাৰ্যাৱলী; চেনেহী, ৰূপহী, শদিয়াখোৱা গোহাঁইৰ চৰিত্ৰ আৰু কাৰ্যাৱলীলৈ আঙুলিয়াব পাৰি। এই প্ৰসঙ্গতে চক্ৰধ্বজ সিংহ ৰচনা কৰাৰ বছৰতে লিখা বেজবৰুৱাৰ আন এখন বুৰঞ্জীমূলক নাটক 'বেলিমাৰ'ৰ পাতনিত স্বকল্পিত চৰিত্ৰ সম্পৰ্কে উল্লেখ কৰা কথা কেইষাৰ মনত পেলাব পাৰি। 'ঐতিহাসিক নাটকতো প্ৰকৃত ব্যক্তিসকলৰ কাষে কাষে নানা বৰণীয়া কাল্পনিক ব্যক্তিৰ অস্তিত্ব আৰু কাৰ্য আৱশ্যক; নতুবা সি নাট নহৈ উকা বুৰঞ্জীৰ জঁকাহে হ'ব। এই কাল্পনিক ভাৱৰীয়াসকল প্ৰকৃত ঐতিহাসিক ভাৱৰীয়াসকলৰ গাত চিত্ৰ-বিচিত্ৰ বসন-ভূষণৰ নিচিনা; অৱশ্যে এইটো পাহৰিব নালাগিব যে সেই বসন-ভূষণ তেওঁলোকক শুৱনি কৰিবৰ নিমিত্তেহে; হেঁচা মাৰি ধৰি মাৰিবৰ নিমিত্ত নহয়। সেই দেখি ইতিহাসৰ প্ৰকৃত নায়ক-নায়িকা আৰু আন আন ব্যক্তিসকলে ঐতিহাসিক নাটক ভাও দিওঁতে লগৰীয়াসকলৰে সৈতে নানা সাজ, নানা অলঙ্কাৰ পিন্ধি ওলালেও তেওঁলোক যে ইতিহাসৰ দেশৰ মানুহ, এই চিন তেওঁলোকে নেহেৰুৱায়, এইটোলৈ লক্ষ্য থাকিব লাগে।' (পাতনি, বেলিমাৰ)। কাল্পনিক চৰিত্ৰসমূহৰ ক্ষেত্ৰত তেওঁ এই একেখন নাটকৰ পাতনিত আৰু এষাৰ মন কৰিবলগীয়া কথা কৈ গৈছে – 'যি কেইজন কাল্পনিক ব্যক্তি সেই কেইজনৰ চৰিত্ৰ তোমাৰ ক্ষমতা অনুসাৰে যিমান পাবাঁ ৰহণ সানিব পাৰাঁ —অৱশ্যে তাকো এনেকৈ সানিব লাগে যাতে তাৰ দ্বাৰাই মূল ঘটনা বা নায়ক নায়িকাৰ চৰিত্ৰৰ অঙ্গহানি নহয়।' (পাতনি, বেলিমাৰ) বুৰঞ্জীমূলক নাটকৰ এই বিশেষ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি বেজবৰুৱাই তেওঁৰ ঐতিহাসিক নাটক কেইখনত কাল্পনিক চৰিত্ৰসমূহ চিত্ৰিত কৰাৰ প্ৰয়াস কৰিছে।



'চক্ৰধ্বজ সিংহ' নাটকত সংযোজিত কাল্পনিক কথাবস্তুক দুটা ভাগত ভগাব পাৰি। এটা প্ৰিয়ৰাম, গজপুৰীয়া, গজপুৰীয়ানী, টকৌ, টোকোৰা, সিদ্ধিৰাম, জপৰা আদিক লৈ ৰচনা কৰা কথাখিনি আৰু আনটো হ'ল চেনেহী, ৰূপহী আৰু শদিয়াখোৱা গোঁহাইক কেন্দ্ৰ কৰি সৃষ্টি কৰা ঘটনাৰাজি। প্ৰিয়ৰাম, গজপুৰীয়া, গজপুৰীয়ানী চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত বেজবৰুৱাই ছেক্সপীয়েৰৰ প্ৰভাৱৰ কথা নাটকখনৰ পাতনিত স্বীকাৰ কৰিছে। ছেক্সপীয়েৰৰ 'হেনৰী ফৰ্থ' নাটকৰ প্ৰিন্স হ'ল, ফলষ্টাফ, মিষ্ট্ৰেছ কুইকলিৰ অনুকৰণত এই চৰিত্ৰকেইটা সৃষ্টি কৰা হৈছে। এওঁলোকক লৈ সৃষ্টি কৰা উপকাহিনীয়ে অৱশ্যে নাটকৰ মূল কাহিনীত বিশেষ ভাৱে প্ৰভাৱ নেপেলালেও হাস্য ৰস সৃষ্টিত কিছু অৰিহণা যোগাইছে।

আনহাতে শদিয়াখোৱা গোঁহাই আৰু চেনেহীৰ প্ৰণয় কাহিনীয়ে নাটকখনলৈ ৰোমান্টিক আৱেদন এটা অনাৰ প্ৰয়াস কৰিছে। অৱশ্যে এই প্ৰণয় কাহিনীয়ে মূল নাট্য কাহিনীক বৈচিত্ৰ্যময় আৰু ৰসঘন কৰি তুলিছে বুলি ক'ব নোৱাৰি।

'চক্ৰধ্বজ সিংহ' নাটকৰ কাহিনী বিন্যাস কৰোঁতে বেজবৰুৱাই ৫ টা অঙ্কত ২৬ টা দৃশ্যৰ যোগেদি ঘটনাৰ বিকাশ আৰু পৰিণতি ৰূপায়ণ কৰি দেখুৱাইছে। এই ক্ষেত্ৰতো নাট্যকাৰে দৰ্শন (দৃশ্য) বিভাজনত ভাৰসাম্য ৰক্ষা কৰিব পৰা নাই। তেওঁ ১ ম অঙ্কত ৩ টা দৰ্শন, ২ য় অঙ্কত ৫ টা দৰ্শন, ৩ য় অঙ্কত ৪ টা দৰ্শন, ৪ ৰ্থ অঙ্কত ৫ টা দৰ্শন, শেহৰ ৫ ম অঙ্কত ৯ টা দৰ্শনত নাট্য কথাবস্তু সামৰিছে। তদুপৰি বহুকেইটা দৰ্শনত নাট্যগুণধৰ্মী সংলাপ বা কাৰ্যাৱলীৰ পৰিৱৰ্তে চিঠি-পত্ৰৰ চলাচলৰ যোগেদিয়েই

ঘটনা আগবঢ়াই নিছে।

প্ৰথম অঙ্কৰ প্ৰথম দৃশ্যত নাটকীয় ঘটনাৰ আৰম্ভণিৰ ইঙ্গিত দিয়াৰ পাছতে পাছৰ দুটা দৃশ্যৰ এটাত প্ৰিয়ৰাম, গজপুৰীয়া, গজপুৰীয়ানী আদিৰ লঘু হাস্যোদ্দীপক ঘটনাৰ অৱতাৰণা কৰিছে। ৩ য় দৃশ্যত ধিতিঙালি কৰি ফুৰা প্ৰিয়ৰামৰ চৰিত্ৰ সম্পৰ্কত পিতৃ লাচিত ফুকনৰ অসন্তুষ্টি আৰু পুত্ৰবৎসলা মাতৃ হিচাপে ফুকননীৰ চৰিত্ৰৰ আভাস ফুটি উঠিছে।

দ্বিতীয় অঙ্কৰ পাঁচোটা দৃশ্যৰ ১ ম আৰু ৪ৰ্থ দৃশ্যত পুনৰ প্ৰিয়ৰাম, গজপুৰীয়া আদিৰ লঘু ঘটনাই ঠাই পাইছে। এই অঙ্কৰ ২ য় দৰ্শন (দৃশ্য) ত ভকতৰাম ওজাই বাঁহবাৰীৰ যুদ্ধক্ষেত্ৰত অসমীয়া সেনাক উদ্‌গণি দিয়া উপদেশখিনি দীঘলীয়া পদছন্দত দিয়া বাবে কাহিনীৰ নাট্যগুণধৰ্মিতা যথেষ্ট হ্ৰাস পাইছে। ৩ য় দৰ্শনত গুৱাহাটীৰ বৰফুকনৰ কোঠাত লাচিত বৰফুকন আৰু প্ৰিয়ৰামৰ কথোপকথনৰ যোগেদি প্ৰকাশ পোৱা ফিৰোজ খাঁ আৰু চৈয়দ চানাক বন্দী কৰাৰ বাৰ্তাই অসমীয়া সেনাই মোগলৰ বিৰুদ্ধে জয়লাভ কৰাৰ ইঙ্গিত দিয়ে। ৫ ম দৃশ্যত গড়গাঁৱৰ ৰাজচ'ৰাত স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলৰ যুদ্ধ সম্পৰ্কে উৎকণ্ঠা, বৰফুকনৰ পত্ৰৰ যোগেদি যুদ্ধ জয়ৰ বাৰ্তা পাই উৎকণ্ঠাৰ সামৰণি পৰা আৰু এই উপলক্ষ্যে আনন্দ-উৎসৱ পাতিবলৈ দিহা কৰাৰ কথা পোৱা যায়।

তৃতীয় অঙ্কৰ ১ ম দৰ্শনত শদিয়াখোৱা গোঁহাই আৰু চেনেহীৰ প্ৰণয় আৰু ৰূপহীৰ চপল কথা-বাৰ্তাই ঠাই পাইছে। অৱশ্যে তাৰ মাজতে শদিয়াখোৱা গোঁহায়ে বৰফুকন আৰু তেওঁৰ পুত্ৰ প্ৰিয়ৰামে যুদ্ধ জয় কৰাৰ বাৰ্তাও দিছে। ২ য় দৰ্শনত দিল্লীৰ বাদশাহ ঔৰংজেৱে অসম আক্ৰমণৰ বাবে অম্বৰাধিপতি ৰামসিংহক সেনাপতি পতাৰ কথা ব্যক্ত হৈছে। ৩য় দৰ্শনত গড়গাঁৱৰ ৰাজচ'ৰাত ৰজাই মোগলৰ সৈতে যুঁজিবৰ বাবে সন্থম হোৱাৰ কথা উল্লেখ কৰিছে। ৪ৰ্থ দৰ্শনত পুনৰ গজপুৰীয়া গজপুৰীয়ানীৰ লঘু কথা-বাৰ্তা অন্তৰ্ভুক্ত হৈছে।

চতুৰ্থ অঙ্কৰ ১ ম দৰ্শনত ৰজাৰ চ'ৰাত লাচিতৰ পত্ৰ বিশেষৰ দ্বাৰা যুদ্ধৰ বাৰ্তা আৰু যুদ্ধলৈ প্ৰস্তুত কৰিবৰ বাবে অসমীয়া ডেকাসকলক কাড়ীৰ লেখত ভৰ্তি কৰাৰ আভাস পোৱা যায়। ২ য় দৰ্শনত মোগল শিবিৰত ৰজা ৰামসিংহই যুদ্ধৰ বাবে কৰা প্ৰস্তুতিৰ কথা আৰু ৩ য় দৰ্শনত পুনৰ চেনেহী, ৰূপহী আৰু শদিয়াখোৱা গোঁহাইৰ সৰস কথোপকথন আৰু শদিয়াখোৱা গোঁহাইৰ যুদ্ধলৈ যোৱাৰ প্ৰস্তুতিৰ বিষয়ে জনা যায়। ৪ ৰ্থ দৰ্শনত গজপুৰীয়া আৰু লগৰীয়াসকলৰ লঘু হাস্যৰসাত্মক দৃশ্যৰ অৱতাৰণা কৰা হৈছে। ৫ ম দৰ্শনত ৰামসিংহৰ শিবিৰত যুদ্ধৰ বাবে ৰচিতখাঁক সাজু হ'বলৈ আদেশ আৰু লাচিত বৰফুকনে ৰামসিংহলৈ দিয়া চিঠিৰ বিষয়ে জনোৱা হৈছে।

পঞ্চম অঙ্কৰ ১ ম দৰ্শনত ৰচিত খাঁৰ শিবিৰত বহা নাচ-গানৰ মজলিছ, ৰচিত খাঁৰ যুদ্ধৰ প্ৰতি আওকণীয়া মনোভাৱ আৰু ৰামসিংহৰ



দূতক অপমান কৰাৰ কথা দেখুওৱা হৈছে। ২ য় দৰ্শনত ৰামসিংহ আৰু ৰচিতখাঁৰ মাজত উদ্ভৱ হোৱা বিৰোধৰ আভাস দিয়া হৈছে। ৩ য় দৰ্শনত আহোম স্বৰ্গদেউৰ চ'ৰাত লাচিত বৰফুকনে গুৱাহাটীৰপৰা যুদ্ধৰ বাতৰি জনাই দিয়া পত্ৰ পাঠ আৰু তাৰ উত্তৰ প্ৰস্তুত কৰাৰ লগতে লাচিত বৰফুকনে গড় নিৰ্মাণৰ কামত গাফিলতি কৰাৰ বাবে মোমায়েকক কটাৰ বিষয়ে অৱগত কৰা হৈছে। ৪ ৰ্থ দৰ্শনত দোপদৰত লাচিত বৰফুকনৰ শিবিৰত বৰফুকন আৰু অন্যান্য বিষয়াবৰ্গৰে যুদ্ধৰ পৰ্যালোচনাৰ কথা, ৫ ম দৃশ্যত ৰামসিংহৰ কুটনৈতিক প্ৰস্তাৱৰ বাৰ্তা আৰু ৬ ষ্ঠ দৰ্শনত আন্ধাৰুবালিৰ যুদ্ধৰ ঘটনা ৰূপায়ণ কৰা হৈছে। এই যুদ্ধত লাচিতে নৰীয়া গাৰেই যুঁজলৈ যোৱাৰ কথা কোৱা হৈছে। ৭ ম দৰ্শনত লাচিতৰ ৰণজয়ৰ বাতৰি স্বৰ্গদেউৰ ৰাজচ'ৰাত আলোচিত হৈছে। ৮ ম দৰ্শনত মোগল সেনাপতি ৰামসিংহ যুঁজত পৰাজিত হৈ উভতি যোৱাৰ কথা অন্তৰ্ভুক্ত হৈছে। নাটখনিৰ অন্তিম দৰ্শন অৰ্থাৎ পঞ্চম অঙ্কৰ ৯ ম দৰ্শনত গজপুৰীয়া-গজপুৰীয়ানীৰ লঘু দৃশ্যৰ লগতে বৰফুকনে যুদ্ধত জিকাৰ সংবাদ গড়গাঁৱলৈ প্ৰেৰণ কৰিবলৈ কৰা প্ৰস্তুতিৰে নাটকখনৰ সামৰণি মৰা হৈছে। সামগ্ৰিকভাৱে 'চক্ৰধ্বজ সিংহ' নাটকখনৰ ৫ টা অঙ্কৰ ২৬ টা দৰ্শনৰ মাজেৰে

‘চক্ৰধ্বজ সিংহ’ নাটকখনৰ নামকৰণৰ ক্ষেত্ৰত দেখা যায় যে নাটকখনত চক্ৰধ্বজ সিংহই কেন্দ্ৰীয় চৰিত্ৰ হিচাপে প্ৰাধান্য পোৱা নাই। কাহিনী বিন্যাসতো ‘চক্ৰধ্বজ সিংহ’ৰ ভূমিকা বৰ চকুত লগা নহয়। আনহাতে কৈ অহা হৈছে যে গোটেই নাটখনৰ ২৬ টা দৰ্শনৰ মাত্ৰ ৬ টা দৰ্শনতহে এই চৰিত্ৰটোৱে ভুমুকি মাৰিছে।

ৰূপায়ণ কৰা নাট্য কাহিনীয়ে সামৰি লোৱা মূল ঘটনা আৰু উপঘটনাৰ থুলমুল আভাস এটি দাঙি ধৰা হ'ল।

‘চক্ৰধ্বজ সিংহ’ নাটকখনৰ কাহিনী বিন্যাসত দৰ্শন বিভাজনৰ ভাৰসাম্য ৰক্ষিত হোৱা নাই। এই কথা উল্লেখ কৰি অহা হৈছে। তদুপৰি এই ক্ষেত্ৰত আন এটি চকুত পৰা ত্ৰুটি হ'ল বুৰঞ্জীমূলৰ নাটকৰ গহীন পৰিৱেশ অটুট ৰখাত নাট্যকাৰৰ অমনোযোগিতা। নাট্যকাহিনীৰ প্ৰথম অঙ্কৰ ২য় দৰ্শনৰপৰা নাটকখনৰ সামৰণি দৰ্শনলৈকে মুঠ ৬ টা দৰ্শনে সামৰি লোৱা গজপুৰীয়াহঁতৰ লঘু হাস্য ৰসাত্মক কথাখিনিয়ে ‘চক্ৰধ্বজ সিংহ’ নাটকখনৰ গাম্ভীৰ্য বহু পৰিমাণে হ্ৰাস কৰিছে।

‘চক্ৰধ্বজ সিংহ’ নাটকৰ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত নাটকখনত স্থান পোৱা বুৰঞ্জীৰ মূল চৰিত্ৰ কেইটিত নাট্যকাৰে বিশেষ হাত ফুৰোৱা নাই। বুৰঞ্জীয়ে দিয়া সুবিধাৰ মাজতেই চৰিত্ৰকেইটিক বিচৰণ কৰিবলৈ এৰি দিছে। কাৰণ বেজবৰুৱাই ‘বেলিমাৰ’ নাটকৰ পাতনিত বুৰঞ্জীমূলক নাটকৰ চৰিত্ৰ সম্পৰ্কে তেওঁৰ ধাৰণাৰ আভাস দি গৈছে। তেওঁৰ মতে — ‘ঐতিহাসিক প্ৰকৃত ঘটনা লৰচৰ নকৰি আৰু ইতিহাসৰ প্ৰকৃত ব্যক্তিসকলৰ চৰিত্ৰ যেনে আছিল যিমানদূৰ পৰা যায় তেনে ৰাখি চিত্ৰিত কৰি গত আৰু মৃত ঘটনা আৰু ব্যক্তিসকলৰ শৰীৰত পুনৰ প্ৰাণ দি সেইবোৰ সজীৱ কৰি লৈ বৰ্তমান কালত দেখুৱাটো ঐতিহাসিক নাটকৰ কাৰ্য বুলি মোৰ ধাৰণা। সেইদেখি মোৰ কোনোখন নাটতে বুৰঞ্জীৰ প্ৰকৃত ভাৰতীয়া ভাৰতীয়ানীসকলৰ চৰিত্ৰ প্ৰকৃততে যেনে যিমান দূৰ মই বুজিব পাৰিছোঁ — তেনেকৈয়ে চিত্ৰিত কৰিবলৈ চেষ্টা কৰিছোঁ। কাৰো চৰিত্ৰ আচলতকৈ উজ্জ্বল বা ক'লা কৰিবলৈ চেষ্টা কৰা নাই। বুৰঞ্জীমূলক প্ৰধান নায়ক-নায়িকাৰ গাত ৰহণ সানি তেওঁলোকক Ideal hero বা Ideal heroine কৰিবলৈ গ'লে সেই নাট ঐতিহাসিক নাটৰ শাৰীৰ পৰা যায় বুলি মোৰ বিশ্বাস’ (পাতনি, বেলিমাৰ)। ‘চক্ৰধ্বজ সিংহ’ নাটকত নাম ভূমিকাৰ চৰিত্ৰটিৰ ভূমিকাও বেছি নাই। গোটেই নাটকখনৰ মাত্ৰ ৬ টা দৃশ্যত এই চৰিত্ৰটো লগ পোৱা যায়। এজন স্বদেশপ্ৰেমিক, স্বাধীনচিতীয়া উৎসাহী ৰজা হিচাপে বুৰঞ্জীয়ে চক্ৰধ্বজ সিংহৰ যি ধাৰণা পাঠকক দিয়ে নাটকতো তাৰেই আভাস দিয়া হৈছে। বুৰঞ্জীৰ ঘটনাত হাত নিদিয়াকৈ চৰিত্ৰটিৰ মানসিক দ্বন্দ্ব ফুটাই তুলিব পৰাকৈ যথেষ্ট স্থল থকা সত্ত্বেও নাট্যকাৰে সেই দিশটো আওকাণ কৰিলে। বুঢ়াগোঁহাই, বৰগোঁহাইকে আদি কৰি আহোম ৰজাৰ বিষয়াসকলক, ঔৰংজেৱ, ৰামসিংহ, ৰচিত খাঁ আদিবোৰ চৰিত্ৰও বুৰঞ্জীৰে যথাযথ ৰূপ দিছে। কেৱল লাচিত বৰফুকনৰ চৰিত্ৰটিৰ ক্ষেত্ৰত বুৰঞ্জীৰ স্বদেশপ্ৰেমী বীৰ লাচিতৰ ভাৱমূৰ্তিৰ লগতে এজন আদৰ্শ স্বামী আৰু দায়িত্বশীল পিতৃ হিচাপে চৰিত্ৰটোৰ বিশেষত্ব ফুটাই তুলিছে।

বুৰঞ্জীৰ মূল চৰিত্ৰকেইটিত হাত নুবুলালেও কাল্পনিক চৰিত্ৰকেইটিৰ ক্ষেত্ৰত যিমান পাৰে কল্পনাৰ ৰহণ সানিছে। লাচিত বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামক এজন সুৰাসক্ত, দায়িত্বহীন যুৱক হিচাপে প্ৰথমে ধাৰণা দি কৰ্তব্যৰ আহ্বানত এজন দায়িত্বশীল বীৰলৈ উত্তৰণ ঘটাই দেখুৱাইছে নাটকখনত। আনহাতে তেওঁৰ সঙ্গী গজপুৰীয়া, গজপুৰীয়ানী আৰু সঙ্গীসকলৰ ক্ষেত্ৰত তেওঁলোকক মদ্যপ তৰাং মানসিকতাৰ লোক হিচাপে চিত্ৰিত কৰিছে। গজপুৰীয়া দেখাত সহজ সৰল ভোদা মানুহ যেন লাগিলেও প্ৰকৃততে তেওঁ সুবিধাবাদী, লোভী আৰু উপস্থিত বুদ্ধিসম্পন্ন লোক। লাচিত বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামৰ সৈতে থকা সম্পৰ্কৰ গইনা লৈ তেওঁ বিষয়বাব আদায় কৰি লৈছে। যুঁজলৈ যাওঁতে পত্নী গজপুৰীয়ানীকো লগত লৈ গৈছে, পত্নীপ্ৰেমৰ টানত নহয়, আহত বা মৃত সৈন্যৰ বয়বস্তু,

ধন-বিত লুট কৰিবৰ বাবেহে। যুদ্ধক্ষেত্ৰত বিপদ দেখিলেই মৰা সৈনিকৰ ভাও দি নিজকে ৰক্ষা কৰাৰ উপস্থিত বুদ্ধিকণো তেওঁৰ পুৰামাত্ৰাই আছে। মিছা কথাৰ ভঁৰাল স্বৰূপ গজপুৰীয়াই মিছা কথা কৈ ধৰা পৰিলেও তাক সৈ নাকাঢ়ি তেওঁৰ চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশ কৰিছে।


গজপুৰীয়ানীও এই ক্ষেত্ৰত গজপুৰীয়াতকৈ কোনো গুণে কম নহয়। মুখ চোকা গজপুৰীয়ানীও গজপুৰীয়াৰ দৰেই লোভী আৰু তৰল মনৰ সুবিধাবাদী চৰিত্ৰৰ তিৰোতা। এই দুটি চৰিত্ৰৰ লগতে জপৰা, টকৌ, টোকোৰা, সিদ্ধিৰাম আদি চৰিত্ৰকেইটিও মদাহী, কথাচহকী আৰু লঘু মানসিকতাৰ চৰিত্ৰ। এই কেউটা চৰিত্ৰই গজপুৰীয়া আৰু গজপুৰীয়ানীৰ চৰিত্ৰ দুটিক অধিক স্পষ্ট কৰি তোলাত সহায় কৰিছে। অসমীয়া সাহিত্যত হাস্যৰসাত্মক চৰিত্ৰ হিচাপে গজপুৰীয়া গজপুৰীয়ানীৰ বিশেষ স্থান আছে। অৱশ্যে এই কাল্পনিক চৰিত্ৰ কেইটি সৃষ্টিৰ ক্ষেত্ৰত নাট্যকাৰে ছেক্সপীয়েৰৰ 'হেনৰী ফৰ্থ' নাটকৰপৰা আদৰ্শ গ্ৰহণ কৰাৰ কথা পূৰ্বে কৈ অহা হৈছে। বেজবৰুৱাই ছেক্সপীয়েৰৰ 'ফলষ্টাফ'ক অসমীয়া সাঁচত ঢালি কথাচহকী, নোমটেঙৰ, ওফাইদাং মৰা থলুৱা চৰিত্ৰ হিচাপে গজপুৰীয়াক সফলতাৰে অঙ্কন কৰি দেখুৱাইছে। এই ক্ষেত্ৰত বেজবৰুৱাৰ কৃতিত্বক স্বীকাৰ কৰিব লাগিব।

চেনেহী, ৰূপহী আৰু ফুকননীৰ চৰিত্ৰকেইটি নাট্যকাৰৰ মৌলিক সৃষ্টি। ৰূপহী চঞ্চলা, চপলা, কথাত আখৈ ফুটা ৰাংঢালী গাভৰু। ৰূপহীৰ তুলনাত চেনেহী গহীন গম্ভীৰ আৰু লাজকুৰীয়া স্বভাৱৰ। তাঁত বোৱা, ফুল তোলাত পাৰ্গত শিপিনী চেনেহী গীতে মাতেও আদৰ্শ অসমীয়া ছোৱালী। সুমধুৰ কণ্ঠেৰে সুললিত গীত গাব পৰা চেনেহীয়ে গীত ৰচনাও কৰে। এনে এগৰাকী গাভৰুৰ প্ৰতি যি কোনো যুৱকেই আকৰ্ষণ অনুভৱ কৰিব। শদিয়াখোৱা গোঁহাই চেনেহীৰ প্ৰণয়পাশত এনে গুণাৱলীৰ বাবেই বান্ধ খাই পৰিছে। শদিয়াখোৱা গোঁহাইৰ চৰিত্ৰটি নাটকখনত নাট্যকাৰে এজন আদৰ্শ প্ৰেমিক আৰু কৰ্তব্যপৰায়ণ বীৰপুৰুষ হিচাপে অঙ্কন কৰিছে।

'চক্ৰধ্বজ সিংহ' নাটকখনৰ নামাকৰণৰ ক্ষেত্ৰত দেখা যায় যে নাটকখনত চক্ৰধ্বজ সিংহই কেন্দ্ৰীয় চৰিত্ৰ হিচাপে প্ৰাধান্য পোৱা নাই। কাহিনী বিন্যাসতো 'চক্ৰধ্বজ সিংহ'ৰ ভূমিকা বৰ চকুত লগা নহয়। আগতে কৈ অহা হৈছে যে গোটেই নাটখনৰ ২৬ টা দৰ্শনৰ মাত্ৰ ৬ টা দৰ্শনতহে এই চৰিত্ৰটোৱে ভুমুকি মাৰিছে। তদুপৰি উল্লিখিত দৰ্শন কেইটাতো চৰিত্ৰটোৰ বিশেষ কাৰ্যাৱলী অথবা চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ কৰাতকৈ বুৰঞ্জীৰ ঘটনাৱলীৰ অগ্ৰগতিৰ অংশ হিচাপেহে চৰিত্ৰটো সন্নিৱিষ্ট হৈছে। নাটকখনত শৰাইঘাটৰ ৰণ অথবা লাচিত বৰফুকনেহে চক্ৰধ্বজ সিংহতকৈ অধিক গুৰুত্ব লাভ কৰিছে। শৰাইঘাটৰ ৰণ অথবা লাচিতৰ বীৰত্বৰ চানেকি চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালত সংঘটিত হোৱাৰ বাবেই নাট্যকাৰে নাটখনৰ নামকৰণ কৰাৰ ক্ষেত্ৰত 'চক্ৰধৰ সিংহ' নামটো নিৰ্বাচন কৰিলে বুলি ভাবিব পাৰি।

সি যি কি নহওক নাটখনৰ আৰু কেইটামান দুৰ্বল দিশ দেখা যায়। নাটকত সংঘাত আৰু ক্ৰিয়াশীলতাই হৈছে মুখ্য উপাদান। 'চক্ৰধ্বজ সিংহ'ত এই দুয়োটা দিশতেই দুৰ্বলতা চকুত পৰা ধৰণৰ। মোগল সম্ৰাটে কৰ সোধাবলৈ দিয়া চিঠিখনেই নাট্যকাহিনীৰ বহিঃ সংঘাতৰ অৱতাৰণা কৰিছে যদিও এই সংঘাত অধিক তীব্ৰতৰ কৰি তোলা নহ'ল। নাটখনত চৰিত্ৰসমূহৰো মানসিক দ্বন্দ্ব বা সংঘাতৰ গভীৰতা মুঠেই চিত্ৰিত নহ'ল। তদুপৰি চিঠি-পত্ৰৰ মাত্ৰাধিক আদান-প্ৰদান আৰু লঘু চিত্ৰত অধিক প্ৰাধান্য দিয়াত নাটকৰ ক্ৰিয়াশীলতাই ফুটি উঠিল। সেইদৰে সংলাপৰ ক্ষেত্ৰত লঘু হাস্যৰসাত্মক দৃশ্যত গজপুৰীয়াহঁতৰ মুখত দিয়া সংলাপে ঐতিহাসিক নাটকৰ গাম্ভীৰ্যপূৰ্ণ পৰিবেশ বহু পৰিমাণে লঘু কৰি পেলাইছে। তদুপৰি কেইবাটাও দৰ্শনত চৰিত্ৰৰ মুখত দিয়া দীঘলীয়া সংলাপে নাটকখনৰ নাট্যগুণধৰ্মিতা খৰ্ব কৰিছে? উদাহৰণ হিচাপে দ্বিতীয় অঙ্কৰ ৩ য় দৰ্শনত লাচিত বৰফুকনৰ মুখত দীঘলীয়া সংলাপ দি মাত্ৰ শেষত প্ৰিয়ৰামে 'দেউতাৰ আদেশ মতেই কাম হ'ব' বুলি কোৱা কথাৰে দৰ্শনটিৰ সমাপ্তি ঘটাইছে। সেইদৰে এইটো অঙ্কৰে ২ য় দৰ্শনত ভকতৰাম ওজাই অসমীয়া সৈন্যসকলক উৎসাহ যোগাবলৈ গোৱা দীঘলীয়া পদৰ ব্যৱহাৰো নাট্যগুণধৰ্মী নহয়।

অসমীয়া ঐতিহাসিক নাটক ৰচনাৰ আৰম্ভণি কালৰ নাটক হিচাপে 'চক্ৰধ্বজ সিংহ' নাটকখনৰ বিভিন্ন ক্ৰুটি-বিচ্যুতি থাকিলেও অসমীয়া জাতীয় জীৱনৰ এটি গৌৰৱমণ্ডিত অধ্যায়ক নাটৰূপ দি জাতীয় গৌৰৱ জগাই তোলাৰ প্ৰয়াসৰ বাবে নাট্যকাৰ বেজবৰুৱা প্ৰশংসাৰ পাত্ৰ। বেজবৰুৱাৰ এই প্ৰচেষ্টাই পৰৱৰ্তী কালত এনে নাটক সৃষ্টিৰ ক্ষেত্ৰত নাট্যকাৰসকলক নিশ্চয় প্ৰেৰণা দিব পাৰিব। মুঠতে ঐতিহাসিক নাটক ৰচনাৰ পৰম্পৰাত 'চক্ৰধ্বজ সিংহ'ই অৱদান আগবঢ়োৱাৰ উপৰি এই শ্ৰেণীৰ নাটক ভঁৰালো চহকী কৰি তুলিলে।



# জল সংকট ঃ সাম্প্ৰতিক কালৰ এক জ্বলন্ত সমস্যা

ড° ভাৰতী দত্ত
প্ৰবক্তা, ভূগোল বিভাগ

৭১ শতাংশ অঞ্চল জলেৰে আবৰা আমাৰ পৃথিৱীখনক মহাকাশৰপৰা চকু জুৰ পেলোৱা নীলা বৰণৰ দেখা যায়। সৌৰজগতত আমাৰ এই পৃথিৱী নামৰ নীল বৰণীয়া গ্ৰহটোৰ সৌন্দৰ্যৰ তুলনা নাই। জলৰাশিৰ বাবেই পৃথিৱীখনক মহাকাশত নীলা ৰঙৰ দেখি। এতিয়া প্ৰশ্ন হয় পৃথিৱীৰ ৭১ শতাংশ যদি পানীয়েই আৱৰি আছে তেনেহ'লে জলসংকটৰ কথাটো আহিল কেনেকৈ? এই বিষয়ে আলোচনা কৰাৰ আগেয়ে থোৰতে এষাৰ কথা ক'ব বিচাৰিছোঁ যে পানীৰে ভৰি থকা পৃথিৱীখনত মানুহে ব্যৱহাৰ কৰিব পৰা পানীৰ পৰিমাণ হ'ল মাত্ৰ ২.৭ শতাংশ। এই পৰিমাণহে মাথোন সুজল (Fresh Water)। এই ক্ষুদ্ৰ পৰিমাণৰ পানীৰ ৭৭.২ শতংশ সদায়ে গোটা অৰ্থাৎ বৰফ হিচাপে থাকে, ২২.৪ শতাংশ ভূগৰ্ভস্থ জল আৰু মৃত্তিকাত নিহিত থকা পানী হিচাপে পোৱা যায়, ০.৩৫ শতাংশ হ্ৰদ আৰু আৰ্দ্ৰভূমিসমূহত পোৱা যায় আৰু ০.০১ শতাংশতকৈও কম নদী, জান-জুৰি আদিত পোৱা যায়। বায়ুমণ্ডলত তেনেই ক্ষুদ্ৰ পৰিমাণৰ পানী সঞ্চিত হৈ থাকে।

সাগৰ, মহাসাগৰ, উপসাগৰসমূহে পৃথিৱীৰ ৭১ শতাংশ ঠাই আৱৰি আছে আৰু আমি আটায়ে এই কথাটো জানো যে এই পানীভাগ লুণীয়া; মানুহৰ ব্যৱহাৰত নাহে। ৯৭.৫ শতাংশ লুণীয়া পানী সাগৰ-মহাসাগৰ আদিত সঞ্চিত হৈ আছে আৰু ইয়াৰ ভিতৰত লুণীয়া পানীৰ হ্ৰদো অন্তৰ্ভুক্ত হৈছে। সুজলৰ অধিকাংশ বৰফ আকাৰে থাকে। বাকীভাগ পানী বায়ুমণ্ডল, মাটি, ভূ-গৰ্ভ অথবা ভূ-পৃষ্ঠৰ ওপৰৰ নদ-নদী, আৰ্দ্ৰভূমি আদিত পোৱা যায়; যিখিনি মানুহৰ কামত আহে। গতিকে পানী যে অমূল্য সম্পদ তাক দোহৰাৰ প্ৰয়োজন নাই।

প্ৰাকৃতিক পৰিৱেশৰ অন্যতম মৌলিক উপাদান পানী জীৱমণ্ডল (Biosphere)-ৰ জীৱিত প্ৰাণীমাত্ৰৰে নিতান্ত প্ৰয়োজনীয় উপাদান। অৰ্থাৎ এক কথাত ক'বলৈ গ'লে পৃথিৱী নামৰ এই গ্ৰহটোত জীৱৰ অৱস্থিতিয়েই সম্ভৱ নহ'লহেঁতেন, যদিহে ইয়াত পানী নাথাকিলহেঁতেন। ভূ-পৃষ্ঠৰ পানী (Surface Water), ভূ-গৰ্ভস্থ পানী (Underground Water) আৰু সামুদ্ৰিক পানী (Oceanic Water) হিচাপে পানী পোৱা যায়। পুখুৰী, জলাশয়, অলৱণাক্ত পানীৰ হ্ৰদ আদি অলৱণাক্ত স্থিৰ পানীৰ উৎস আৰু ভূপৃষ্ঠৰ ওপৰৰ বোঁৱতী পানী, নৈ, জান-জুৰি আদি হ'ল বৈ যোৱা পানীৰ উৎস আৰু এই দুইবিধ পানীৰ উৎস হ'ল ভূপৃষ্ঠৰ পানী বা Surface Water। বৰষুণৰ উপৰিও বৰফ গলা পানীৰপৰা এইসমূহলৈ পানীৰ যোগান হয়। ভূপৃষ্ঠৰ ওপৰৰ বোঁৱতী পানী বোলোঁতে সেই পানীৰ কথা কোৱা হৈছে যি পানী হ'ল বৰষুণৰ পানী বা বৰফ গলা পানী আৰু এই পানী ভূপৃষ্ঠৰ ওপৰেদি বৈ যায়। দৰাচলতে বৰষুণৰ পানী বা বৰফ গলা পানীৰ অধিকাংশ শিলৰ ফাঁক, মাটিৰ কণিকাৰ মাজেদি ভূ-পৃষ্ঠৰ তললৈ সোমাই যায়। মাটি যেতিয়া পানীৰে সংপৃক্ত (Saturated) হৈ পৰে অথবা মাটিত থকা পানীভাগ গোট মাৰি যায় নাইবা পানীৰ তললৈ সোমাই যোৱা হাৰতকৈ বৰষুণৰ পৰিমাণ বেছি হয় তেনেক্ষেত্ৰত বৰষুণৰ পানী বা বৰফ গলা পানী মাটিৰ তলেদি বৈ যায়। এয়াই হ'ল Surface runoff বা ভূপৃষ্ঠৰ ওপৰৰ বোঁৱতী পানী। বৈ যোৱা এই পানী নৈ, জান, জুৰি আদিত পৰে। আচলতে Run off বুলি কওঁতে বোঁৱতী পানীৰ এই উৎসসমূহো অন্তৰ্ভুক্ত হয় বা আন অৰ্থত অন্তৰ্ভুক্ত হয় অতিৰিক্ত হৈ ৰোৱা (বাষ্পীভৱন আৰু ভূ-গৰ্ভলৈ সোমাই যোৱাৰ পাছত বৈ যোৱা বৰষুণৰ পানী) বৰষুণৰ পানীভাগ বৈ যোৱা হিচাপে। এই পানীৰ পৰিমাণ ভূ-পৃষ্ঠত সকলোতে সমান নহয় আৰু বছৰটোৰ ভিতৰতো ইয়াৰ বিতৰণ সমান নহয়। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত নদীসমূহে লাভ কৰা বৰষুণৰ উল্লিখিত বোৱতী পানীৰ অধিকাংশ জুলাই, আগষ্ট আৰু ছেপ্তেম্বৰ মাহৰ অধিক বৰষুণ হোৱা (প্ৰায় ৮০ শতাংশ) সময়ছোৱাতে পোৱা যায়। নদীসমূহেদি পানীভাগ সাগৰলৈ যায়গৈ।

ভূ-পৃষ্ঠৰ ওপৰৰ নদীসমূহো মানুহৰ অদূৰদৰ্শিতাৰ বাবেই চিন্তাজনকভাৱে প্ৰদূষণৰ কবলত পৰিছে। উদ্যোগৰ আবৰ্জনা, পৌৰ এলেকাৰ আৱৰ্জনা নদীত পেলোৱাৰ ফলত নদীৰ পানী ব্যৱহাৰৰ অনুপযোগী হৈছে। আনহাতে আমাৰ দেশত ধৰ্মীয় পৰম্পৰাৰ লগত জড়িত কেতবোৰ নীতি-নিয়ম মানোতেও নদীৰ পানী প্ৰদূষিত হয়। উদাহৰণস্বৰূপে পূজা আদি হৈ যোৱাৰ পাছত মূৰ্তিসমূহ নদীত বিসৰ্জন দিওঁতে অনেক দূষিত পদাৰ্থ নদীৰ পানীত মিহলি হয়। মূৰ্তিত ব্যৱহাৰ কৰা কিছুমান ৰঙত বিষাক্ত পদাৰ্থ থাকে আৰু মূৰ্তি উটাই দিওঁতে এই ৰং নদীৰ পানীত মিহলি হৈ পানী বিষাক্ত কৰি তোলে, নদীত নামি গা ধোৱা, কাপোৰ ধোৱা আদি কামবোৰেও পানী প্ৰদূষিত কৰে। তদুপৰি খেতি পথাৰৰপৰা বৈ অহা পানীত ৰাসায়নিক সাৰ, কীটনাশক ঔষধ আদি মিহলি হৈ থাকে আৰু এনে পানী নদীত পৰিলেও পানী দূষিত হয়।

**ভূগৰ্ভস্থ বা ভূমিগত জলৰ প্ৰধান উৎস হ'ল বৰষুণৰ পানী আৰু বৰফ গলা পানী। আমাৰ দেশত খোৱা পানীৰ প্ৰায় ৮৫ শতাংশ ভূমিগত জলৰপৰাই পোৱা যায়। আনহাতে ৫ শতাংশ ভূমিগত জলহে এইক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে। এই জল ৮৫ শতাংশ ব্যৱহাৰ হয় জলসিঞ্চনত আৰু বাকী ১০ শতাংশ উদ্যোগকে ধৰি অন্যান্য খণ্ডত ব্যৱহাৰ হয়। ভাৰতবৰ্ষৰ বহু ৰাজ্যত খেতিত জলসিঞ্চন কৰোঁতে ভূমিগত জলৰ অত্যধিক ব্যৱহাৰে এই জলৰ পৰিমাণ দ্ৰুতগতিত হ্ৰাস কৰিছে।**

আমাৰ দেশৰ পানী ব্যাপক হাৰত প্ৰদূষণৰ কবলত পৰিছে। আমাৰ দেশৰ প্ৰথম শ্ৰেণীৰ মহানগৰ (একলাখতকৈ অধিক জনসংখ্যা থকাসমূহৰ মাত্ৰ ২৫ শতাংশহে পেলনীয়া দূষিত পানী সংগ্ৰহ কৰি, ইয়াক শোধন কৰি পেলোৱাৰ ব্যৱস্থা আছে। পৱিত্ৰ নদী বুলি বিখ্যাত গংগা নদী ইমানেই দূষিত হৈ পৰিছে যে ইয়াৰ পানী খোৱাৰ বাবে ব্যৱহাৰ কৰিব পৰাটো দূৰৰ কথা এই পানী গা ধোৱা বা অন্যান্য কামৰ বাবেও

ভূগৰ্ভস্থ জলসম্পদ মানুহৰ ব্যৱহাৰৰ বাবে যিহেতু অতি প্ৰয়োজন সেই সম্পদৰ ৰক্ষণাবেক্ষণ দিয়াটোও মানুহৰ কৰ্তব্য। পিছে এইক্ষেত্ৰত দেখা গৈছে যে মানৱজনিত কিছুমান ক্ৰিয়া-কলাপৰ বাবে এই জলসম্পদ প্ৰদূষণৰ কবলত পৰিছে। নগৰাঞ্চলৰ প্ৰদূষণমুক্ত নকৰা গেলা-পঁচা আবৰ্জনাযুক্ত পানী, উদ্যোগিক আৱৰ্জনা দ'ম কৰি ৰখা, পৰ্যাপ্ত ৰক্ষণাবেক্ষণ নকৰা ছেপটিক টেংক, খনিৰ আৱৰ্জনা, ভূ-পৃষ্ঠৰ তলৰ পেট্ৰলিয়ামজাত সামগ্ৰী বা অন্যান্য বিষাক্ত পদাৰ্থ গোটাই ৰখা টেংক আদিৰ লিক হোৱা আদি ভূগৰ্ভস্থ জল প্ৰদূষণৰ কাৰক।



অনুপযোগী হৈ পৰিছে। ভাৰতবৰ্ষৰ মুঠ জলসম্পদৰ ২৫.২ শতাংশ অৱদান আগবঢ়োৱা গংগা নদী যদি এনেদৰে ব্যৱহাৰৰ অনুপযোগী হয় তেনেহ'লে সেয়া নিঃসন্দেহে চিন্তাজনক কথা নহৈ নোৱাৰে।

সুজলৰ হ্ৰদসমূহত প্ৰমোদ ভ্ৰমণ আদি কৰাৰ ফলত অথবা বহুতো হ্ৰদ (যেনে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মিচিগান, ছুপিৰিঅ'ৰ আদি হ্ৰদ) অন্তৰ্দেশীয় যাতায়াতৰ বাবে ব্যৱহাৰ কৰা অথবা বিশ্বৰ বহু এনে হ্ৰদৰ পাৰত অৱস্থিত মহানগৰ, ডাঙৰ ডাঙৰ উদ্যোগ আদিয়ে হ্ৰদসমূহৰ সুজল ভাগ প্ৰদূষিত কৰিছে।

ভূগৰ্ভস্থ বা ভূমিগত জলৰ প্ৰধান উৎস হ'ল বৰষুণৰ পানী আৰু বৰফ গলা পানী। আমাৰ দেশত খোৱা পানীৰ প্ৰায় ৮৫ শতাংশ ভূমিগত জলৰপৰাই পোৱা যায়। আনহাতে ৫ শতাংশ ভূমিগত জলহে এইক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে। এই জল ৮৫ শতাংশ ব্যৱহাৰ হয় জলসিঞ্চনত আৰু বাকী ১০ শতাংশ উদ্যোগকে ধৰি অন্যান্য খণ্ডত ব্যৱহাৰ হয়। ভাৰতবৰ্ষৰ বহু ৰাজ্যত খেতিত জলসিঞ্চন কৰোঁতে ভূমিগত জলৰ অত্যধিক ব্যৱহাৰে এই জলৰ পৰিমাণ দ্ৰুতগতিত হ্ৰাস কৰিছে। ভূমিগত জলৰ ভাৰসাম্য নিৰ্ভৰ কৰে বছৰি কুঁৱা, নলীনাদ, হেণ্ড পাম্প আদিৰ সহায়ত উলিওৱা পানীৰ পৰিমাণৰ হাৰ আৰু বৰষুণৰ পানী, বৰফ গলা পানী আদি ভূভাগৰ তললৈ সোমাই যোৱাৰ বাৰ্ষিক হাৰ। গতিকে উলিওৱা পানীৰ পৰিমাণ যদি বৃদ্ধি পাই গৈ থাকে তেনেহ'লে নিশ্চয় এসময়ত এই পানী শেষ হৈ পৰিব। তদুপৰি ভূমিগত জলৰ ব্যৱহাৰ তেতিয়াহে কৰিব পৰা যাব যেতিয়া ই প্ৰদূষণমুক্ত হ'ব। পিছে এই পানীও ব্যাপক হাৰত প্ৰদূষিত হ'বলৈ ধৰিছে। International Water Management Institute-অৰ মতে প্ৰায় ২৫০ ঘন কিঃমিঃ ভূমিগত জল প্ৰতি বছৰে আমাৰ দেশত জলসিঞ্চনত ব্যৱহাৰ কৰা হয়। আনহাতে বৰষুণে মাত্ৰ ১০০ ঘন কি.মি.হে পূৰণ কৰে। গতিকে পানী হ্ৰাস পোৱাটো স্বাভাৱিক। ভাৰতবৰ্ষৰ কেইবাখনো মহানগৰত ৱাটাৰ টেবুল বহু তললৈ নামি যোৱাটো উল্লেখযোগ্য। হাই ৰাইজ বিল্ডিংবোৰৰ পানীৰ যোগান ধৰোঁতে ভূপৃষ্ঠৰ বহু তললৈ খন্দা হয়। মহানগৰী দিল্লী আৰু অসমৰ গুৱাহাটী মহানগৰৰো বহু অঞ্চলত ৱাটাৰ টেবুল চিন্তাজনকভাৱে তললৈ নামি গৈছে। ১৯৮০ চনত প্ৰায় ৫ লাখমান জনসংখ্যাৰ গুৱাহাটীত বৰ্তমান প্ৰায় ২০ লাখ মানুহে বাস কৰে। জনসংখ্যাৰ বৃদ্ধিয়ে স্বাভাৱিকতে জলসম্পদৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছে।

ৰাষ্টসংঘৰ প্ৰাক্তন মহাসচিব কফি. এ. আন্নানে সমগ্ৰ বিশ্বজুৰি জলসংকটৰ সমস্যাটোক লৈ চিন্তা ব্যক্ত কৰি কৈছে যে ১৯০০ চনৰপৰা ১৯৯৫ চনৰ সময়ছোৱাত বিশ্বত সুজলৰ ব্যৱহাৰ ছয়গুণ বৃদ্ধি পাইছে আৰু এই পৰিমাণ জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ দুগুণ বেছি। ইতিমধ্যে বিশ্বৰ প্ৰায় এক তৃতীয়াংশ মানুহ পানীৰ অভাৱ থকা দেশসমূহত বসবাস কৰে। আন্নানে 'Water stressed' দেশ বোলোঁতে সেইসমূহ দেশৰ কথা কৈছে য'ত পানীৰ যোগানতকৈ খৰচ ১০ শতাংশ বেছি। তেওঁ কৈছে যে বৰ্তমানৰ এই অৱস্থা চলি থাকিলে ২০২৫ চনলৈ বিশ্বৰ প্ৰতি তিনিজন মানুহৰ দুজন জলসংকটৰ সন্মুখীন হ'ব। ১৯৯২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত ২২ মাৰ্চ দিনটো বিশ্ব জল দিৱস (World Water Day) হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই দিৱস পালন কৰাৰ উদ্দেশ্য হ'ল জল সংকটৰ সমস্যা সম্পৰ্কত জনসাধাৰণক সচেতন কৰোঁৱাটো।

ভূগৰ্ভস্থ জলসম্পদ মানুহৰ ব্যৱহাৰৰ বাবে যিহেতু অতি প্ৰয়োজন সেই সম্পদৰ ৰক্ষণাবেক্ষণ দিয়াটোও মানুহৰ কৰ্তব্য। পিছে এইক্ষেত্ৰত দেখা গৈছে যে মানৱজনিত কিছুমান ক্ৰিয়া-কলাপৰ বাবে এই জলসম্পদ প্ৰদূষণৰ কবলত পৰিছে। নগৰাঞ্চলৰ প্ৰদূষণমুক্ত নকৰা গেলা-পঁচা আবৰ্জনাযুক্ত পানী, উদ্যোগিক আৱৰ্জনা দ'ম

কৰি ৰখা, পৰ্যাপ্ত ৰক্ষণাবেক্ষণ নকৰা ছেপ্‌টিক টেংক, খনিৰ আৱৰ্জনা, ভূ-পৃষ্ঠৰ তলৰ পেট্ৰলিয়ামজাত সামগ্ৰী বা অন্যান্য বিষাক্ত পদাৰ্থ গোটাই ৰখা টেংক আদিৰ লিক হোৱা আদি ভূগৰ্ভস্থ জল প্ৰদূষণৰ কাৰক। ১৯৬০ ৰ দশকতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতাত্বিক জৰীপত প্ৰকাশ পাইছিল যে উত্তৰ ডাকোটাত ভূগৰ্ভস্থ জলত যথেষ্ট পৰিমাণৰ ছালফেট, ক্ল'ৰাইড আৰু নাইট্ৰজেন আছে। মৰ্কিন যুক্তৰাষ্ট্ৰৰ নাগৰিক স্বাস্থ্য সেৱাই খোৱা পানীত দ্ৰৱীভূত গোটা বস্তুৰ পৰিমাণ যিমান হ'লে অপকাৰী নহয় বুলি ঠাৱৰ কৰিছিল তাতকৈ নাদৰ পানীত চাৰিগুণ বেছি এনে বস্তু আছিল। এই তথ্য আজিৰপৰা প্ৰায় ত্ৰিশ বছৰৰ আগৰ। ভাৰতবৰ্ষৰ উদ্যোগিক অঞ্চলৰ বহুতৰে ভূগৰ্ভস্থ পানী ব্যাপক হাৰত প্ৰদূষণৰ কবলত পৰিছে। ভাৰতবৰ্ষৰ পশ্চিম বংগৰ কেইবাখনো গাঁৱৰ পানীত আৰ্ছেনিক থকা বুলি প্ৰমাণ হৈছিল আঁশীৰ দশকতে। জলসিঞ্চনৰ বাবে ভূগৰ্ভস্থ জল অতিমাত্ৰা ব্যৱহাৰ কৰোঁতে বহু তললৈ নলীনাদ বহুৱাওঁতে ভূগৰ্ভস্থ পানীত আৰ্ছেনিক পোৱা গৈছিল। কাৰ্বি আংলং জিলাৰ ভূগৰ্ভস্থ পানীত ফ্ল'ৰাইড পোৱাৰ কথাটোও বহুলভাৱে চৰ্চিত হৈছে।

ওপৰৰ আলোচনাৰপৰা এই কথাটো স্পষ্ট হৈছে যে সুজলৰ উৎসসমূহ ব্যাপক হাৰত প্ৰদূষণৰ কবলত পৰিছে আৰু আমি এই কথাও লক্ষ্য কৰিছোঁ যে আমাৰ অজ্ঞতাৰ বাবেই বহু সময়ত এই মূল্যবান সম্পদবিধৰ অপব্যৱহাৰ কৰা হৈছে। ৰাস্তাৰ কাষত ৰাজহুৱাভাৱে ব্যৱহাৰ কৰা পানীৰ টেপ অবাবতে খুলি থোৱাৰ ফলত পানী পৰি থকাটো এটা সাধাৰণ দৃশ্য যেন হৈ পৰিছে। পানীৰ টেংক পানীৰে সম্পূৰ্ণ ভৰাৰ পাছতো পানী অহাটো বন্ধ নকৰাত পানী টেংকেদি বাগৰি পৰি থকাৰ দৃশ্যও সততে দেখা যায়। এনে আৰু অনেক উদাহৰণ দাঙি ধৰিব পৰা যায় যাৰ যোগেদি পানীৰ অপব্যৱহাৰৰ স্বৰূপ প্ৰত্যক্ষ হয়। আনহাতেদি পানীক প্ৰদূষিত হোৱাৰপৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰাটোও সংশ্লিষ্ট কৰ্তৃপক্ষ, চৰকাৰ তথা ৰাইজৰ কৰ্তব্য।

পানীৰ বহনক্ষম (Sustainable) ব্যৱহাৰ কৰাটো বৰ্তমান সময়ৰ আহ্বান। আমাৰ আজিৰ প্ৰয়োজনীয়তাখিনি পূৰোৱাৰ উপৰিও পানীয়ে যাতে আমাৰ ভৱিষ্যত প্ৰজন্মৰো প্ৰয়োজন পূৰাব পাৰে সেই দিশটোৰ প্ৰতি লক্ষ্য ৰখাটো আমাৰ প্ৰতিজন নাগৰিকৰে কৰ্তব্য। এই দিশলৈ চকু ৰাখি জলসম্পদৰ ব্যৱহাৰ কৰাতেই 'Sustainable Water Use' বোলা কথাষাৰৰ তাৎপৰ্য নিহিত হৈ আছে।

বৰষুণৰ পানী ধৰি ৰাখি ইয়াক বিভিন্ন কামত ব্যৱহাৰ কৰাৰ প্ৰক্ৰিয়া বহু আগৰেপৰা চলি আহিছে· যদিও সকলোৱে সমানে ইয়াৰ গুৰুত্ব উপলব্ধি কৰা নাই। বৰষুণৰ পানীৰ প্ৰায় ৭০ শতাংশ দৰাচলতে অবাবতে মাটিৰ তলেদি বৈ গৈ নষ্ট হয়; কম পৰিমাণেহে মাটিত ৰৈ যায়। সেয়েহে পানীৰ অভাৱত শস্যৰ উৎপাদন কম হোৱা অথবা ভূগৰ্ভস্থ পানীৰ পৰিমাণ কমি অহাটো অনেক ক্ষেত্ৰত বৰষুণ কম হোৱাৰ কাৰণে নহয়; বৰষুণৰ পানী অবাবতে নষ্ট হোৱাৰ বাবেহে হয়। পুখুৰী, বান্ধ বান্ধি সজা কৃত্ৰিম জলাশয়, মাটিৰ তলত টেংক নিৰ্মাণ কৰি ঘৰৰ চালিৰ পানী সংগ্ৰহ অথবা পাহাৰৰ ঢালৰপৰা পানী সংগ্ৰহ কৰা আদি বিভিন্ন উপায়েৰে বৰষুণৰ পানী সংগ্ৰহ কৰি পানীৰ অভাৱ পূৰণ কৰিব পাৰি, এনেদৰে ধৰি ৰখা পানী মানুহৰ দৈনন্দিন কামত ব্যৱহাৰ কৰাৰ উপৰিও কৃষি পথাৰত ব্যৱহাৰ কৰিব পৰা যায়। Rain Water harvesting-অৰ বিজ্ঞানভিত্তিক পদ্ধতি অৱলম্বন কৰি বৰষুণৰ পানী ধৰি ৰাখি সময়ত মানুহে নানা প্ৰয়োজনীয় কামত এই পানী ব্যৱহাৰ কৰিব পাৰে। এই বৰষুণৰ পানী ধৰি ৰখা পদ্ধতিৰ যোগেদি সঞ্চয় কৰা পানী যাতে প্ৰদূষিত হোৱাৰপৰা ৰক্ষা কৰিব পৰা যায় তাৰো ব্যৱস্থা কৰিব লাগে। লেতেৰা পৰিৱেশ, উদ্যোগিক আৱৰ্জনা পেলোৱা, মল-মূত্ৰ ত্যাগ কৰা অথবা মহে কণী পৰা লেতেৰা পৰিৱেশৰপৰা সঞ্চয় কৰা পানীৰ উৎস আঁতৰত থকাটো নিতান্ত প্ৰয়োজন।


The Water (prevention and conted of pollution) Act খন ভাৰত চৰকাৰে ১৯৭৪ চনতে প্ৰণয়ন কৰিছিল। ঔদ্যোগিক, কৃষিভিত্তিক, ঘৰুৱা বিভিন্ন কামৰপৰা নিষ্কাষিত দূষিত পানীয়ে যাতে আমাৰ জলসম্পদ প্ৰদূষিত কৰিব নোৱাৰে সেই কথা চিন্তা কৰিয়েই উক্ত আইনখন প্ৰণয়ন কৰিছিল। প্ৰদূষণ প্ৰতিৰোধ কৰাটোত গুৰুত্ব দিয়াটো সবাতোকৈ দৰকাৰী, পানী প্ৰদূষণ হোৱাৰ পাছত তাক শোধন কৰিবলৈ চেষ্টা কৰা অথবা প্ৰদূষণকাৰীক শাস্তিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজনেই নহ'ব যদি আৰম্ভতে প্ৰদূষণ প্ৰতিৰোধ কৰাৰ প্ৰতি মনোনিৱেশ কৰা হয়।

যি কি নহওক পানীৰ দৰে মূল্যবান সম্পদবিধ ৰক্ষণাবেক্ষণ দি ভৱিষ্যত আৰু বৰ্তমানৰ জল সংকটৰ সমস্যাটো সমাধান কৰাৰ দায়িত্ব আমাৰ সকলোৰে আছে। সচেতন নাগৰিকৰ দায়িত্ব আমি কিমান নিষ্ঠা সহকাৰে পালন কৰিবলৈ আগ্ৰহী তাৰ ওপৰত জলসংকটৰ সমস্যাৰ সমাধানৰ কথাষাৰ বহু পৰিমাণে নিৰ্ভৰ কৰে।

যোৱাটো দশকত ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন দ্ৰুত হৈ পৰা দেখা গৈছে বিশেষকৈ উদ্যোগিক ক্ষেত্ৰত। নতুন প্ৰযুক্তিৰ প্ৰয়োগ, বজাৰ সম্প্ৰসাৰণ, মুক্ত প্ৰতিযোগিতা, দ্ৰব্যৰ উন্নত গুণাগুণ আৰু মান আদিয়েই এই কৃতকাৰ্যতাৰ মূলমন্ত্ৰ। সেয়েহে আমাৰ ৰপ্তানিজাত দ্ৰব্যসমূহেও অধিক বিদেশী বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। নিৰ্বাচিত ক্ষেত্ৰত বিদেশী বিনিয়োগৰ বাবেও আমাৰ দেশীয় বজাৰখন এতিয়া মুকলি কৰা হৈছে।

# যোৱাটো দশকত আমাৰ অৰ্থনীতিত


## গতি আৰু ধাৰা



ড° আতিকুদ্দিন আহমেদ
মুৰব্বী, অৰ্থনীতি বিভাগ

যোৱা শতিকাৰ শেষ দশকৰ প্ৰাৰম্ভতে গ্ৰহণ কৰা উদাৰ অৰ্থনৈতিক ব্যৱস্থাসমূহে সম্প্ৰতি আমাৰ দেশত ফলাফল দেখুৱাবলৈ আৰম্ভ কৰিছে। পাৰ হৈ যোৱা দশকটোৰ আধাৰত ইয়াৰ এক খতিয়ান ল'ব পাৰি। এই ক্ষেত্ৰত প্ৰথমেই ক'ব পাৰি যে তথ্য-প্ৰযুক্তিৰ বিস্ফোৰণ আৰু বিকাশ বিগত দশকৰ এই পৰ্য্যন্ত এক উল্লেখযোগ্য সফলতা। উদ্যোগ, পৰিৱহনৰপৰা আৰম্ভ কৰি যোগাযোগ, চিকিৎসা, শিক্ষা, ব্যৱসায়-বাণিজ্য আদি সকলো ক্ষেত্ৰতে উন্নত তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰে চমকপ্ৰদ প্ৰগতি আনি দিবলৈ সক্ষম হৈছে। এতিয়া তথ্যৰ বিনিময় সহজ আৰু সুলভ হৈ পৰিছে যাৰপৰাই শিক্ষা তথা জ্ঞান বৃদ্ধিৰ নিতে নতুন বাট মুকলি হৈছে।

যোৱাটো দশকত ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন দ্ৰুত হৈ পৰা দেখা গৈছে বিশেষকৈ উদ্যোগিক ক্ষেত্ৰত। নতুন প্ৰযুক্তিৰ প্ৰয়োগ, বজাৰ সম্প্ৰসাৰণ, মুক্ত প্ৰতিযোগিতা, দ্ৰব্যৰ উন্নত গুণাগুণ আৰু মান আদিয়েই এই কৃতকাৰ্যতাৰ মূলমন্ত্ৰ। সেয়েহে আমাৰ ৰপ্তানিজাত দ্ৰব্যসমূহেও অধিক বিদেশী বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। নিৰ্বাচিত ক্ষেত্ৰত বিদেশী বিনিয়োগৰ বাবেও আমাৰ দেশীয় বজাৰখন এতিয়া মুকলি কৰা হৈছে।



সেৰাখণ্ডৰ দ্ৰুত সম্প্ৰসাৰণ যোৱা দশকৰ এক অন্যতম ঘটনা। এই খণ্ডটোৱে অতি ক্ষিপ্ৰতাৰে নিয়োগৰ বাট মুকলি কৰিছে যিটো ভাৰতৰ দৰে বৰ্দ্ধিত জনসংখ্যাৰ দেশ এখনৰ বাবে এক আশাব্যঞ্জক কথা। লগে লগে বেংকিং, বীমা, পৰিবহন আৰু যোগাযোগ ক্ষেত্ৰলৈ এক নতুন গতি আহিছে। পূৰ্বতে সংৰক্ষণ নীতিৰ অন্তৰ্গত হৈ থকা এই আনুষঙ্গিক খণ্ডটোৱে এতিয়াহে যেন প্ৰাণ পাইছে।

শিক্ষাখণ্ডৰ ত্বৰান্বিত বিকাশেও বিগত দশকত এক আশাৰ বতৰা কঢ়িয়াই আনে। বিশেষকৈ পৰম্পৰাগত শিক্ষাৰ ঠাইত তথ্য-প্ৰযুক্তি আৰু ব্যৱস্থাপনা – এই দুটা বিষয়ে সময়ৰ লগত সংগতি ৰাখি অধিক গুৰুত্ব পাবলৈ ধৰে। ব্যক্তিগত খণ্ডৰ প্ৰসাৰ আৰু বহুতো আন্তঃৰাষ্ট্ৰীয় শিক্ষা কেন্দ্ৰ মুকলি হোৱাটোৱে শিক্ষাৰ বাণিজিকীকৰণ প্ৰক্ৰিয়াটো দ্ৰুতগতিৰে আগবঢ়াই নিয়ে। যুগৰ চাহিদা অনুসৰি জনপ্ৰিয় হৈ পৰা অভিযান্ত্ৰিক, প্ৰযুক্তি আৰু ব্যৱস্থাপনা শিক্ষা আগবঢ়াবলৈ ব্যক্তিগত খণ্ডৰ অন্তৰ্গত বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আগবাঢ়ি আহে। অৱশ্যে এনে শিক্ষা অধিক ব্যয়বহুল হোৱাটোৱে শিক্ষাৰ ব্যয় এতিয়া বিনিয়োগৰ শাৰীলৈ যোৱাটোকে সূচাইছে। অৱশ্যে শিক্ষাৰ বাণিজ্যিকীকৰণে মূল্যবোধৰ শিক্ষাৰ গুৰুত্ব একেবাৰে নোহোৱা কৰিছে নেকি? এয়া বিচাৰ্য বিষয়।

বিগত দশকত চৰকাৰী ব্যয় অভাৱনীয় হাৰত বাঢ়িবলৈ ধৰে। ভাৰত নিৰ্মাণ আঁচনিৰ অন্তৰ্গত বুনিয়াদ সৃষ্টিৰ বাবে যোগাযোগ, পৰিবহন, পথ-নিৰ্মাণ, শক্তি উৎপাদন আদিত অধিক গুৰুত্ব প্ৰদান কৰা হয়। একেদৰে গ্ৰাম্য উন্নয়নৰ শিতানত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহলৈ বৃহৎ মাত্ৰাত পুঁজি যোগানৰ দিহা কৰা হয়। সমগ্ৰ দেশজুৰি বৰ্তমান আঁচনিবোৰ ৰূপায়িত হৈছে যদিও আঁচনি ৰূপায়নে সৃষ্টি কৰা অবাধ দুৰ্নীতিয়ে বিতৰ্কৰো সূচনা কৰিছে। আঁচনিবোৰত থকা কেতবোৰ সুৰুঙাৰ বাবে পুঁজিৰ অপচয় হৈছে আৰু আঁচনিবোৰো বহু সময়ত পথভ্ৰষ্ট হৈছে বুলি ক'লেও বঢ়াই কোৱা নহয়।

অতি সাম্প্ৰতিক কালত সূচনা কৰা অন্য এটি গুৰুত্বপূৰ্ণ বিষয় হৈছে তথ্য জনাৰ অধিকাৰ আইন প্ৰণয়ন। কিন্তু জনসাধাৰণৰ সজাগতাৰ অভাৱত আইনৰ সুবিধা এতিয়াও সহজ হৈ পৰা নাই। তথ্য জনাৰ অধিকাৰ আইনৰ বিধান মতে মানুহে যি কোনো বিষয়ৰ তথ্য জানিবৰ বাবে কৰ্তৃপক্ষৰ ওচৰত আৱেদন কৰিব পাৰে। অৰ্থাৎ এই আইনখন জনসাধাৰণৰ বাবে এক অমোঘ অস্ত্ৰ স্বৰূপ। সদায় শোষণ, বঞ্চনাৰ বশৱৰ্তী হৈ অহা সৰ্বসাধাৰণৰ স্বাৰ্থ এই আইনে সুৰক্ষিত কৰিব বুলি ভবাৰ থল আছে। অৱশ্যে আইনৰ সুবিধা লাভ কৰিবলৈ যি কোনো লোককে সাধাৰণ শিক্ষা তথা সজাগতাৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে পঞ্চায়ত পৰ্যায়ৰেপৰা বিভিন্ন স্তৰত সজাগতা শিবিৰ পাতিলে লাভদায়ক হ'ব।

পৰিৱেশৰ দ্ৰুত অৱনতিয়ে কঢ়িয়াই অনা জলবায়ু পৰিৱৰ্তন, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰে বিগত দশকটোত অন্যান্য বহুতো দেশৰ লগতে আমাৰ দেশকো পৰিৱেশ সুৰক্ষা সম্পৰ্কে অধিক সজাগ কৰি তোলে। কিন্তু এই সজাগতা সম্পূৰ্ণভাৱে আহিবলৈ এতিয়াও বহু বাকী। ইতিমধ্যে বহুতো আইন কানুন কৰা হৈছে যদিও সেইবোৰৰ সফল প্ৰয়োগ বাস্তৱত হোৱা নাই। ফলস্বৰূপে পৰিৱেশৰ মূল আধাৰ যেনে – বায়ু, পানী আদি দূষিত হৈ মানুহৰ জীৱন ধাৰণৰ প্ৰতি এক ভাবুকি স্বৰূপ হৈ পৰিছে। বৰ্দ্ধিত মাত্ৰাত বাঢ়ি অহা বিভিন্ন ৰোগ-ব্যাধিয়ে পৰিৱেশ দূষিতকৰণৰ সাক্ষ্যকে বহন কৰিছে।

যোৱা দশকত এফালে বন্ধৰ দুষ্কৃতি আৰু আনহাতে হত্যা-হিংসাৰ পয়োভৰে দেশৰ বিভিন্ন ঠাইৰ লগতে আমাৰ ৰাজ্যখনো জোঁকাৰি যায়। অসমৰ সমস্যা বহুত। কিন্তু সেইবোৰৰ প্ৰতিকাৰৰ বাবে সমূহীয়া চিন্তা-চৰ্চাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা যায়। কাৰণ বৰ্তমান প্ৰায়বোৰ মানুহেই সংকীৰ্ণ ধ্যান-ধাৰণাৰ বশৱৰ্তী। সম্প্ৰতি আত্মনিয়ন্ত্ৰণ, আত্ম-অধিকাৰ, স্বায়ত্ত শাসন আদি ধাৰণাবোৰে মানুহক মানুহৰপৰা আঁতৰাই নিছে। ইফালে যান্ত্ৰিক সভ্যতা আৰু আৰ্থব্যৱস্থাৰ বাণিজ্যিকীকৰণে মানুহৰ মানসিক চাপ বৃদ্ধি কৰিছে। এনে এটা পৰিৱেশেই মানুহক

*যোৱা দশকত এফালে বন্ধৰ দুষ্কৃতি আৰু আনহাতে হত্যা-হিংসাৰ পয়োভৰে দেশৰ বিভিন্ন ঠাইৰ লগতে আমাৰ ৰাজ্যখনো জোঁকাৰি যায়। অসমৰ সমস্যা বহুত। কিন্তু সেইবোৰৰ প্ৰতিকাৰৰ বাবে সমূহীয়া চিন্তা-চৰ্চাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা যায়। কাৰণ বৰ্তমান প্ৰায়বোৰ মানুহেই সংকীৰ্ণ ধ্যান-ধাৰণাৰ বশৱৰ্তী। সম্প্ৰতি আত্মনিয়ন্ত্ৰণ, আত্ম-অধিকাৰ, স্বায়ত্ত শাসন আদি ধাৰণাবোৰে মানুহক মানুহৰপৰা আঁতৰাই নিছে।*



অসহিষ্ণু কৰি তুলিছে। ইয়াতেই আকৌ সৃষ্টি হৈছে নানান সামাজিক সমস্যাৰ।

পাৰ হোৱা দশকটোত মুদ্ৰাস্ফীতিৰ হাৰ দ্ৰুতগতিৰে বৃদ্ধি পায়। বিশেষকৈ পেট্ৰলজাত সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সামগ্ৰিকভাৱে মূল্যমান উৰ্দ্ধগামী কৰে। এই ক্ষেত্ৰত ক'লা বজাৰ, চোৰাং ব্যৱসায়, বিতৰণৰ খেলি-মেলি, বৰ্দ্ধিত উৎপাদন ব্যয়, শক্তিৰ সংকট, ব্যৱসায়িক ছল-চাতুৰী আদিও কম জগৰীয়া নহয়। ফলস্বৰূপে ক্ষতিগ্ৰস্ত হয় সৰ্বসাধাৰণ শ্ৰেণীৰ লোক। বিশেষকৈ খাদ্যসামগ্ৰীৰ উৰ্দ্ধমুখী মূল্যমানে মানুহৰ সাধাৰণ জীৱন যাপনো কষ্টকৰ কৰি তোলে। মন কৰিবলগীয়া কথা এয়ে যে যোৱা ডিচেম্বৰ মাহত খাদ্য-মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৭.৪০ শতাংশ। সেয়েহে দেশত এখন আইন প্ৰণয়ন হোৱা উচিত। তদুপৰি খাদ্য নাটনিৰ পৰিস্থিতিটো নোহোৱা কৰিবলৈ উদাৰ আমদানি নীতি গ্ৰহণ কৰিলে সুফল পোৱা যাব। অৱশ্যে এয়েই শেষ সমাধান নহয়। দেশীয় উৎপাদনৰ হাৰো বৃদ্ধি পাব লাগিব আৰু খাদ্য সামগ্ৰীৰ চাহিদাও নিয়ন্ত্ৰিত হ'ব লাগিব। এনে সমাধানহে দীৰ্ঘস্থায়ী হিচাপে গণ্য হ'ব।


শেহতীয়াকৈ 'inclusive development' -অৰ কথা কোৱা হৈছে যাতে দেশৰ সকলো লোকৰ বাবে উন্নয়নৰ সুফলখিনি সুনিশ্চিত কৰিব পৰা যায়। ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান, সৰ্বশিক্ষা অভিযান আৰু লগতে ভাৰত নিৰ্মাণ আঁচনিৰ অন্যান্য ক্ষেত্ৰসমূহলৈ অধিক গুৰুত্ব প্ৰদান কৰাত বিকাশ প্ৰক্ৰিয়াটোৰে নিম্নস্তৰলৈকে জনসাধাৰণক সামৰি লোৱাটো আদৰণীয় হৈছে। কিন্তু বহুক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ আৰু দুৰ্নীতি জড়িত হৈ পৰা বাবে এই আঁচনিবোৰে ভবা ধৰণে সুফল দিব পৰা নাই। আশাকৰোঁ চলিত দশকত ভূল-ভ্ৰান্তিবোৰৰ শুধৰণি কৰিব পৰা হ'ব।

উল্লেখযোগ্য যে বিগত দশকতে e-commerce, e-governance, e-banking, online ticket reservation, online registration of forms আদিৰ সূচনা কৰা হয়। আজিৰ তাৰিখত জনপ্ৰিয় হৈ পৰা এই ব্যৱস্থাবোৰে মানুহৰ সময় আৰু অৰ্থ বহু পৰিমাণে ৰাহি কৰিছে। কিন্তু ম'বাইল ফোনৰ অবাধ ব্যৱহাৰে এফালে সুফল দিলেও একে সময়তে নানান ধৰণৰ অপৰাধ প্ৰৱণতাও বৃদ্ধি কৰিছে। এয়ে হৈছে মুক্ত অৰ্থনীতি, অবাধ স্বাধীনতা আৰু উপভোক্তাবাদৰ মিঠা-তিতা সোৱাদ।

যোৱা দশকটোত বিভিন্ন বিষয়ত কিছুমান সুস্থ চিন্তা-চৰ্চা আৰু বিতৰ্কও সূচনা হয়। ইয়াৰে ফলশ্ৰুতিত মহিলা সবলীকৰণ আৰু মহিলাৰ বাবে সংৰক্ষণ বিধেয়ক বিষয়টোৱে অগ্ৰাধিকাৰ লাভ কৰে। ইয়াৰ পিছতে শিক্ষাৰ অধিকাৰ আইনখনৰ কথা ক'ব পাৰি। শীঘ্ৰেই এই আইনখন গৃহীত হোৱাৰ কথা। উচ্চ শিক্ষা আৰু গৱেষণা সম্পৰ্কীয় এখন ৰাষ্ট্ৰীয় আয়োগ গঠন হ'ব বুলি ইতিমধ্যে মানৱ সম্পদ উন্নয়ন মন্ত্ৰীদপ্তৰে ঘোষণা কৰিছে।

এই আয়োগখন উচ্চ শিক্ষাৰ নীতি নিৰ্দ্ধাৰণকাৰী একক আয়োগ হ'ব। তদুপৰি নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জীয়ন প্ৰস্তুতি আৰু ভোটাৰৰ বাবে চিনাক্তকৰণ কাৰ্ড প্ৰৱৰ্তন অন্য দুটি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য হৈছে।

যোৱা ২০০৮ চনৰ শেহৰ ফালে বিশ্ব অৰ্থনীতি মন্দাৱস্থাৰ সম্মুখীন হয়। কিন্তু সৌভাগ্যৰ কথা এই যে আমাৰ দেশে গ্ৰহণ কৰা বলিষ্ঠ নীতিসমূহৰ বাবে ভাৰতবৰ্ষ মন্দাৱস্থাৰ কু-প্ৰভাৱৰপৰা মুক্ত হৈ থাকে। অৱশ্যে সন্ত্ৰাসবাদ বিষয়টোতহে স্থিতাৱস্থা অব্যাহত থাকিল। অৱশ্যে অসমৰ আভ্যন্তৰীণ ক্ষেত্ৰত কিছু আশাৰ সঞ্চাৰ হৈছে। সমস্যাবোৰৰ মাজতো এই আশা কৰিব পাৰি যে অনতিপলমে ভাৰতবৰ্ষ এখন পৃথিৱীৰ উন্নত দেশ তথা এটা বৃহৎ শক্তি হিচাপে আত্মবলেৰে বলীয়ান হৈ আত্মপ্ৰকাশ কৰিব।






# দক্ষিণ কোৰিয়া ভ্ৰমণৰ

## কিছু স্মৃতি আৰু উপলব্ধি

ড° মিনু বুঢ়াগোঁহাই
প্ৰবক্তা, পদাৰ্থ বিদ্যা বিভাগ

জাপান আৰু চীনদেশৰ মাজত অৱস্থিত দক্ষিণ কোৰিয়া উত্তৰ-পূব এছিয়াৰ এখন উন্নত সৰু দেশ। মোৰ ডাঙৰ ছোৱালী পৰিয়ালসহ এই কোৰিয়ান উপদ্বীপৰ সোঁমাজতে অৱস্থিত ছুৱন চহৰত থকাৰ সূত্ৰে ২০০৬ চনত দুমাহৰ বাবে দক্ষিণ কোৰিয়াত থকাৰ আৰু ওচৰে পাজৰে ফুৰাৰ সৌভাগ্য হৈছিল। মোৰ সেই ভ্ৰমণৰ অভিজ্ঞতা "দক্ষিণ কোৰিয়াৰ ডুখৰীয়া ছবি" নামেৰে প্ৰান্তিকত (১-১৫ চেপ্তেম্বৰ,'০৬) প্ৰকাশ পাইছিল। ২০০৮ চনত পুনৰ এমাহৰ বাবে দক্ষিণ কোৰিয়ালৈ গৈছিলোঁ আৰু সুযোগ সুবিধা বুজি কিছুমান বিশেষ স্থানলৈ গৈছিলোঁ।

দক্ষিণ কোৰিয়াৰ ৰাজধানী চৌলৰ পৰা প্ৰায় ৬০ কিল'মিটাৰ পূবত ইছিয়ন (Icheon) এখন সৰু চহৰ। ইয়াৰ প্ৰধান আকৰ্ষণ হ'ল ইছিয়ন মৃৎশিল্প বা কুমাৰ শিল্পৰ গাঁও। কুমাৰ শিল্পপ্ৰেমিকসকলৰ বাবে ইয়াত স্থায়ী প্ৰদৰ্শনী গৃহ আছে। ইয়াত প্ৰদৰ্শিত বিভিন্ন আকৃতিৰ ধোঁৱা বৰণীয়া, পাতল নীলা আৰু সেউজ নীলা মাটিৰ পাত্ৰ সমূহে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। বেলেগ বেলেগ কোঠাত বিভিন্ন পদ্ধতিৰে মাটিৰ পাত্ৰবিলাক প্ৰস্তুত কৰি থকা দেখা পালোঁ। কোৰিয়ানসকলৰ ৭০০০-৮০০০ বছৰৰ আগৰ এই অতি পুৰণি শিল্প জীয়াই ৰখাৰ এক অপূৰ্ব নিদৰ্শন এই কুমাৰ শিল্পগাঁও। এই পুৰণি শৈল্পিক সংস্কৃতিৰ পৰম্পৰাক লৈ কোৰিয়ানসকল আজিও গৌৰৱান্বিত। কোৰিয়ান জাতিৰ দীঘলীয়া ইতিহাসত দকৈ শিপাই থকা সম্পূৰ্ণ হাতেৰে তৈয়াৰী এই কুমাৰ শিল্প সামগ্ৰীসমূহ বিশ্বৰে অতি সমাদৃত। ১৬ শতিকাৰ শেষৰ ফালে কোৰিয়ান উপদ্বীপৰ ওপৰত জাপানে কৰা আক্ৰমণৰ ফলত কোৰিয়ান মৃৎশিল্পৰ ওপৰত এক মাধমাৰ পৰিল। বহুতো অগ্নিশাল ধ্বংস হৈ গ'ল। জাপানীসকলে কোৰিয়া মেচিনেৰে তৈয়াৰী মৃৎশিল্পজাত সামগ্ৰীৰে ভৰাই তুলিলে। কিন্তু কোৰিয়ানসকলে অসীম চেষ্টাৰে ধ্বংসপ্ৰাপ্ত



অগ্নিশালবোৰ পুনৰ নিৰ্মাণ কৰিলে আৰু তেওঁলোকৰ হাতেৰে তৈয়াৰী মৃৎশিল্পই পুনৰ গা কৰি উঠিল। আজি এই শিল্পই কোৰিয়ানসকলৰ জীৱন যাত্ৰাতো অতিকৈ প্ৰভাৱ বিস্তাৰ কৰিছে। কোৰিয়ানসকলৰ পৰম্পৰাগত মাটিৰ পাত্ৰসমূহ খোৱা পানী, চয় চ'চ, কিম্‌চি আদি জমাই ৰখাত আজিও বহুলভাৱে ব্যৱহৃত হয়। হাজাৰ হাজাৰ বছৰৰ আগতেই গঢ় লৈ উঠা এই মৃৎশিল্পই আজি এক উচ্চ শৈল্পিক স্থান অধিকাৰ কৰি বিশ্বত অতি সমাদৃত হৈ পৰিছে। সেয়েহে ২০০১ চনত কোৰিয়ানসকলে এই ইছিয়িন চহৰতে "International Ceramic Expo" পাতিবলৈ সমৰ্থ হ'ল। এই ইছিয়িন চহৰতে সম্পূৰ্ণ এটা দিন কটালোঁ — সুন্দৰ সুন্দৰ সামগ্ৰীবোৰ চালোঁ। এঠাইত এজন শিল্পীৰ সহায়ত নিজেও এটা মাটিৰ পাত্ৰ গঢ়ালো তাত অসমীয়াত মোৰ নাম আৰু তাৰিখ লিখিলোঁ। সেইটো কৰ্মকৰ্তাসকলে জুইশালত পকাই ধোঁৱাবৰণীয়া কৰি এমাহৰ পাছত ডাকযোগে ছোৱালীৰ ছুৱনৰ ঠিকনাত পঠাই দিছিল বুলি গম পালোঁ। নিজেহে দেখা নাপালোঁ। তথাপি সৃষ্টিৰ আনন্দত মন ভৰি পৰিল। আমাৰ দেশৰ ভিতৰত ৰাজস্থানৰ জয়পুৰৰ মৃৎ শিল্পও (Blue Pottery) অতি উচ্চমানৰ। কিছুবছৰৰ আগতে এবাৰ জয়পুৰলৈ যাওঁতে বহুতো মৃৎশিল্পজাত সামগ্ৰী সংগ্ৰহ কৰি আনিছিলোঁ। আমাৰ উত্তৰ-পূৰ্বৰ ভিতৰত মই কহিমা, শ্বিলং আৰু গুৱাহাটীতো এই শিল্প প্ৰত্যক্ষ কৰিছোঁ কিন্তু ইয়াৰ বহল প্ৰচাৰ এতিয়াও হোৱা নাই।

এখন ঠাই বা এটা জাতিৰ শিল্পসমূহে সেই ঠাই বা জাতিৰ পৰিচয় বহন কৰে। অসমৰ সৰ্থেবাৰীৰ কাঁহ শিল্পও আমাৰ এক অন্যতম হস্তশিল্প। কেৱল ভাৰততে নহয় আন্তৰ্জাতিক বজাৰতো তাৰ চাহিদা আছে। সেয়েহে বৰ্তমান [illegible] সংকটৰ গৰাহত পৰা এই শিল্প উদ্ধাৰ কৰাটো আমাৰ জাতীয় কৰ্তব্য।

কোৰিয়াৰ দক্ষিণ-পূবৰ পূব সাগৰৰ পাৰত অৱস্থিত গিয়াংজু (Gyengju) চহৰ ভ্ৰমণকাৰীসকলৰ অতি জনপ্ৰিয় গন্তব্যস্থান। ছুৱন চহৰৰপৰা আবেলি ২ বজাত গাড়ীৰে যাত্ৰা আৰম্ভ কৰি নিশা প্ৰায় ৮ মান বজাত গিয়াংজু চহৰ পালোঁগৈ। ই মেইলৰ দ্বাৰা আগতীয়াকৈ দুদিনৰ বাবে বন্দৱস্ত কৰি থোৱা সাৰাংচেই (Sarangchae) নামৰ পুৰণি কোৰিয়ান শৈলীৰ ঘৰ এটাত থাকিবলৈ ল'লোঁ। ইয়াক গৃহ নিবাস (Home Stay) বুলি কোৱা হয়। অতি সাধাৰণভাৱে থকাৰ ব্যৱস্থা — ক'তো কোনো প্ৰাচুৰ্য নাই। কোঠাৰ কাঠৰ মজিয়াত পাৰি শুবলৈ তুলি, গাৰু আৰু গাত ল'বলৈ লেপৰ ব্যৱস্থা আছে। প্ৰয়োজন অনুসৰি ডাঙৰ বা সৰু কোঠা ভাড়ালৈ লোৱা হয়। এটা গৃহ নিৱাসত আছে ধুনীয়াকৈ সজাই থোৱা পিছফালৰ চোতাল, কেই বাটাও বাৰ্ণাৰ থকা সকলোৰে বাবে উমৈহতীয়া ৰান্ধনীঘৰ, তাৰ লগতে আন এটা কোঠাত ইন্টাৰনেট আৰু লাইব্ৰেৰী, কাপোৰ ধোৱা মেচিন আদি নিজৰ কাম নিজে কৰি লোৱাৰ সুব্যৱস্থা আৰু আছে অতি বন্ধুসুলভ এই নিৱাসৰ কোৰিয়ান গৰাকী চই (Choi) দম্পতী। পিছদিনা ৰাতিপুৱা চাহ জলপান কৰি খাই গিয়াংজু চহৰ চাবলৈ ওলালোঁ। গোটেই চহৰখনেই যেন আটকধুনীয়াকৈ সজাই থোৱা বেৰ বিহীন সংগ্ৰহালয়। মন্দিৰ, স্মৃতিস্তম্ভ, শিলৰ কাৰুকাৰ্য, ৰাজ অট্টালিকাৰ ভগ্নাৱশেষ, উদ্যান আৰু দুৰ্গৰে পৰিপূৰ্ণ এই চহৰ। প্ৰথমতেই চাবলৈ গ'লোঁ গুলগুক্‌ছা (Gulguksa) বৌদ্ধ মন্দিৰ। গিয়াংজু চহৰৰপৰা ১৬ কিল'মিটাৰ দক্ষিণে পূৱ সাগৰৰ ওচৰত শাৰী শাৰী শিলৰ সমভূমিৰ ওপৰত সজোৱা হৈছে এই মন্দিৰ। স্থাপত্য শিল্পৰ পুৰণি ধাৰণা আৰু জ্যামিতিৰ তত্ত্ব মতে মানুহে সজোৱা গাঁথনিয়ে কেতিয়াও পৰিৱেশ বিনষ্ট কৰিব নালাগে — বৰঞ্চ পৰিৱেশৰ লগত এক ঐক্যতানৰ সৃষ্টি কৰিব লাগে। গুলগুক্‌ছা মন্দিৰৰ ক্ষেত্ৰত এই সূত্ৰ যেন এশ শতাংশই প্ৰযোজ্য হৈছে। মন্দিৰলৈ উঠি যোৱা দুটা শিলৰ খটখটীয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। সোঁফালে আৰু বাওঁফালে থকা খট্‌খটীযোৱাক চিৰি নুবুলি দলং বা সাঁকো আখ্যা দিয়া হৈছে। সোঁফালৰ খটখটীক কোৱা হৈছে বগা ডাৱৰৰ সাঁকো আৰু বাওঁফালৰ যোৱাক কোৱা হৈছে পদুমৰ সাঁকো। খট্‌খটীযোৱাক সাঁকো বোলাৰ কাৰণ হৈছে ই আমাক বৈষয়িক বা পাৰ্থিৱ জগতৰপৰা বুদ্ধৰ আধ্যাত্মিক জগতলৈ লৈ যায়। মন্দিৰৰ ভিতৰত প্ৰতিষ্ঠা কৰা আছে শাক্যমুনি বা ঐতিহাসিক বুদ্ধৰ প্ৰতিমূৰ্তি। ১৭৬৫ চনতে সজা সোণ খটোৱা এই বুদ্ধৰ মূৰ্তিৰ কাষতে আছে দীপাঙ্কৰ অৰ্থাৎ অতীতৰ বোধিসত্ত্ব (বুদ্ধৰ এটা ৰূপ) আৰু মৈত্ৰেয় বা ভৱিষ্যতৰ বোধিসত্ত্ব আৰু আছে দুজন শিষ্য আনন্দ আৰু কাশ্যপৰ প্ৰতিমূৰ্তি। এই মুখ্য মন্দিৰৰ কাষতে আছে স্বৰ্গীয় সুখৰ এটা ডাঙৰ কোঠা। ইয়াতে আছে সোণ খটোৱা ব্ৰঞ্জৰ অমিতাভৰ প্ৰতিমূৰ্তি — যাক পশ্চিমীয়া স্বৰ্গৰ বুদ্ধ বোলা হয়। প্ৰায় ২৫০ বছৰৰ আগতে স্থাপিত এই মন্দিৰ বৌদ্ধিক স্থাপত্যকলাৰ এক অপূৰ্ব নিদৰ্শন। মন্দিৰৰ প্ৰাঙ্গণত থকা সকলোতকৈ ডাঙৰ বক্তৃতা ঘৰটোক কোৱা হয় মিউচলজন (Musoljon)। এই খিনিতে আমোদজনক কথাটো হ'ল কোৰিয়ান শব্দ মিউচলজনৰ অৰ্থ 'বক্তৃতা নাই' (No lecture)। ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে নেকি যে বক্তৃতাৰ যোগেদি সত্যক প্ৰতিষ্ঠা কৰিব নোৱাৰি?


গুলগুক্‌ছাৰপৰা ওলাই দৰ্শন কৰিলোঁ পাহাৰৰ কিছু ওপৰত থকা আৰু এক আশ্চৰ্য অতি সুন্দৰ মন্দিৰ ছক্কুৰাম গুহা (Sokkuram Grotto)। মানুহে সজা এই গুহাত বুদ্ধৰ বহি থকা প্ৰতিমূৰ্তি এনেদৰে স্থাপন কৰা হৈছে যে পুৱা পূব সাগৰত উদয় হোৱা সূৰ্যৰ প্ৰথম কিৰণে এই মূৰ্তিৰ উৰণা বা কপালৰ অলঙ্কাৰ স্পৰ্শ কৰে। বহুতো কলা (Art) ইতিহাসবিদে এই বুদ্ধৰ মূৰ্তিক বিশ্বৰ ভিতৰতে পূৰ্ণাঙ্গ প্ৰতিমূৰ্তি বুলি গণ্য কৰে। গুলগুক্‌ছা আৰু ছক্কুৰামৰ অৱস্থান আৰু গঠনশৈলীৰ মূলতে আছে উন্নত বৈজ্ঞানিক প্ৰণালী আৰু সঠিক গাণিতিক আৰু স্থাপত্যকলাৰ অপূৰ্ব ধাৰণা আৰু লগতে উৎকৃষ্ট কাৰিকৰী দক্ষতা। এই মন্দিৰসমূহে আজিও কোৰিয়াৰ বৌদ্ধ ভিক্ষুসকলৰ সাহস, উৎসাহ আৰু ত্যাগৰ স্বাক্ষৰ বহন কৰি আহিছে। নিজৰ জীৱনক আওকাণ কৰি এই ভিক্ষুসকলে নিজৰ ধৰ্ম্ম আৰু আচাৰ নীতিৰ সম্যক জ্ঞান লাভ কৰিবলৈ সুদূৰ ভাৰতবৰ্ষলৈ তীৰ্থ যাত্ৰা কৰিছিল। ১৯৯৫ চনত ইউনেস্ক'ৱে গুলগুক্‌ছা আৰু ছক্কুৰামক বিশ্বৰ সাংস্কৃতিক ঐতিহ্য (World cultural herigage) হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

কুমাৰ শিল্প আৰু বৌদ্ধ মন্দিৰৰ দৰে পৰ্যটকক আকৰ্ষণ কৰে কোৰিয়ান বাগিচা বা উদ্যানসমূহে। পাহাৰ, জান-জুৰি আৰু পথাৰ আদিৰে কোৰিয়ান উদ্যান এক প্ৰাকৃতিক লেণ্ডস্কেপ। সাধাৰণতে উদ্যানসমূহ বিস্তৃত নহয়, আকাৰত সৰু কিন্তু মানুহ আৰু প্ৰকৃতিৰ মাজত এক সমিলমিল গঢ়াৰ অপাৰ চেষ্টা এই উদ্যানসমূহত পৰিস্ফুট হয়। কোৰিয়ানসকলে অনুভৱ কৰে যে প্ৰকৃতিৰ অস্তিত্বই মানুহৰ জীৱন আৰু জীৱনৰ ভৰণ পোষণৰ বাবে স্বয়ং সম্পূৰ্ণ। তেওঁলোকে এখন উদ্যান স্থাপন কৰাৰ মূল উদ্দেশ্য হ'ল — ই দেখাত প্ৰকৃতিতকৈও বেছি প্ৰাকৃতিক হ'ব লাগিব। কোৰিয়ান বাগিচাৰ ইতিহাস অতি পুৰণি। তেওঁলোকৰ আদি ইতিহাসত বহুতো ৰাজকীয় উদ্যানৰ সাক্ষ্য পোৱা যায়। বহু প্ৰাচীন উদ্যান বেছ যত্ন সহকাৰে সংৰক্ষণ কৰি থোৱাও দেখিলোঁ। তাৰে ভিতৰত গিয়াংজু চহৰৰ আনাপ্‌জি (Anapji) পুখুৰী চোৱাৰ সৌভাগ্য হ'ল। কৃত্ৰিম পুখুৰীৰ পাৰে পাৰে পাঁচটা ঘৰ দেখা পালো। প্ৰত্যেকটো ঘৰৰপৰাই পুখুৰীটো সম্পূৰ্ণ দেখা পোৱা যায়। আমাৰ অসমৰ আহোম ৰজাৰ দিনৰ মন্দিৰ আৰু পুখুৰীবিলাকলৈ মনত পৰিল। শিৱসাগৰৰ শিৱদ'লৰ কাষৰ বৰপুখুৰী, জয়সাগৰৰ জয়দ'লৰ কাষৰ জয় পুখুৰীৰ লগত কিছু সাদৃশ্য নথকা নহয়। কিন্তু কোৰিয়ানসকলৰ পুখুৰীবিলাক চাৰিচুকীয়া নহয় — একা বেঁকা। আনাপ্‌জিৰ পূব আৰু উত্তৰ দিশৰ পাৰবিলাক এখন নদীৰ পাৰৰ দৰে ভাঁজ থকা। দক্ষিণ দিশ সম্পূৰ্ণ চিধা কিন্তু পশ্চিম দিশ কিছু জোনাকৃতিৰ। চাৰিওটা দিশ শিলেৰে সজোৱা। কোৰিয়ান শৈলীৰ উদ্যানত শিলৰ ভূমিকা বিশেষ মন কৰিবলগীয়া। পুখুৰীটোৰ মাজ ভাগত তিনিটা সৰু সৰু দ্বীপে উদ্যানখনৰ সৌষ্ঠৱ বঢ়াই তুলিছে। বিশেষ বিশেষ স্থানত নানান ধৰণৰ ফুল, অৰ্কিড, পিঅ'নিজ, পদুম, এজেলিয়া আদিয়ে উদ্যানখনক অধিক আকৰ্ষণীয় কৰি তুলিছে। আনাপ্‌জিৰ অৰ্থ ৰাজহাঁহ আৰু এই ৰাজহাঁহ পুখুৰী এনে ধৰণে স্থাপন কৰা হৈছে যে উদ্যানখনৰ যিকোনো দিশৰ পৰাই ইয়াৰ সম্পূৰ্ণ দৃশ্য দৃষ্টিগোচৰ হয়। এই বাগিচাই যে বহুতো লেখক আৰু কবিক অনুপ্ৰাণিত কৰে তাত কোনো সন্দেহ নাই।

এটা কৃত্ৰিম হ্ৰদৰ চাৰিওফালে নতুনকৈ গঢ় লৈ উঠা বমুন হ্ৰদ (Bomun lake) ৰিজোৰ্ট অঞ্চলত এটা আবেলি কটাই গিয়াংজুৰ ভ্ৰমণ সমাপ্ত কৰিছিলোঁ। আমি থকা ছাৱাংচেৰৰ পৰা ৫ কিল'মিটাৰ পূৱত এই অঞ্চল। ফুৰিবলৈ যথেষ্ট মুকলি ঠাই আৰু শাৰী শাৰী চেৰীফুলৰ গছেৰে পৰিপূৰ্ণ এই অঞ্চল গিয়াংজুৰ নামী দামী অতিথিশালা আৰু অধিবেশন স্থলীৰ বাবে অতি জনপ্ৰিয়। হ্ৰদৰ পাৰে পাৰে চাইকেল চলোৱাৰ সুন্দৰ ব্যৱস্থা আছে। ইয়াত ভাড়ালৈ পোৱা চাইকেলসমূহত ডাঙৰ সৰু সকলোৱে আনন্দমনেৰে চলাই ফুৰা দৃশ্য চাবলগীয়া। হ্ৰদৰ কিছু নিলগত আছে ছয়কোণীয়া পাঁচমহলীয়া এটি স্মৃতিস্তম্ভ আৰু এই স্মৃতিস্তম্ভৰ সমুখতে আছে বমুন মুকলি মঞ্চ। কাঁচিজোনৰ আকৃতিৰ এই মঞ্চ পোহৰ আৰু শব্দৰ উচ্চ কাৰিকৰী ব্যৱস্থা সম্পন্ন। মঞ্চৰ সমুখত আছে প্ৰায় ১৫০০ দৰ্শক বহিব পৰা পকাৰ গেলেৰীৰ দৰে আসন। শিল্পীসকলে বিনামূল্যে এই মঞ্চ ব্যৱহাৰ কৰিব পাৰে আৰু দৰ্শকেও বিনামূল্যে এই মঞ্চত নৃত্য, গীত, নাট আদি নানান সাংস্কৃতিক কাৰ্যক্ৰম উপভোগ কৰিব পাৰে। বহুতো দৰ্শকৰ লগতে সেই সন্ধিয়া আমি উপভোগ কৰিলোঁ কোৰিয়ান লোক সঙ্গীত আৰু কোৰিয়ান পৰম্পৰাগত নৃত্য। কোৰিয়ান সংস্কৃতিৰ এই অপূৰ্ব সোৱাদে মোৰ এই ভ্ৰমণ যেন সাৰ্থক কৰি তুলিলে।

দক্ষিণ কোৰিয়াত এমাহ কটাই তাৰ মানুহবিলাকৰ লগত মিলিজুলি তেওঁলোকৰ ৰীতি-নীতি, সংস্কৃতি আৰু ধৰ্ম-কৰ্মৰ কিছু আভাস লাভ কৰিলোঁ। অনুভৱ কৰিলোঁ যে কোৰিয়ানসকলৰ ৰাষ্ট্ৰীয় তথা ৰাজহুৱা স্বাৰ্থৰ তুলনাত ব্যক্তিগত স্বাৰ্থ যেন তেনেই নগণ্য। জাতীয় চেতনা আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ প্ৰতি দায়বদ্ধতা নাথাকিলে দেশৰ সমৃদ্ধি আৰু সৌন্দৰ্যৰ অক্ষুণ্ণতাই বা থাকে ক'ত?

# অসমীয়া জীয়ৰী



শ্ৰীমতী পপী বুঢ়াগোঁহাই
স্নাতক প্ৰথম বৰ্ষ



"প্লিজ ৰেডিঅ'টো বন্ধ কৰি দিয়া না বৌ। এই পুৰণিকলীয়া লোকগীতবোৰ শুনি থাকিলে মোৰ বিৰক্তিহে লাগে। ৰেডিঅ'ৰ এই লখিমী নামৰ অনুষ্ঠানটো যে আৰু!"

কথাষাৰ অৱজ্ঞাৰে কৈ শিখাই সিটো ৰূমৰপৰাই পৰ্দাখন দাঙি নবৌৰেক শিল্পীলৈ চালে। শিল্পীয়ে অতি আশাৰে ৰেডিঅ'টো অন কৰি লৈছিল। 'লখিমী' অনুষ্ঠানটো শিল্পীৰ বৰ প্ৰিয়। কিন্তু অত্যাধুনিকা নন্দেকহঁতে 'লখিমী' বুলিলে দূৰতেই সাত জাঁপ মাৰে। শিল্পী বিমোৰত পৰিল। তথাপি ভলিউমটো কমাই মনৰ মাজত দুৰন্ত গতিত জ্বলি থকা জুইকুৰা নুমুৰাব নোৱাৰি প্ৰায় বুজনিৰ সুৰতে ক'লে — 'শিখা, ভাল লগা, বেয়া লগাবোৰ সকলোৰে কেতিয়াও একে হ'ব নোৱাৰে। মই লোকগীত ভাল পাওঁ, কাৰণ ইয়াত অসমীয়া সংস্কৃতিৰ প্ৰাণৰ গোন্ধ আছে। মই ভাবোঁ তোমালোকেও লোকগীত, বৰগীতবোৰ ভাল পাবলৈ শিকা উচিত।"

উত্তৰটো শিখাৰপৰা যিমান



সহজভাৱে আহিব লাগিছিল সিমান সহজভাৱে নাহিল — "অসমীয়া সংস্কৃতিৰ উত্তৰাধিকাৰিনী হৈ তুমিয়েই পূজা-অৰ্চনা কৰি থাকাঁ। আমাক শিকাবলৈ নাহিবা।" শিল্পীয়েই কাজিয়া বঢ়াবলৈ ইচ্ছা নকৰি মনে মনে ৰ'ল। সৰুকৈ বাজি থকা অনুষ্ঠানটোত মনোযোগ দিলে। বিষয়টো সিমানতে অন্ত পৰিব বুলিয়েই শিল্পীয়ে ভাবিছিল। কিন্তু সময়ত দেখা গ'ল, সমস্যাই বৃহৎ আকাৰহে ধাৰণ কৰিলে।


নিশা ভাত খাবলৈ বহি লোৱা শিল্পীক প্ৰায় উপহাস কৰি শিখাই ভনীয়েক লিচাক ক'লে — "আমাৰ মাজত এজুম খাচ অসমীয়াক একেলগে গোটাই দিলে পানী-টেঙা, খাৰলি খায়ে হাড়ত বন গজাব। সিহঁতে আৰু উন্নতি কৰিব নোৱাৰে।" লিচায়ো কথাটোত হয়ভৰ দিলে। কথাৰ বিনিময়ত শিল্পীয়ে প্ৰতিবাদ কৰিলে — "তোমালোকে বিষয়টো ভুলভাৱে লৈছা। আমাৰ সমাজত পুৰণি সংস্কৃতি জীয়াই ৰাখিবলৈ যত্ন কৰা মানে নতুনক ধ্বংস কৰা নুবুজায়। পুৰণি সংস্কৃতিৰ পিৰামিডৰ ওপৰতেই নিজৰ ঘৰ নতুনকৈ সাজি ল'ব লাগিব, কৃষ্টিৰ মুকুট ৰচিব লাগিব।" কিছু সময় শিখা আৰু লিচা দুয়োজনী নিশ্চুপ হৈ ৰ'ল। তাৰ পাছত লিচাই নবৌৱেকক প্ৰত্যক্ষভাৱেই প্ৰশ্ন কৰিলে — "তুমি যদি ইমান পৌৰাণিক হ'বই বিচাৰিছা তেন্তে নিশা নাইটিটো পিন্ধি শোৱাঁ কিয়? সেইটো নিপিন্ধি মেখেলা-চাদৰ এযোৰতো পিন্ধি শুব পাৰা।" শিল্পীয়েই তাৰ উত্তৰত ক'লে — "নিশা মই নাইটি পিন্ধি শুলেও দিনত মই মোৰ মেখেলা চাদৰযোৰকতো বিসৰ্জন দিয়া নাই।" ভাত খোৱা শেষ হোৱাৰ পাছত কৰিবলগীয়া কামখিনি কৰি শিল্পীয়ে বিচনাত বাগৰ দিলে।

ঘৰখনত ঘটা কিছুমান সৰু-সুৰা কথাই তাইৰ আদৰ্শত প্ৰায়ে আঘাত দি যায়। ৰেচৰ্টান কাইদাত ডাঙৰ হোৱা প্ৰতিটো প্ৰাণীয়েই যেন কেনেবাকৈ অসমীয়া কিবা এটা ব্যৱহাৰ কৰিলেই হৃদপিণ্ডত আঘাত পাব। শিল্পীৰ স্বামী মনুজিতৰ মাকৰ বাহিৰে ঘৰখনত কোনেও মেখেলা-চাদৰ নিপিন্ধে। শিল্পীক মেখেলা-চাদৰ পিন্ধা দেখিলে আৰু পুৰণি দুই-এটা ঐতিহ্য জীয়াই ৰাখিব খুজিলে লংপেণ্ট-চাৰ্ট পিন্ধা, ববকাট দিয়া, চকু-চেলাউৰি প্লাক কৰা নন্দেকহ'তে উপহাস কৰে।

কিছুমান আদৰ্শক শিল্পীয়েই নিজৰ বুলি জীয়াই ৰাখিবলৈ যত্ন কৰিও মনুজিতৰ প্ৰয়োজনীয়তাৰ খাতিৰত বিসৰ্জন দিব লগা হয়। লাহে লাহে শিল্পী ক্লাবলৈ গৈছে। মাজ নিশালৈকে নিজৰ ঘৰৰ পাৰ্টিত উজাগৰে ৰ'ব লগা হৈছে। গাঁৱৰ নিৰিবিলি পৰিৱেশত ডাঙৰ হোৱা শিল্পীয়ে এইবোৰ কোনো দিনেই ভাল পাব পৰা নাই। তথাপি ভালপোৱাৰ [illegible]য় কৰিব লগা হৈছে। এইবোৰ কথাত বিৰক্তি লাগিলে শিল্পীয়ে মনুজিতক কয় — 'ব'লডান্স, টুইষ্ট দি, লং-পেণ্ট-ছাৰ্ট পিন্ধি অত্যাধুনিক হোৱা ল'ৰাছোৱালীবোৰলৈ পুতৌহে ওপজে। নিজৰ সংস্কৃতিৰ কথাও যে কেনেকৈ মানুহে ইমান পাহৰি যাব পাৰে।" সিহঁতে শ্ৰমৰ মৰ্যাদা প্ৰায়ে বুজিয়েই নাপায়। ভণ্টীহ'তে চিনেমা চাই আড্ডা মাৰি সময়বিলাক নকটাই ঘৰতে চিলাই কৰি প্ৰয়োজনীয় বস্তুখিনি যদি কৰি ল'লেহেঁতেন, সমাজখন ইমান জটিল নহ'লহেঁতেন। যিগৰাকী মানুহে নিজৰ ঘৰখনকেই পৰিপাটিকৈ চম্ভালিব নোৱাৰে সেইগৰাকী মানুহ, মায়ে মহিলা সমিতিৰ যোগেদি কি সমাজৰ উন্নয়ন কৰিব মই ভাবি নাপাওঁ।

সেইদিনাখন নন্দেকহঁতৰ আৰু তাইৰ মাজত ঘটি যোৱা ঘটনাবোৰ মনুজিতৰ আগত ক'লে আৰু মনুজিতক এটা অনুৰোধ কৰি এটা নতুন প্ৰস্তাৱ আগবঢ়ালে — "মই শিখা আৰু লিচাৰ ব্যৱহাৰত অতিষ্ঠ হৈ উঠিছোঁ। আপোনাৰ ডিউটিৰ কাষতে আমি এটা কোৱাৰ্টাৰ লওঁ বলক।" মনুজিতে বিৰক্তিৰে কৈ উঠিল — "মা আৰু ভণ্টীহঁতৰ কি হ'ব?" শিল্পীয়ে চকুলৈ অহা পানীখিনি মোহাৰি কৈ পেলাইছিল — "তেওঁলোকে শ্ৰমৰ মৰ্যাদা বুজি উঠক। আমাৰ কেঁচা মাটিৰ গোন্ধক যিদিনা তেওঁলোকে গৌৰৱেৰে উপলব্ধি কৰিব সেইদিনা আমি তেওঁলোকৰ মাজলৈ ঘূৰি আহিম। মই এটা সুস্বপ্ন লৈ আঁতৰি যাবলৈ খোজা নাই আৰু অসমীয়া সংস্কৃতিৰ পূজাৰিনীও হ'ব খোজা নাই। কিন্তু প্ৰগতিশীল অসমীয়া হ'বলৈ হ'লে আমি বলডান্স, টুইষ্টৰ দৰে বৰগীত, লোকগীতকো সমানে সম্মান কৰিব লাগিব, তাকেহে ক'ব বিচাৰিছোঁ। আপুনিও জানো মোৰ সৈতে একমত নহয়?" মনুজিতে শিল্পীৰ মৰম লগা মুখখনিলৈ চালে। এনে লাগিল তেওঁৰ আস্থা, শান্তি আৰু ত্যাগেৰে এইজনী ছোৱালীয়েই প্ৰতিষ্ঠা কৰিছিল। শিল্পীৰ দৰে মহীয়সীৰ মহত্বৰে আমি পুৰণি সংস্কৃতিৰ গভীৰতম প্ৰদেশলৈ ধাবিত হৈও নতুন কৰ্মকুশলতা বুজি উঠিম।

বসন্ত আহিলে
কুলিয়ে বিনালে
গছে বনে সলালে পাত।
আমি অসমীয়া ........।



জুৰী বৰা বৰগোহাঞিঃ
অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

# অনুৰাধাৰ দিন



কিছুদিনৰ পৰা অনুৰাধাৰ মনৰ অশান্তি ক্ৰমে বাঢ়ি আহিছে। এনেয়েও তাই বৰ স্পৰ্শকাতৰ। তাতে নিজৰ জীৱনত বাৰে বাৰে সন্মুখীন হোৱা চৌদিশৰ বিৰক্তিদায়ক পৰিৱেশ আৰু বৰ্তমানটোৱে তাইলৈ আনি দিয়া ভয়াৱহ শূন্যতাবোৰে তাইৰ অস্থিৰতা দুগুণে বঢ়াই তুলিছে।

আগতে অনুৰাধা বৰ গহীন আছিল। এতিয়াও তাই বৰ অন্তৰ্মুখী চৰিত্ৰৰ। তাইৰ মনৰ ভিতৰত হাজাৰ ধুমুহা চলি থাকিলেও তাইৰ ব্যৱহাৰত কেতিয়াও অস্থিৰতা প্ৰকাশ নাপাইছিল। এতিয়া সেই অৱস্থাৰ সলনি হৈছে কাৰণ অনুৰাধাৰ মনৰ ভিতৰৰ অস্থিৰতাবোৰ বাহিৰতো লাহে লাহে প্ৰকাশ পাইছে। তাই আগৰ দৰে একে ঠাইতে বহি কামবোৰ কৰি থাকিব নোৱাৰে। বহি থকাৰ পৰা অস্থিৰতাৰে বাৰে বাৰে উঠি যায় যেন কামবোৰৰ পৰা নহয় মনৰ ভিতৰৰ চিন্তাখিনিৰপৰা উদ্ধাৰ পাবলৈহে তাই হঠাতে এনেকৈ উঠি আঁতৰি যায়। কোনোবা একোবাৰত পাকঘৰলৈ গৈ কট্ কট্ কৈ পানী এগিলাচ খায় আৰু আকৌ বহেহি। কেতিয়াবা কাপোৰ কেইটা চপাবলৈ বুলি গৈ চিন্তা কৰি কৰি কাপোৰ মেলা ৰচীডাল পাৰ হৈ গৈ পুখুৰীৰ পাৰ পায়গৈ। হঠাতে সম্বিৎ আহে আৰু ঘূৰি চাইহে মনত পৰে কি নিবলৈ আহি ক'ত পালোঁহি বুলি। এনেকৈয়ে নিজৰ ভৰিত অহৰহ অনুৰাধাৰ এক অনামী অস্থিৰতা মন-মগজুৰ ভিতৰত চলি থাকে।

চৈধ্য বছৰীয়া জীয়েক মৌমিতাই প্ৰায়ে লক্ষ্য কৰে মাক অনুৰাধাৰ এই অস্থিৰতাখিনি।

ঃ মা, কি হ'ল তোমাৰ? কেনেকৈ যে থাকিবলৈ লৈছা তুমি আজিকালি?

কেতিয়াবা স্কুলৰপৰা অহা মৌমিতাক ভাত বাঢ়ি দিবলৈ গৈ তাই বৈ থাকে। বহু সময়লৈকে অনুৰাধাৰ হাতত থাকে এখন কাঁহী আৰু এখন হেতা উদ্দেশ্যহীনভাৱে।

ঃ মোৰ একো হোৱা নাই মাজনী।

অলপ সচকিত হৈ কৈ উঠে অনুৰাধাই।

জীয়েকক এনেকৈ ক'লেই তাই বিশ্বাস কৰি লয়। কৰিবই বিশ্বাস। কাৰণ মাককনো তাই কিমান দিন পাইছে। মাত্ৰ ডেৰটা বছৰ। তাৰ আগতে প্ৰতি বছৰতে মৌমিতাই মাকক বছৰটোত মাত্ৰ দুমাহৰ কেইটামান দিনৰ কাৰণে লগ পাইছিল। সেই দিনবোৰ বহাগৰ বিহুৰপৰা জেঠৰ শেষলৈকে। সেই কেইদিনো মাক বিভিন্ন ঠাইলৈ যাব লগা হয় বাবে মৌমিতাক তাই বেছি সময় দিবই নোৱাৰে। সেই ঠাইবোৰলৈ মৌমিতা মাকৰ লগত কেতিয়াবা যায় কেতিয়াবা নাযায়। তাৰ পিছত মাক আগৰ দৰেই পুৰণি বা নতুন কোনোবা ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত হোৱা চুক্তি অনুসৰি ঘৰ এৰি গুচি যায় ন-দহ মাহৰ বাবে। ইয়াৰ মাজত সাধাৰণতে তাই ঘৰলৈ নাহেই। কোনোবা বছৰত ঘৰৰ ওচৰৰ ঠাইত পেণ্ডেল পৰিলে কেতিয়াবা দিনটোৰ অলপ সময়ৰ বাবে ঘৰখনলৈ আহে আৰু গুচি যায়।



অনুৰাধাই ভ্ৰাম্যমাণৰ অভিনেত্ৰী হৈ জীৱনৰ যোল্লটা বছৰ কটালে। সৰুৰেপৰা নাটক কৰি ভাল পাইছিল অনুৰাধাই। তাই কলেজত পঢ়ি থাকোঁতে এবাৰ ওচৰৰ আঞ্চলিক সংঘটোৱে আয়োজন কৰা কৰা ৰূপালীম নাটক অভিনয় কৰি যেতিয়া দৰ্শকক কন্দুৱাইছিল সেইদিনাই মঞ্চৰ কাষত উপস্থিত হৈছিলহি এখন এ ক্লাছ ভ্ৰাম্যমাণৰ এজন প্ৰতিনিধি আৰু এজন প্ৰযোজক। তাইৰ অভিনয় প্ৰতিভাৰ কথা আন কোনোবাই কৈছিল প্ৰতিনিধিজনক। সেয়ে প্ৰতিনিধিজনে লগত প্ৰযোজকক লৈ তাইৰ অভিনয় চাবলৈকে আহিছিল।

ঃ তুমি অনুৰাধা নহয় জানো?

ঃ হয়।

মানুহজনে তেওঁৰ নিজৰ পৰিচয় দি আৰু কথা কেইটামান তাইক সুধিছিল। আৰু এবাৰত তেওঁ সুধিলে—

ঃ তুমি ভ্ৰাম্যমাণলৈ যাব খোজাঁ নেকি?

অভিনয়ৰ নামত এজনী বলিয়া ছোৱালী অনুৰাধা। গতিকে অনুৰাধাৰ বাবে আছিল এইটো এটা কল্পনাতীত ভাল প্ৰস্তাৱ। কিন্তু দুজন ককায়েক, ভনীয়েক আৰু মাক-দেউতাকৰ অনুমতিটোহে তাতোকৈ ডাঙৰ কথা আছিল।

ঃ আমি তোমাৰ পছন্দ হোৱাকৈ পাৰিশ্ৰমিক হিচাপে প্ৰতি মাহে ভাল মাননি এটাই তোমালৈ আগবঢ়াম।

ভাল মাননি! শব্দকেইটা শুনি আচৰিত হ'ল অনুৰাধা। অভিনয় কৰিলেও যে সঁচাই কিবা দিয়ে সেইয়া প্ৰথম বাৰৰ বাবে জানিলে তাই। গাঁৱত তাই যিমানবোৰ অভিনয় কৰিলে সেই নাটকবোৰত ল'ৰাকেইটাই কৰা কষ্ট, হাহাকাৰবোৰ দেখিছে। নাটকৰ বাবে চকী, লাইটৰ যোগাৰ কৰিবলৈ যাওঁতে সদায় সিহঁতে আহি কৰা আপত্তিবোৰ, মানুহে গাঁৱৰ নাটক বুলি টিকট কাটি চাব নোখোজা মনোভাৱবোৰো দেখিছে। তাই জানে নাটক হৈ যোৱাৰ বহুদিন পাছলৈকে নাটক পতা সেই ল'ৰাকেইটা যাৰে তাৰে ওচৰত ধৰুৱা হৈ থাকিব লগা হয়। ভ্ৰাম্যমাণৰ মাননিৰ কথাটো নাটক কৰি ভাল পোৱা তাইৰ বাবে যেন অবাস্তৱ। সেইটোৰ কথা তাই নাভাবে। কিন্তু তাইৰ দৰে নাটক কৰি ভালপোৱা ছোৱালীজনীৰ বাবে প্ৰতিদিনেই প্ৰত্যেক ৰাতি মঞ্চত উঠি নাটক কৰাটোহে এটা ডাঙৰ কথা। অঁ' তাইৰ বাবে নাটক কৰাটোহে ডাঙৰ কথা। একমাত্ৰ সেই কথাটোৰ বাবেই তাইৰ ভ্ৰাম্যমাণলৈ যাবলৈ মন গ'ল।

প্ৰযোজকজনে তেওঁলোকৰ প্ৰস্তাৱটোৰ কথা অনুৰাধাক ঘৰত উলিয়াবলৈ কৈছিল আৰু কিছুদিনৰ পাছতেই তেওঁলোকে নিজে আহি অনুৰাধাৰ মাক-দেউতাকৰ লগত কথা পাতিবহি বুলি জনাইছিলে।

অনুৰাধাই ঘৰত কথাটো উলিওৱাৰ লগে লগে

*দীঘল চুলি, ওখ শৰীৰ, অভিনয় দক্ষতা আৰু সৌন্দৰ্যৰ বাবে তাইক এ ক্লাছৰ ভ্ৰাম্যমাণখনে সঁচাকৈয়ে চাৰিওখন নাটকৰ হিৰ'ইন কৰিলে। তাইক লৈ তাইৰ ফটোৰে সৈতে কেইবাখনো বাতৰি কাকতত ভ্ৰাম্যমাণখনৰ নাটকৰ বতৰা ওলাল।*

আটাইবোৰ মানুহ জক্‌জকাই উঠিল।

ঃ ভ্ৰাম্যমাণলৈ গৈ ফালিব নালাগে। ভ্ৰাম্যমাণলৈ যিমানবোৰ ছোৱালী যায় আটাইবোৰ ছোৱালীৰে বদনাম হয়। ভাল ছোৱালী কেতিয়াও ভ্ৰাম্যমাণলৈ নাযায়। ল'ৰাৰ লগত, মতা মানুহবোৰৰ লগত একেলগে থকা, খোৱা আৰু নানান ঠাই ঘূৰি ফুৰিব লাগিব। ভ্ৰাম্যমাণে তাইক ভাল দৰমহা দিলেও নালাগে। নালাগে তেনেকুৱা দৰমহা। কিহৰ অভাৱ এইখন ঘৰত। বাদ দে, তই অভিনয় কৰিবই নেলাগে থ। বদনামী হৈ এদিন ঘূৰি আহিলে নিজেতো মৰিবিয়েই ভনীয়েৰহঁতৰো বিপদ হ'ব।

ঘৰৰ মানুহবোৰৰ এইবোৰ কথাই অনুৰাধাৰ মনটো বান্ধি ৰাখিব নোৱাৰিলে। প্ৰতিনিধিজন আৰু প্ৰযোজকজনকে তাই ঘৰৰ মানুহবোৰৰ বুজোৱাৰ দায়িত্ব দিলে।



প্ৰতিনিধিজনে আকৌ প্ৰযোজকজনক লগত লৈ অনুৰাধাৰ ঘৰ পালেহি। তেওঁলোকে গাম্ভীৰ্যতাৰে ঘৰৰ মানুহবোৰৰ লগত কথা-বতৰাবোৰ আৰম্ভ কৰিলে। তেওঁলোকৰ ভ্ৰাম্যমাণ যে এখন সকলো দিশৰপৰা ভাল ভ্ৰাম্যমাণ তাক তেওঁলোকে কথা-বতৰাৰ মাজেৰে বুজাই গ'ল। অভিনয় প্ৰতিভা যে স্বয়ং নটৰাজৰ আশীৰ্বাদ আৰু সেই আশীৰ্বাদ থাকিলেহে মানুহে ভাল অভিনয় কৰিব পাৰে তাকো ক'লে। অনুৰাধাৰ অভিনয় প্ৰতিভা আৰু যে উচ্চ স্তৰলৈ যাব পাৰিব আৰু তাৰ বাবে ভ্ৰাম্যমাণ উপযুক্ত মাধ্যম হ'ব, প্ৰতি বছৰে লাখ লাখ মানুহে তাইক চিনি পাব। আৰু বহুত কথাই প্ৰযোজকজনে ক'লে ..। আচলতে অনুৰাধা এজনী ষ্টেজ ফিটিং ছোৱালী। তাইৰ সৌন্দৰ্য, অভিনয় প্ৰতিভালৈ চাই তেওঁলোকে এগ্ৰিমেন্ট নকৰাকৈ অনুৰাধাক এৰিব নুখুজিলে।

ঘৰৰ মানুহবোৰেও বহু ধৰণেৰে তেওঁলোকৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিবলৈ কিছুমান যুক্তি দিলে।

ঃ তাইক আমি হিৰ'ইন কৰি ৰাখিম। ল'ৰাৰ লগত থকাৰ কথাই নাহে। আমাৰ থিয়েটাৰত হিৰ'ইনৰ বাবে বেলেগ ৰূম। ছিংগল ৰূম। অনুৰাধাৰ একো বদনাম নহয়। কিমান অভিনেত্ৰী আজি প্ৰতিষ্ঠিত হৈছে ভ্ৰাম্যমাণৰ যোগেদি। তাতে আমাৰ থিয়েটাৰত প্ৰযোজক কৰ্তৃপক্ষই সকলো দিশতে চকু দি থাকে নহয়। আপোনালোকে চিন্তা নকৰিব। আন থিয়েটাৰৰ লগত আমাৰ থিয়েটাৰৰ শৃংখলাবদ্ধতাৰ তুলনাই নহয়। গতিকে কোনো কথা লৈ আপোনালোকে চিন্তা কৰিব নালাগে। আমি অনুৰাধাৰ দায়িত্ব ঠিকমতে ল'ম বুলি প্ৰতিশ্ৰুতি দিছোঁ।

তথাপি ঘৰৰ মানুহে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাটো ভালকৈ দিয়াটো বিচাৰিছিল। কিন্তু জুনৰপৰা আৰম্ভ হ'ব লগা আখৰাৰ সপোনে বিভোৰ কৰা ছোৱালীজনীয়ে পৰীক্ষাৰ নামত পৰীক্ষা হলত বহিলহে কিন্তু একে সময়তে নিশ্চিত হৈ গ'ল যে তাই হায়াৰ ছেকেণ্ডাৰী পাছ নকৰে। আৰু এদিন বেগ বাহানিৰে সৈতে ককায়েকে অনুৰাধাক থৈ আহিলেগৈ কেতিয়াও কোনোকালে নেদেখা নামনিৰ সৰু টাউন এখন আখৰা চলা থিয়েটাৰৰ শিবিৰত। এৰি আহিবৰ সময়ত ককায়েকে বাৰে বাৰে কৈ আহিল, – "ভালকৈ থাকিবি, কেতিয়াও যাতে বদনাম নোলায়। প্ৰতিটো খোজতে সাৱধান হৈ থাকিবি....।"

দীঘল চুলি, ওখ শৰীৰ, অভিনয় দক্ষতা আৰু সৌন্দৰ্যৰ বাবে তাইক এ ক্লাছৰ ভ্ৰাম্যমাণখনে সঁচাকৈয়ে চাৰিওখন নাটকৰ হিৰ'ইন কৰিলে। তাইক লৈ তাইৰ ফটোৰে সৈতে কেইবাখনো বাতৰি কাকতত ভ্ৰাম্যমাণখনৰ নাটকৰ বতৰা ওলাল।

এমাহ-দহদিন আখৰাৰ পাছত আগষ্টৰ প্ৰথম



সপ্তাহৰপৰা পেগুেল আৰম্ভ হ'ল। প্ৰতিনিধিজন আৰু প্ৰযোজকজনে প্ৰতিশ্ৰুতি দিয়া মতেই অকলশৰীয়া কোঠাও দিলে তাইক আৰু লগতে দিলে লগ হিচাপে ডান্সৰ এজনী ছোৱালী যিজনী তাইৰ সহায়ক হিচাপে থাকিব।

যিমানেই ইঠাইৰপৰা সিঠাইলৈ সিহঁতৰ ভ্ৰাম্যমাণখন আগবাঢ়ি গৈ থাকিল সিমানেই তাইৰ পিছে পিছে এজাক গুণগ্ৰাহী ওলায়েই থকা হ'ল।

ভ্ৰাম্যমাণৰ বছৰটোৰ মাজতে অন্য এটা এ ক্লাচ গ্ৰুপে তাইক আৰু অধিক মাননী আৰু সুবিধা দিব বুলি চুক্তি কৰিলে।

লাহে লাহে অনুৰাধাৰ মনটোত বিশ্বাস এটা হ'ল এদিন তাই অভিনয়ৰ এই পৃথিৱীত ভালদৰে প্ৰতিষ্ঠিত হ'ব।

বহুতো সুদৰ্শন অভিনেতা আৰু দুজনমান প্ৰযোজকৰ চকুৰ মণি হৈ পৰা অনুৰাধাই নিজক সামৰি ৰাখিলে। কিন্তু এটা সময়ত নোৱাৰিলে।

প্ৰথমে ভ্ৰাম্যমাণলৈ অনা প্ৰতিনিধিজন যিজনে তাইক প্ৰথমৰে পৰা স্নেহেৰে আৱৰি ৰাখিছিল সেই মানুহজনৰ স্নেহত বুৰ গৈ অনুৰাধাই ভ্ৰাম্যমাণ জীৱনৰ চতুৰ্থ বছৰত তেওঁৰ সৈতে বিয়াখন পাতি পেলালে আৰু ঘূৰি আহিল প্ৰথমৰ থিয়েটাৰখনলৈ। বিয়াখনৰ কথা কোনেও নাজানিলে। ঘৰখনকো নজনালে। আনকি তাই অভিনয় কৰি থকা থিয়েটাৰখনৰ মালিক পক্ষয়ো নাজানিলে। লগতে আন অভিনেতা-অভিনেত্ৰীকো নজনোৱাকৈ তাইৰ বিয়াখন গোপনেই হৈ গ'ল। কোনোবাই সিহঁতৰ সম্পৰ্কৰ বিষয়ে কিছু জানিছিল যদিও ইমান গুৰুত্ব দিয়া নাছিল কথাবোৰত। আৰু কোনোবা দুই-এজনে তাইৰ বিয়াৰ কথাটো জানিছিল যদিও কোনো গুৰুত্ব নিদিলে। এনেকুৱা বিয়া কিমান হয়। শিৰত সেন্দূৰ নলগোৱাকৈ কিমানজনী ছোৱালী কাৰোবাৰ পত্নী হৈ থাকে। অহৰহ কেৰিয়াৰৰ চিন্তাত থকা কিমান অভিনেত্ৰীয়ে লুকুৱাই থয় এনেকুৱা বিয়া। তাইও আজিকালি কেৰিয়াৰৰ কথা ভাবে। গতিকে কথাটো গোপন কৰি ৰাখিলে তাইৰ কেৰিয়াৰৰ কাৰণেই ভাল।

বছৰটোৰ শেষত অনুৰাধা নামৰ সহজ সৰল ছোৱালীজনী প্ৰতিনিধিজনৰ ঘৰলৈ যাবলৈ বিচাৰিলে। কইনা হৈ, সেইখন ঘৰৰ বোৱাৰী হৈ। অহা বছৰলৈ বোৱাৰী হৈয়েই অভিনয় কৰিবহি। কিন্তু ইতিমধ্যে অনুৰাধাৰ লগত থাকিবলৈ আৰম্ভ কৰা প্ৰতিনিধিজনে দুখ মনেৰে জনালে যে তেওঁৰ মাক-দেউতাকে ভ্ৰাম্যমাণত থকা কোনো ছোৱালীকে বোৱাৰী কৰি নলয়। গতিকে কোনো কাৰণত অনুৰাধাক তেওঁ ঘৰলৈ নিব নোৱাৰে।

তেতিয়াৰপৰাহে আচল হাহাকাৰটো লাগিল অনুৰাধাৰ। লাহে লাহে বিয়াৰ খবৰটো অলপ জনাজনি হৈছিল নাটকৰ লগত জড়িত মানুহবোৰৰ মাজত। প্ৰযোজককেও দায়িত্ব নলয় কাৰণ অনুৰাধাৰ সৈতে ম্যাদ শেষ হৈছিল। তাই প্ৰতিনিধিজনৰ লগত কিছুদিনৰ কাৰণে ভাড়াঘৰতে থকাটো বিচাৰিছিল। কিন্তু প্ৰতিনিধিজনে তাকো নিবিচাৰিলে। ইতিমধ্যে ভ্ৰাম্যমাণে আনি দিয়া সফলতাই তাইক কিছু অহংকাৰীও কৰি তুলিছিল। নাযায় তাই শহুৰেকৰ ঘৰলৈ। ইয়াতে থাকিব। থাকিল ভাড়াঘৰতে। প্ৰতিনিধিজনক কিন্তু লগত থাকিবলৈ তাই পুনৰ অনুৰোধ নকৰিলে। সাধাৰণকৈ হৈ যোৱা বিয়াখনক তাই সাধাৰণভাৱেই ল'লে আৰু প্ৰতিনিধিজনৰ লগত সম্পৰ্ক শেষ কৰি পেলালে। কিন্তু প্ৰতিনিধিজনে তাইৰ শৰীৰত থৈ গ'ল মৌমিতাক। এইটো খবৰ পিছে বৌজাল বৌজাল হ'ল। বাতৰি কাকততো নামৰ সৈতে খবৰটো ওলাল। গৰ্ভৱতী অভিনেত্ৰীক কোন ভ্ৰাম্যমাণ দলে লয়। আনহাতে নিজৰ ঘৰলৈ যোৱাৰো প্ৰশ্ন নাহে। প্ৰতিনিধিজনৰ লগত বিয়া হোৱাৰ খবৰ পাই তাইক জন্মৰ ঘৰখনেও ত্যাজ্য পুত্ৰী কৰিলে।

দুটা বছৰ এটা ভাড়াঘৰত অকলে চৰম নিঃসঙ্গতাত কটোৱাৰ পিছত এদিন ককায়েক এটা ওলাইছিল। তাই তাৰ ভৰিত ধৰি ছোৱালীজনীক তাৰ হাতত দি দিছিল। ককায়েকেও ফুলকুমলীয়া ছোৱালীজনীক বুকুত সাবটি লৈছিল মৰমেৰে।

তাৰ পিছত অনুৰাধা পুনৰ ঘূৰি যাব খুজিলে ভ্ৰাম্যমাণলৈ। এইবাৰ পিছে তাইক বিচাৰি কোনো নাহিল। তাই নিজেই গ'ল প্ৰযোজকৰ ওচৰলৈ। কিন্তু মাক হোৱা, অনিশ্চয়তা আৰু দুশ্চিন্তাত সময়বোৰ পাৰ কৰি থকা অনুৰাধাৰ শৰীৰৰ সৌন্দৰ্য একেবাৰেই কমি গৈছিল। আৰু সেয়ে এসময়ৰ দামী অভিনেত্ৰীগৰাকীৰ কমি গৈছিল দাম। প্ৰযোজকৰ সৈতে কথা পাতি সামান্য দামতে তাই মান্তি হৈছিল অভিনয় কৰিবলৈ।

ঃ দেৱশিশু বুলি মই মৌমিতাক ডাঙৰ কৰিলোঁ। এতিয়া অনুক ...?

কোনোবা দিনা বৌৱেকে ককায়েকক কৈ থকা শুনিছিল।

নাই, ককায়েকে তাইক কোনোদিন একো কোৱা নাই। কিন্তু সাধাৰণ দোকান এখন দি জীৱন কটোৱা মৌমিতাৰো পঢ়াশুনাৰ দায়িত্ব লোৱা ককায়েকলৈ তাইৰ বেয়া লাগিছিল। আন কিবা এটা কাম কৰিবও নাজানে অনুৰাধাই। অভিনয় কৰি থাকোঁতে তাঁতশালখনকো নিশিকিলে। খেতিপথাৰ তো বাদেই। কি কৰে তাই।

কোনোবাই কৈছিল তাইক শিল্পী পেন্সনৰ বাবে আৱেদন কৰিবলৈ। পেন্সন অফিচলৈ অহা যোৱা কৰিছিল তাই। নহ'ব।

**তাৰ পিছৰ বছৰবোৰত অনুৰাধা ভ্ৰাম্যমাণত থকাটোৱেই এটা যন্ত্ৰণা হৈ পৰিল। এবাৰ খহনীয়া আৰম্ভ হোৱা তাইৰ স্থান দিনে দিনে পৰিহে আহিল। উঠি নগ'ল। এবাৰ বিচ্ছেদ হোৱা মহিলা আৰু এটা সন্তানৰ মাতৃ। চাৰিবছৰমানৰ পিছত আনকি তাই প্ৰযোজকক হাতে ভৰিয়ে ধৰিহে অভিনয় কৰিবলৈ পোৱা হৈছিল।**

তাৰ পিছৰ বছৰবোৰত অনুৰাধা ভ্ৰাম্যমাণত থকাটোৱেই এটা যন্ত্ৰণা হে পৰিল। এবাৰ খহনীয়া আৰম্ভ হোৱা তাইৰ স্থান দিনে দিনে পৰিহে আহিল। উঠি নগ'ল। এবাৰ বিচ্ছেদ হোৱা মহিলা আৰু এটা সন্তানৰ মাতৃ। চাৰিবছৰমানৰ পিছত আনকি তাই প্ৰযোজকক হাতে ভৰিয়ে ধৰিহে অভিনয় কৰিবলৈ পোৱা হৈছিল।

হয়। ইয়াৰ মাজতো কোনো কোনোৱে তাইৰ প্ৰতি অলপ বেয়া দৃষ্টি দিব খুজিছিল। নিজক বচাই ৰাখিবলৈ যত্ন কৰোতে কৰোঁতে তাইৰ অভিনয়ৰো ক'ৰবাত খোকোজা লাগিছিল। ন্যূনতম পাৰিশ্ৰমিকৰ বিনিময়ত সাত বছৰমান ইটো দলৰপৰা সিটো দললৈ এনেকৈয়ে ঘূৰি ফুৰিছিল। তাৰ পিছত তাইৰ সন্মুখৰ সকলো ৰাস্তাই বন্ধ হৈ পৰিছিল। বয়সে চাপ পেলোৱা তাইৰ মুখৰ চেহেৰা চাই কোনো দলে তাইক ল'বলৈ ইচ্ছা প্ৰকাশ নকৰা হ'ল। তেতিয়ালৈ একমাত্ৰ ঘৰখনলৈ ঘূৰি অহাৰ বাহিৰে তাইৰ একো উপায় নাছিল। ঘৰখনত সেই সময়ছোৱাত বহুত পৰিৱৰ্তন হৈছিল আৰু মাক-দেউতাকে ডাঙৰ ককায়েকৰ হাতত ঘৰখন এৰি গুচি গৈছিল। শেষ আশ্ৰয় ককায়েক আৰু বৌৱেকে অৱশ্যে অকণো কৃপণালি কৰা নাছিল মৌমিতাক ডাঙৰ কৰাত। কিন্তু তাইহে যেন ঘৰখনত অনাহূত হৈ পৰিছিল।

ভ্ৰাম্যমাণত থকা শিল্পীৰ বাবে এনে স্বীকৃতি নাই।

এদিন নিৰ্জন দুপৰীয়া অনুৰাধা অকলে অকলে ওলাই গ'ল। কিছু দূৰতে থকা এজন চিনাকী ভ্ৰাম্যমাণৰ প্ৰযোজকৰ ঘৰলৈ। সেইজন প্ৰযোজকে একেবাৰে কেইবাবছৰো ভ্ৰাম্যমাণত লষ্ট খোৱাৰ বাবে সকলো সম্পত্তি বেচি হোটেল এখন খুলি বহিছিল। তেওঁক আটাইবোৰ কথা ক'লে অনুৰাধাই। অনুৰাধাৰ কথাবোৰ শুনাৰ পিছত তেওঁ অনুৰাধাক দিব পৰা আটাইকেইটা উপায়েই দিলে। তাই হোটেলখনৰ ৰান্ধনী হ'ব পাৰিব। বৰ্তমান যিহেতু দুজন মতা ৰান্ধনি আছেই, গতিকে সদ্যহতে অনুৰাধাই মছলা পিহিব।

একেবাৰে মনে নমনা কথা অনুৰাধাৰ বাবে। অথচ তাই কৰিবই লাগিব। অনিশ্চয়তাৰে ভৰা দুটা পেটৰ কথা চিন্তা কৰি হ'লেও তাই এই কাম কৰিবই লাগিব।

পিছদিনাৰপৰা তাই কামলৈ আহিল।

অভিনয় কৰোঁতে ৰঙ সানি ধুনীয়া কৰা হাত দুখন তাইৰ মছলা খুন্দা কামত লাগিল।

আৰু সেই যে লাগিল লাগিয়েই থাকিল।

অনুৰাধাৰ মৰমৰ হাতদুখন মছলা লাগি লাগি ক'লা হৈ গ'ল। তথাপি এসময়ত নখ পলিচ সানি থোৱা আৰু জেতুকাৰ বোলেৰে শুৱনি কৰি ৰখা হাত দুখনে মছলা পিহিয়েই থাকিল।

# অস্ফুট জোনাক

সীমা খাতুন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



মেঘালী এড্‌ভোকেট বৰুৱাৰ একমাত্ৰ কন্যা। অতি মৰমৰ পিতৃ-মাতৃৰ নয়নৰ মণি। ৰূপে-গুণে অতুলনীয়া মেঘালী অসম চিকিৎসা মহাবিদ্যালয়ৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী। কলেজ বন্ধ বাবে তাই আজি ঘৰতে আছিল। তাই মজিয়াত পাটী এখন পাৰি হাতত ড° নিৰ্মল প্ৰভা বৰদলৈৰ জীৱনী 'জীৱন জীৱন বৰ অনুপম' নামৰ কিতাপখনৰ দুটা পৃষ্ঠা পঢ়িছেহে এনেতে তাইৰ কাণত পৰিল কলিংবেলৰ তীব্ৰ শব্দ ...। মেঘালীৰ মনে মনে খং উঠিল। তাই ভাবিলে ঃ কোন যে আহিল এনে সময়ত! মা-দেউতা নথকা অৱস্থাত, তাই যাওঁ নাযাওঁকৈ গৈ দুৱাৰ খুলি আলহী দেখিয়েই চক্ খাই উঠিল ...। এগৰাকী জীৰ্ণ শীৰ্ণ তিৰোতা, কোঁচত এটি দুমহীয়ামান কেঁচুৱা। লেতেৰা ফটা-ছিটা কাপোৰ-কানিৰে উৎকট গৰমৰ ঘামৰ দুৰ্গন্ধেৰে তাইলৈ কাতৰ দৃষ্টিৰে চোৱা তিৰোতাগৰাকী দেখি মেঘালিৰ খং উঠাৰ পৰিৱৰ্তে দুখহে লাগিল। তিৰোতাগৰাকীয়ে সেহাই সেহাই ক'লে, 'আই পানী এটুপি পামনে? মেঘালীয়ে অঁ দিছো ৰ'বা বুলি কৈ লগে লগে ভিতৰৰপৰা চিঁচাৰ গিলাছ এটাত পানী আনি দিয়াত তাই হাতৰপৰা কাঢ়ি নিয়াদি একে সোহাই পানী গিলাছ খাই 'উঃ প্ৰভু এতিয়াহে মোৰ জীৱটো আহিল' বুলি ক'লে। মেঘালীৰ বৰ বেয়া লাগিল।



মেঘালীয়ে তিৰোতাগৰাকীক বাৰাণ্ডাতে মুঢ়াটোত বহিবলৈ কৈ ক'ৰপৰা আহিছে, কিয় এনে অৱস্থা হৈছে জানিবলৈ মন কৰাত তিৰোতাগৰাকীয়ে ক'বলৈ ধৰিলে, 'আই, মই মাজুলীৰ। মোৰ দুখৰ কথা কি কম, কি শুনিবা। ময়ো এদিন তোমাৰ দৰে গাত ৰ'দ নলগাকৈ, বৰষুণত নিতিতাকৈ আলাসত উটি ভাঁহি ফুৰিছিলোঁ। ভাগ্যৰ কি বিড়ম্বনা! এতিয়া ৰ'দ, বতাহ-বৰষুণ একাকাৰ কৰি ফুৰিছো পেটৰ তাড়নাত। ভাই এটা আছে। সি মোৰ বৰ মৰমৰ আছিল। আজি প্ৰায় আঠ বছৰেই হ'ল মই তাক দেখা নাই — বৰ মন যায় এবাৰ মা-দেউতা আৰু ভাইটোক চাবলৈ। কিন্তু মোৰ

পোৰা কপাল। সেইকণ ভাগ্য এই অভাগিনীৰ নাই। মোৰ দোষতেই আজি মোৰ এনে গতি। মই নৱম শ্রেণীত পঢ়ি থাকোঁতেই মোৰ মামাৰ বিয়াত ছোৱালী আনিবলৈ যাওঁতে এজন ল'ৰাৰ লগত চিনাকি হৈছিলোঁ। ল'ৰাজনৰ সৰলতাত মুগ্ধ হৈ, তেওঁৰ মৰমত অন্ধ হৈ পিতৃ-মাতৃৰ অনিচ্ছাসত্বেও কিছুদিন পিছত পলাই আহিলোঁ। পিতৃ-মাতৃয়ে মোৰ মুখ নাচায় বুলি নামঘৰত শপত খালে। তেওঁৰ চাকৰি-বাকৰি একো নাছিল। প্রথমতে কিছুদিন খোৱাই-নোখোৱাই আমি আনন্দেৰে দিনবোৰ পাৰ কৰিছিলোঁ। এজনী এজনীকৈ তিনিজনী কন্যা সন্তান মোৰ কোলালৈ আহিল। সংসাৰৰ বোজা বাঢ়িল। তেওঁ হাজিৰা কৰি অনা পইচাকেইটাৰে কোনোমতে জোৰা-টাপলি মাৰি চলি আছিলোঁ। এবাৰ তেওঁ মাহেকীয়া হিচাপত আমাৰ গাঁৱৰপৰা কিছু আঁতৰত এখন গাঁৱত ঘৰ সজা কাম কৰিবলৈ গ'ল। প্রথম সপ্তাহত এবাৰ আহি টকা কুৰিটা মোৰ হাতত দি কৈছিল, "টানি-টুনি চলিবি, মই কাম শেষ হোৱাৰ পাছতহে আহিম। " ময়ো কোনোমতে ওচৰ-চুবুৰীয়াৰপৰাও কেতিয়াবা ধাৰলৈ বুলি দুই-এপদ বস্তু আনি ছোৱালী কেইজনীৰ মুখত দিওঁ, হ'ল বুলিনো ওচৰ-চুবুৰীয়াই কিমান দিব?

এদিন দুদিন কৰি এমাহ পাৰ হ'ল, ভাবিলো তেওঁ আহিব! নাহিল! দুমাহ পাৰ হ'ল, নাহিল। ইপিনে খোৱাৰ কষ্ট, থকাৰ কষ্ট। সৰু খাটখনত ছোৱালী তিনিজনীৰ সৈতে শুবলৈ অসুবিধা। গতিকে ঠেটুৱৈ লগা জাৰত মাটিত শুব লগা হোৱাত ডাঙৰ ছোৱালী নয়নমণিৰ জ্বৰ হ'ল। ডাক্তৰক দেখুওৱাটো দূৰৰ কথা। খুৱাবলৈ এপালি দৰবো নাপালোঁ। আনকি পানীৰ বাহিৰে তাইৰ মুখত দিবলৈ খুদকণ এটাও নাই। তিনিদিন নেৰা-নেপেৰা জ্বৰত ভুগি দেউতাকক চাবলৈ বিচাৰি বিচাৰি তাঁই চিৰদিনৰ বাবে গুচি গ'ল আই। এইবুলি কৈ মানুহগৰাকীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে। মেঘালীয়ে সান্ত্বনা দিবলৈ ভাষা বিচাৰি নাপালে। মেঘালীয়ে ভিতৰলৈ সোমাই গৈ এখন ডিচত দুটা জাহাজী কল, দুডোখৰ ব্ৰেড, এটা মিঠাই , এগিলাচ পানীৰ সৈতে মানুহগৰাকীক খাবলৈ দিলে। ইতিমধ্যে মানুহগৰাকী কিছু শান্ত হৈছিল। বহুদিন খাবলৈ নোপোৱা মানুহৰ দৰে সাউতকৈ বস্তুখিনি খাই মেঘালীৰ ফালে বৰ মৰম লগাকৈ চাই ক'লে, 'আই তোমাক কি বুলি আশীৰ্বাদ দিম! আজি চাৰিদিন হ'ল ঘৰৰপৰা ওলাই আহি অনাই-বনাই ঘূৰি ফুৰা। কোনো মানুহে মোক এষাৰ ভাল মাত দিয়া নাই। বৰং চেই-চেই, দূৰ- দূৰ। বাৰু আই তোমাৰ ঘৰত কোন কোন আছে? কাকো দেখা নাই যে? মেঘালীয়ে ক'লে, 'মোৰ দেউতা উকীল, মা শিক্ষয়িত্রী। দুয়ো কামলৈ গৈছে। মইহে কলেজ বন্ধ বাবে ঘৰতে আছো।

'হ'ব আই — ঈশ্বৰে তোমাৰ মঙ্গল কৰক। এৰা! মোৰ দেউতাও এজন শিক্ষকেই —প্ৰাইমেৰী স্কুলৰ। মা অঙ্গনবাদীৰ শিক্ষয়িত্রী। কিন্তু নিজৰ পিতৃ-মাতৃ হ'লেও তেওঁলোকৰ হৃদয় বৰ কঠোৰ! তেওঁলোকৰ তোমাৰ দৰে এখন বহল অন্তৰ নাই।'

মেঘালীয়ে আকৌ সুধিলে, ' আপোনাৰ যে তিনিজনী ছোৱালী বুলি কৈছিল — মাজু ছোৱালীজনী ক'ত আছে? মানুহজনীয়ে এটা দীঘল হুমুনিয়াহ কাঢ়ি ক'বলৈ ধৰিলে, 'অ' মোৰ মাজু ছোৱালীজনী। বৰ মৰম লগা আছিল তাইৰ কথাবোৰ। মোৰ বুকুখন ভাঙি যাব খোজে অ' আই, তাইৰ কথা মনত পৰিলে। মোক নৰক যন্ত্ৰণা ভোগ কৰিবলৈ দি তায়ো মোক এৰি থৈ বায়েকৰ ওচৰলৈ গ'ল। মই মোৰ কৰ্মফল ভুগিছোঁ আই, মা-দেউতাৰ অভিশাপৰ বলি হৈছোঁ মই। বুমনি আছিল তাইৰ নাম— তাই কল খাই বৰ ভাল পাইছিল। সদায় সোধে, মা দে'তা কেতিয়া আহিব? কল কেতিয়া আনিব। কেইবাবাৰো দেউতাকলৈ খবৰ



পঠিয়ালোঁ ওচৰৰে ল'ৰা এটাৰ যোগেদি। ল'ৰাটোক 'যাম যা' বুলি কৈ পঠিয়ায়। আশাৰে বাট চাই থাকোঁ আহিব বুলি — নাহিল এদিনো। অৱশেষত কল, কল দে'তা, দে'তা কৰি তাইও আঁতৰি গ'ল কোনো এখন অজান দেশলৈ শান্তি বিচাৰি।"

এনেতে গাড়ীৰ হৰ্ণ শুনি মানুহজনীয়ে পিছলৈ ঘূৰি চাই দেখে এখন সুন্দৰ গাড়ীত এহাল পুৰুষ-স্ত্রী আহি গেটৰ মুখত ৰৈছে। মেঘালীয়ে তাইৰ মাক-দেউতাক আহিছে বুলি কৈ 'মুকুন্দ' বুলি চিঞৰি দিয়াৰ লগে লগে 'গৈছোঁ আইদেউ' বুলি দহ বছৰীয়ামান বয়সৰ ল'ৰা এটাই গে'টখন



খুলি দিয়াত গাড়ীখন সোমাই আহিল। মাক-দেউতাকে মেঘালীক এনেদৰে অপৰিচিত মানুহগৰাকীৰ লগত ইমান অন্তৰঙ্গভাৱে কথা পাতি থকা দেখি আচৰিত হৈ উৎসুক দৃষ্টিৰে চোৰাত মেঘালীয়ে একে উশাহত কোৱাদি মানুহগৰাকীৰ কথাখিনি ক'লে। দেউতাকে মানুহগৰাকীক সুধিলে, 'তোমাৰ স্বামীৰ নাম কি?' তাই কলে, 'বিপুল চাংমাই'। 'বিপুল চাংমাই? মাজুলীৰ নহয় জানো? 'হয় ছাৰ হয়। আপুনি চিনি পায় নেকি? মেঘালীৰ দেউতাকৰ মুখখন গহীন হৈ পৰিল। কিবা এটা যেন মনত পেলাবলৈ চেষ্টা কৰিলে। তাৰ পিছত তেওঁৰ কাছাৰীলৈ নিয়া ব্ৰিফকেছটো খুলি ফাইলটোৰ মাজত কিবা চাই পুনৰ মানুহগৰাকীলৈ চালে। মানুহগৰাকীয়ে ভয়ে ভয়ে সুধিলে, 'কি হ'ল ছাৰ? তেওঁ কিবা বিপদত পৰি কাছাৰীলৈ আহিছে নেকি? নে অভাৱত পৰি কিবা.... চুৰ ....। মানুহগৰাকীৰ কথা সম্পূৰ্ণ হ'বলৈ নিদি মেঘালীৰ দেউতাকে ক'লে — 'মাজুলীৰ বিপুল চাংমাই আৰু জুতিকা গগৈৰ দুয়োটা পৰিয়ালৰ সন্মতি সাপেক্ষে যোৱাকালি ক'ৰ্টত বিৱাহকাৰ্য সম্পাদন হয়।'

কথাখিনি শুনাৰ লগে লগে যেন মানুহগৰাকীৰ মূৰত বিনামেঘে বজ্ৰপাত পৰিল। তাই বাৰাণ্ডাতেই ঢলি পৰিল — কেঁচুৱাটোৰে মাটিত পৰি কান্দিবলৈ ধৰিলে। মেঘালীয়ে আথে-বেথে কেঁচুৱাটি তুলি ধৰিলে। মেঘালীৰ মাকে ততাতৈয়াকৈ মুকুন্দক পানী আনিবলৈ ক'লে। মানুহগৰাকীৰ চকু মুখত পানী দিয়াৰ পাছত লাহেকৈ চকু মেলি চাই সেহাই সেহাই ক'বলৈ ধৰিলে, 'আই এতিয়া মোৰ কি হ'ব! মোৰ সকলো শেষ হ'ল। মই জীয়াই থকাৰ প্ৰয়োজন নাই। মেঘালীৰ মাকৰ ভৰি দুখনত খামোচ মাৰি ধৰি, — মোৰ এটি অনুৰোধ ৰাখিবনে আই? মোৰ যুগ্মজীৱনৰ স্মৃতি এই কণমানিজনীক মই কোনো কাৰণতেই হেৰুৱাব নোখোজোঁ আই! দেউতা, কওঁক দেউতা ৰাখিবনে জীয়াই? ডাঙৰ হ'লে লাগিলে তাই আপোনালোকৰ লাচনি-পাচনিকে কৰি দিব—' বুলি হুৰাওৱাৰে কান্দিবলৈ ধৰিলে।

দেউতাকে মাকলৈ চাই মানুহগৰাকীক সুধিলে, 'কেঁচুৱাটিক গতাই তুমি কি কৰিবা? 'দেউতা, কেঁচুৱাটিৰ আশ্ৰয়ৰ ব্যৱস্থা হ'লে মই নিশ্চিন্ত হ'ম আৰু নিজৰ ভাগ্যৰ বিচাৰ নিজেই কৰিম....।' দেউতাকে মেঘালীৰ চকুলৈ চালে। মানুহগৰাকীৰ কথাত যেন কিবা এক অঘটনৰ সন্দেদ পালে। কি ক'ৰে এতিয়া! বৰ নিৰুপায়ত পৰিল। তেওঁ মানুহগৰাকীক ভৰিৰপৰা আঁতৰাই মেঘালীৰ মাকক ভিতৰলৈ মাতি নি ক'লে, 'কি কৰিবা এতিয়া, মানুহগৰাকীক খেদি পঠিয়ালেও তাই যদি আত্মহত্যা কৰিব তেতিয়া দুটি প্ৰাণীৰ পাপে আমাক চুব। কি যে লেঠাখনত পৰিলোঁ। ভাবিবই পৰা নাই।' মাকে ক'লে, 'ভাবিবলৈ কিটো আছে? আমাৰ ইমান ডাঙৰ ঘৰ। ঈশ্বৰে আমাক এটা সন্তান দিছে। অন্ততঃ অকলশৰীয়া মাজনীৰ খেলৰ পুতলা হ'ব। আৰু মই এটা কথা ভাবিছোঁ, মাকজনীও থাকক মাজনীৰ লগ হ'ব। ঘৰুৱা কাম-বন দুই এটা কৰি ও দিব। তাইনো বেচেৰী অকলে কলৈ যাব? কেঁচুৱাকণে মাকৰ বুকুৰ উম নোলোৱাকৈ কেনেকৈ থাকিব? অকলে কেঁচুৱা ৰাখিলে আমি আন এজনী আয়া ৰাখিব লাগিব। তাতকৈ নিজৰ মাকজনী থকাটোৱেই ভাল হ'ব।' মেঘালীৰ মাক শিক্ষয়িত্ৰী, দৃষ্টিভংগীও বহল। দুয়ো আলোচনা কৰি পুনৰ বাহিৰলৈ ওলাই গৈ মানুহগৰাকীক ক'লে , 'তোমালোক দুয়ো আমাৰ ঘৰত থাকাঁ। নিজৰ ঘৰৰ ছোৱালীৰ দৰে থাকিবা। আজিৰপৰা তুমি আমাৰ ডাঙৰ ছোৱালী। মাজনীৰ বায়েক, কেঁচুৱাকণ আমাৰ নাতিনী। মাজনীৰ ভাগিনীয়েক।'

মহানুভৱ অৱতাৰী পিতৃ-মাতৃয়ে শিৰত হাত থৈ পোষ্য পুত্ৰীক আশীৰ্বাদ দিলে। দেউতাকে পিতৃসুলভ কণ্ঠেৰে ক'লে, উঠা, আই, বৰ্ষা উঠা — আজিৰপৰা তোমাৰ নতুন জীৱন আৰম্ভ। তোমাৰ নাম যিয়েই নহওক তোমাক মেঘালীৰ নামৰ লগত ৰজিতা খুৱাই 'বৰ্ষা' নামেৰে বৰজীৰূপে মোৰ হৃদয়ত স্থান দিলোঁ। অতীতক সম্পূৰ্ণৰূপে পাহৰি জীৱনৰ নতুন বাটত খোজ দিয়াঁ, তুমি পুনৰ পঢ়াঁ, মই পঢ়ুৱাম।'

মেঘালীয়ে স্থিৰ দৃষ্টিৰে কেৱল চাই ৰল... তেওঁ যেন এইমাত্ৰ এয়া স্বয়ং ভগৱানৰ সাক্ষাৎহে লভিলে।



# অসমীয়া ভাষাৰ সংকটাৱস্থা ঃ
## কিছুমান প্ৰশ্ন

প্ৰদীপ বড়া
স্নাতক তৃতীয় বৰ্ষ

ভাষা বুলিলে ক'ব লাগিব কোনো এটা জনসমষ্টিয়ে নিজৰ সামাজিক বা দৈনন্দিন জীৱনৰ কাম-কাজ চলাবৰ বাবে ব্যৱহাৰ কৰা এটা বাক্-মাধ্যম। সকলো ঠাইৰে, সকলো জাতিৰে একোটা নিজ ভাষা আছে, যিটোৰ যোগেদি তেওঁলোকে জাতীয় চৈতন্য আনৰ আগত প্ৰকাশ কৰাৰ সুবিধা আদায় কৰে। অসমৰ অসমীয়া জাতিৰ ভাষা হ'ল অসমীয়া। অসমীয়া ভাষা বৰ্তমান সংকটাপন্ন – এইষাৰ কথা বৰ্তমান বিদ্বৎ সমাজৰ মাজত সততে শুনা যায়। অসমীয়া ভাষা প্ৰকৃততে সংকটাপন্ন হয়নে? যদি হয় কি কি কাৰণত ই সংকটাপন্ন? ইয়াৰ যুক্তি ক'ত?

২০১১ চনৰ লোক পিয়লত অসমত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা যে অতি কম হ'ব ই নিশ্চিত। অসমৰ দৰে এখন ৰাজ্যত ইয়াৰ প্ৰধান ভাষা অসমীয়া ব্যৱহাৰ কৰা লোক সংখ্যালঘু। এনেধৰণৰ ঃ এই কথাটোৱে ভাষাটোৰ সংকটাৱস্থাৰ কথাকে প্ৰতিপন্ন কৰিছে। এই দিশত আমাৰ কিছু মত-অভিমত।

কি কি কাৰণত আমি অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা কমি গৈছে বুলি ক'ব পাৰোঁ? বৰ্তমান সময়ত বহুতো অভিভাৱক বা পিতৃ-মাতৃয়ে "মোৰ ল'ৰা/ছোৱালীয়ে অসমীয়া ক'ব জানে" বুলি গৌৰৱ কৰে। ইংৰাজী মাধ্যমত পঢ়ি অসমীয়া ভাষাটোক হেয় চকুৰে চোৱাটো তেওঁলোকৰ বাবে গৌৰৱৰ বিষয়। তেওঁলোকে বহুতেই হয়তো নিজে অসমীয়া মাধ্যমত পঢ়ি অহাৰ বাবে আফচোচ কৰে। ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ মাজত (য'ত শিশুসকলে দিনটোৰ সৰহখিনি

> কেৱল ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰসাৰেই অসমীয়া ভাষাটোৰ প্ৰধান শত্ৰুনে? এটা আন্তঃৰাষ্ট্ৰীয় ভাষা-জ্ঞান আয়ত্ব কৰাটো বেয়া কেনেকৈ হ'ব পাৰে? ইংৰাজী শব্দ ব্যৱহাৰ কৰা বা শিকাটো কোনো অপৰাধ হ'ব নোৱাৰে, মাত্ৰ ই তেতিয়াহে অসমীয়া ভাষাক অপকাৰ কৰিব যেতিয়া কওঁতাই সম্পূৰ্ণৰূপে অসমীয়া শব্দক পাহৰি পেলাব বা ইংৰাজী শব্দৰ সৈতে সংমিশ্ৰণ কৰি অসমীয়া শব্দটোক 'বজৰুৱা' কৰি তুলিব। আনহাতে প্ৰতিটো ইংৰাজী শব্দক অসমীয়া ঠাঁচত বুলি অসমীয়াৰ উপযোগী কৰি তুলিব পাৰিলে বৰঞ্চ অসমীয়া শব্দ ভাণ্ডাৰ চহকীহে হ'ব।

সময়েই অতিবাহিত কৰে) ইংৰাজী ভাষা বাধ্যবাধকতাৰে ব্যৱহাৰ কৰাৰ ফলত বিদ্যালয়ৰ বাহিৰতো সৰহসংখ্যকে ইংৰাজী শব্দ ব্যৱহাৰ কৰি কথা পতাত অসমীয়া ভাষাৰ কিছুমান সমৃদ্ধিশালী শব্দ হেৰাই গৈছে। যাৰ ফলত অসমীয়া ভাষাই সংকটাপন্ন উপাধি গ্ৰহণ কৰিবলগীয়া হৈছে।

কেৱল ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰসাৰেই অসমীয়া ভাষাটোৰ প্ৰধান শত্ৰুনে? এটা আন্তঃৰাষ্ট্ৰীয় ভাষাৰ জ্ঞান আয়ত্ব কৰাটো বেয়া কেনেকৈ হ'ব পাৰে? ইংৰাজী শব্দ ব্যৱহাৰ কৰা বা শিকাটো কোনো অপৰাধ হ'ব নোৱাৰে, মাত্ৰ ই তেতিয়াহে অসমীয়া ভাষাক অপকাৰ কৰিব যেতিয়া কওঁতাই সম্পূৰ্ণৰূপে অসমীয়া শব্দক পাহৰি পেলাব বা ইংৰাজী শব্দৰ সৈতে সংমিশ্ৰণ কৰি অসমীয়া শব্দটোক 'বজৰুৱা' কৰি তুলিব। আনহাতে প্ৰতিটো ইংৰাজী শব্দক অসমীয়া ঠাঁচত বুলি অসমীয়াৰ উপযোগী কৰি তুলিব পাৰিলে বৰঞ্চ অসমীয়া শব্দ ভাণ্ডাৰ চহকীহে হ'ব। কেৱল ইংৰাজী শব্দৰ ব্যৱহাৰেই অসমীয়া ভাষাক অপকাৰ কৰিছে বুলি ক'লে ভুল কৰা হ'ব। প্ৰব্ৰজনৰ ফলত অসমলৈ অহা বহুতো অনা অসমীয়াই অসমীয়া ভাষা ব্যৱহাৰ নকৰে। আমিয়েই তেওঁলোকক অসমীয়া ভাষা কোৱাৰ সুযোগ নিদিওঁ। অসমীয়া ভাষাটোক জাকত জিলিকা কৰি তুলিবলৈ আমি অসমীয়া সকলেই চেষ্টা কৰিব লাগিব। অসমীয়া ভাষাৰ পুনৰুদ্ধাৰৰ বাবে আকৌ কোনোবা বেপ্তিষ্ট মিছনেৰী আহিব বুলি আশা পালি থকাটো মূৰ্খামি নহ'বনে?



অসমীয়া শিশুৱে মাতৃভাষা নাজানি ইংৰাজী ভাষাৰ ব্যৱহাৰ কৰাৰ ফলত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা কমি গৈছে বুলি ধৰি ল'লে, এটা প্ৰশ্ন মনত উদয় হয় যে বৰ্তমান অসমত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত দ্ৰুত প্ৰসাৰৰ মূলতে কি? ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ তুলনাত অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰভাৱ কম হৈ গৈছে নেকি? অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহে পূৰ্বৰ প্ৰভাৱশালিতা হেৰুৱাইছে যদি কিয়? বৰ্তমানৰ অভিভাৱক-অভিভাৱিকাসকল ইংৰাজী মাধ্যমৰ শিক্ষা-ব্যৱস্থাৰ প্ৰতি ইমান আগ্ৰহী কিয়?

অসমত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ দ্ৰুত প্ৰসাৰৰ কথা ক'বলৈ গ'লে এটা প্ৰশ্ন সততে মনলৈ আহে যে কোনটো শ্ৰেণীৰ লোকৰ সন্তানে প্ৰথমাৱস্থাত ইংৰাজী মাধ্যম গ্ৰহণ কৰিলে? নগৰাঞ্চলত প্ৰথমে গা কৰি উঠা এনে বিদ্যালয়সমূহত প্ৰতিষ্ঠিত সাহিত্যিক, শিক্ষাবিদ আদি উচ্চ শ্ৰেণীৰ লোকসকলে নিজৰ নিজৰ সন্তানক অন্তৰ্ভুক্ত কৰালে। এই শ্ৰেণীৰ লোক যথেষ্ট অভিজ্ঞ। মাতৃভাষাৰ প্ৰয়োজনীয়তা কিমান তেওঁলোকে জানে। তথাপি নিজৰ সন্তানৰ শিক্ষাত অসমীয়া ভাষাক দ্বিতীয় স্থানত ৰাখি ইংৰাজীক প্ৰথম স্থান দিয়াৰ অৰ্থ এইটো নেকি যে অসমীয়া ভাষা-সাহিত্য বা অসমীয়া ভাষাৰ ওপৰত তেওঁলোকৰ ভৰসা নাই? অসমীয়া ভাষাই এজন ছাত্ৰৰ বৌদ্ধিক উন্নতিত কোনো সহায় নকৰে, — এয়ে হয়তো তেওঁলোকৰ ধাৰণা। এনে অভিভাৱকৰ মনত এই ধাৰণাৰ মূলতে কি? অসমীয়া ভাষাত বৌদ্ধিক বিকাশৰ উপযুক্ত গ্ৰন্থ নাই নেকি? আন এটা দিশত চকু থ'লে দেখা যায়, কোনো এজন ছাত্ৰ বিদেশত বা অসমৰ বাহিৰৰ শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে ইংৰাজী ভাষা-জ্ঞান থকাটো নিতান্তই প্ৰয়োজনীয়। তাত কাৰো দ্বিমত নাই। কিন্তু সেই ছাত্ৰজনে কেৱল অসমক এৰি যোৱাৰ প্ৰৱণতাতে ইংৰাজী শিক্ষা গ্ৰহণ কৰে নেকি? অসমীয়া ভাষাৰ প্ৰতি তেওঁ কিমান দায়িত্বশীল? তেওঁ ইংৰাজী বা তেনে আন ভাষাৰপৰা বছা বছা গ্ৰন্থ

অসমীয়ালৈ অনুবাদ কৰি অসমীয়া ভাষাৰ সাহিত্যৰ ভঁৰাল চহকী কৰিছেনে? এটা ভাষাৰপৰা আন এটা ভাষালৈ অনুবাদ কৰিবলৈ সংশ্লিষ্ট দুয়োটা ভাষাতে ব্যুৎপত্তি থকাটো অতি দৰকাৰী। কিন্তু তেনে একোজন ছাত্ৰৰ অসমীয়া ভাষা-জ্ঞান কিমান? ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ কথা বাদ দি যদি আমি অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ কথাকে ধৰোঁ, তেওঁলোকৰ অসমীয়া ভাষাৰ ওপৰত কিমান দখল আছে? বহু ক্ষেত্ৰত উত্থাপিত হয় যে এজন অসমীয়া মাধ্যমৰ ছাত্ৰই কেৱল হাইস্কুল পৰ্যায়লৈকে অসমীয়া মাধ্যমত পঢ়িলেই অসমীয়া ভাষাত ব্যুৎপত্তি লাভ কৰে। ই কিমান দূৰ সত্য? হাইস্কুল পৰ্যায় বাদেই দিলোঁ, স্নাতক পৰ্যায়ৰ এজন ছাত্ৰ অসমীয়া ভাষাৰ ওপৰত কিমান দক্ষ? এই কথাষাৰ নিৰ্ভৰ কৰিব ছাত্ৰ জনৰ প্ৰাথমিক শিক্ষাৰ ওপৰত। ইয়াত এটা প্ৰশ্ন উত্থাপিত হয় যে প্ৰাথমিক পৰ্যায়ত এজন ছাত্ৰক ভাষাৰ শিক্ষা দিয়া হয় নে সাহিত্যৰ?

ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি বৰ্তমান সময়ৰ অভিভাৱক-অভিভাৱিকাসকলৰ ইমান আগ্ৰহ কিয়? ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ জাক-জমকতা নে, অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহৰ অপাৰগতা? ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পোৱা স্বাস্থ্যকৰ পৰিৱেশ অসমীয়া মাধ্যমৰ বিদ্যালয়ত নাই নেকি? অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ সামাজিক দায়বদ্ধতা কিমান? দুয়োটা মাধ্যমৰ বিদ্যালয়সমূহৰ মাজত তুলনা কৰিলে কি কি কাৰণত অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ পিছ পৰি যায়? বৰ্তমান সময়ত বহু কাৰণত চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ শৈক্ষিক মান কমি গৈছে বুলি ক'ব পাৰি। বৰ্তমান সৰ্বশিক্ষাৰ সময়। য'ত গুৰুত্ব দিয়া হয় সাক্ষৰতাৰ হাৰৰ ওপৰত, সাক্ষৰতাৰ প্ৰক্ৰিয়াৰ ওপৰত নহয়। য'ত পৰিণামতকৈ পৰিমাণৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। এনে ব্যৱস্থাৰ ফলত "এনেয়েও পাছ কৰিমেই দেখোন, নপঢ়িলেও হ'ব" — এনে এটা ভাৱে হয়তো ছাত্ৰ-ছাত্ৰীৰ মনত খোপনি পুতিছে। লগতে মধ্যাহ্ন ভোজন আঁচনিয়ে শিক্ষকসকলৰ মাজত আদ্দাৰ বাবে যথেষ্ট সময় ৰাহি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে এখন কিতাপ বেগত সুমুৱাবলৈ



পাহৰি গ'লেও কঁহীখন কিন্তু ঠিক মনত ৰাখে। আনহাতে এই প্ৰক্ৰিয়াই মুষ্ঠিমেয় শিক্ষকক পঠনীয় বিষয়তকৈ আলু-পিয়াঁজৰ দৰ-দামৰ ওপৰতহে অধিক সময় ব্যয় কৰিবলৈ বাধ্য কৰাইছে। এইবোৰ বিষয়ে প্ৰাথমিক শিক্ষাখণ্ডত পূৰ্বৰ ঐতিহ্য বহন কৰিব পাৰিছেনে?

বৰ্তমান মানৱাধিকাৰ আইনে শিক্ষকৰ স্বতন্ত্ৰতাক কাঢ়ি লৈ গ'ল। ফলত শিক্ষকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ভয় ভাৱৰ লগে লগে ভক্তি ভাৱ নাইকীয়া হৈ গ'ল। লগতে ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকৰো কৰ্মৰ প্ৰতি গাফিলতিয়ে গা কৰি উঠিছে। সাম্প্ৰতিক সময়ৰ প্ৰতিযোগিতামুখী শিক্ষা ব্যৱস্থাত ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী বেছি আগৰণুৱা। কাৰণ তেনে বিদ্যালয়ত শিক্ষাৰ লগতে আনুষংগিক বিষয়ৰ ওপৰত শিক্ষা দিয়াটো সমানে গুৰুত্ব দিয়ে। চৰকাৰী অসমীয়া বিদ্যালয়সমূহত গীত-নৃত্য, অভিনয়, কুইজ, বক্তৃতা আদিবোৰৰ ব্যৱস্থা নাই নেকি? যদি আছিল বৰ্তমানৰ অৱস্থা কেনেকুৱা? ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত উপযুক্ত শিক্ষকৰ দ্বাৰা সুসংহত ভাৱে বিদ্যায়তনিক বিষয়ৰ লগতে আনুষংগিক বিষয়ৰ ওপৰতো শিক্ষা দিয়াৰ ব্যৱস্থা আছে। কিন্তু বৰ্তমান অসমৰ বহু অঞ্চলত এজন বা দুজন শিক্ষকেই এখন বিদ্যালয় চলোৱাৰ উদাহৰণ অতি সুলভ। গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহে ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ স'তে সমানে ফেৰ মাৰিব পাৰিছেনে? এই প্ৰশ্ন হয়তো বহুতৰ মনত এতিয়াও জাগ্ৰত। প্ৰাথমিক পৰ্যায়ত শিক্ষাব্যৱস্থা বিজ্ঞানসন্মত হৈছেনে? বৰ্তমান অসমৰ শিক্ষক নিযুক্তিত দেখা দিয়া বেমেজালিয়ে শিক্ষা-প্ৰক্ৰিয়া বিজ্ঞানসন্মত হোৱাৰ পৰা নিশ্চয় আঁতৰাই ৰাখিছে। শিক্ষকসকলে এনে সময়ত নিজৰ পদটোক লৈ পৰিয়ালক লৈ চিন্তা কৰিব নে, শিক্ষা-প্ৰক্ৰিয়া বিজ্ঞানসন্মত কৰাত মূৰ ঘমাব? এই নিযুক্তিৰ বিসংগতিৰ বাবে শিক্ষকসকলে বৰ্তমানৰ উন্নত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নতুন নতুন তথ্যৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ বাবে তেওঁলোকৰ সময়ৰ লগতে অৰ্থৰ অভাৱ

**অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ শিক্ষাৰ মান নিম্নগামী হোৱাত শিক্ষকসকলো সম্পূৰ্ণ দোষমুক্ত নহয়। বৰ্তমানৰ মূল্যবৃদ্ধিৰ সময়ত শিক্ষকসকলৰ প্ৰায়ভাগেই (সকলো নিশ্চয় নহয়) দৰমহাৰ সংকটত পৰে। কেইবামাহলৈকে দৰমহা নোপোৱাৰ বাবে সংশ্লিষ্ট শিক্ষকসকলে দৰমহাৰ চিন্তাত অধিক মনোনিৱেশ কৰিবলগীয়া হয়। ফলত শ্ৰেণীত পাঠদানত নিশ্চয় তেওঁলোকৰ মন নবহে।**

ৰ প্ৰায়ভাগেহ (সকলো নিশ
বে সংশ্লিষ্ট শিক্ষকসকলে দ
নত নিশ্চয় তেওঁলোকৰ মন



ঘটে। ফলত ছাত্ৰ-ছাত্ৰীসকল পাঠ্যপুথিৰ জ্ঞানৰ বাহিৰে কোনো বাহিৰা জ্ঞান আহৰণ কৰাৰ সুবিধা নাপায়।

অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ শিক্ষাৰ মান নিম্নগামী হোৱাত শিক্ষকসকলো সম্পূৰ্ণ দোষমুক্ত নহয়। বৰ্তমানৰ মূল্যবৃদ্ধিৰ সময়ত শিক্ষকসকলৰ প্ৰায়ভাগেই (সকলো নিশ্চয় নহয়) দৰমহাৰ সংকটত পৰে। কেইবামাহলৈকে দৰমহা নোপোৱাৰ বাবে সংশ্লিষ্ট শিক্ষকসকলে দৰমহাৰ চিন্তাত অধিক মনোনিৱেশ কৰিবলগীয়া হয়। ফলত শ্ৰেণীত পাঠদানত নিশ্চয় তেওঁলোকৰ মন নবহে। আনহাতে গ্ৰামাঞ্চলৰ শিক্ষকক গাঁৱৰ প্ৰতিজন লোকেই অকপটে "পণ্ডিত" আখ্যা দিয়ে। পণ্ডিতৰ ওপৰত মাত মতাৰ সাহস কোনেও কৰিব নোৱাৰে বা নিবিচাৰে। তেনেস্থলত পণ্ডিতজনেই সেই অঞ্চলটোৰ ভিতৰত অগ্ৰস্থানীয় ব্যক্তি হৈ পৰে। সেই পণ্ডিতসকলে যি কয় তাকে অভিভাৱক-অভিভাৱিকাই শিলৰ ৰেখাৰ দৰে মানি লয়। তাৰ বাবে পণ্ডিতজনৰ শিক্ষাদানত যদি কেতিয়াবা অজানিতে আসোঁৱাহো থাকি যায়, তথাপি তেওঁৰ মূল্যায়ণ কোনেও নকৰে। এনে বহু শিক্ষক-শিক্ষয়িত্ৰী আছে যি হয়তো "আহিছো গৈছো দৰমহা কেইটা লৈছোঁ" — মনোভাৱৰ অধিকাৰী। ইংৰাজী মাধ্যমত নথকা আন এটা প্ৰথা অসমীয়া মাধ্যমত দেখা যায় — চাহমেল প্ৰথা। মুষ্টিমেয় সৎ, শ্ৰদ্ধাৱান শিক্ষকৰ বাদে বহু বিদ্যালয়ৰ শিক্ষকেই বন্ধৰ সুবিধা আদায় কৰে। 'অসম বন্ধ' নামৰ এই সাপ্তাহিক উৎসৱটোৰ সুবিধাতে বহু বিদ্যালয়ে বন্ধ পালন কৰে, যিটো ইংৰাজী মাধ্যমৰ বিদ্যালয় দেখা পোৱা নাযায়।

ইংৰাজী মাধ্যমত নথকা আন এটা প্ৰথা অসমীয়া মাধ্যমত দেখা যায় — চাহমেল প্ৰথা। মুষ্টিমেয় সৎ, শ্ৰদ্ধাৱান শিক্ষকৰ বাদে বহু বিদ্যালয়ৰ শিক্ষকেই বন্ধৰ সুবিধা আদায় কৰে। 'অসম বন্ধ' নামৰ এই সাপ্তাহিক উৎসৱটোৰ সুবিধাতে বহু বিদ্যালয়ে বন্ধ পালন কৰে, যিটো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত দেখা পোৱা নাযায়।

অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ শিক্ষাৰ মান নিম্নগামী হোৱাৰ আন এটা বিশেষ কাৰণ হ'ল চৰকাৰী দায়িত্ব। প্ৰায়বোৰ চৰকাৰী সামাজিক কাম-কাজ সমাপণ কৰিবৰ বাবে চৰকাৰে যেন প্ৰাথমিক, মাধ্যমিক, উচ্চ-মাধ্যমিক পৰ্যায়ৰ শিক্ষকসকলকহে বিচাৰি পায়। এনে চৰকাৰী দায়িত্ব পালনত মনোনিৱেশ কৰাৰ ফলত শিক্ষাদান প্ৰক্ৰিয়াত নিশ্চিত ভাৱে ব্যাঘাত জন্মে। আন এক কথাত ক'ব পাৰি যে প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকলৰ মাজত থকা সাম্প্ৰদায়িকতাৰ মনোভাৱে সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সমদৃষ্টি পোষণ কৰাত বাধা দিয়ে। এনে কেতবোৰ দৃশ্যমান বা অদৃশ্য কাৰণৰ বাবে অসমীয়া মাধ্যমৰ শিক্ষাৰ মান নিম্নগামী হৈছে, যাৰ ফলত সচেতন অভিভাৱক-অভিভাৱিকাই নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নাম ভৰ্তি কৰিবলৈ বাধ্য হয়। ফলত ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা-সাহিত্যৰপৰা স্বতস্ফূৰ্তভাৱে আঁতৰি আছে আৰু ইংৰাজী ভাষা ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। এনেকৈ চলি থাকিলে অসমীয়া ভাষা সংকটাপন্ন অৱস্থাৰ পৰা উদ্ধাৰ হ'বনে? তাৰ বাবে কোনে দায়িত্ব ল'ব? প্ৰাথমিক শিক্ষাখণ্ডত এনেকৈ, বিজ্ঞানসন্মত আৰু আনন্দদায়ক শিক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'বনে?

ভাৰতীয় ভাষাসমূহৰ ভিতৰৰে ১৮টা স্বীকৃত ভাষাৰ ভিতৰত অন্যতম অসমীয়া ভাষা প্ৰচলিত অসমৰ চৰকাৰী অফিচ কাছাৰীৰ অসমীয়া ভাষা প্ৰচলন বাধ্যতামূলক কৰাৰ বাবে চৰকাৰী মাননি দিয়াৰ প্ৰয়োজনীয়তাই অসমীয়া ভাষাৰ দুৰৱস্থা প্ৰমাণ কৰে। অসমীয়া ভাষা প্ৰচাৰৰ বাবে এতিয়া পুনৰ ব্যৱস্থা গ্ৰহণ কৰিব লগা অৱস্থা আহি পৰিছে। বৰ্তমান সময়ত প্ৰায়ভাগ অসমীয়া ছাত্ৰ-ছাত্ৰীয়েই অসমীয়া ভাষা শুদ্ধকৈ ক'ব নোৱাৰে। উচ্চ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়েই নহয়, স্নাতক পৰ্যায়ৰ বা তাতকৈ ওপৰৰ ছাত্ৰ-ছাত্ৰীৰ বহুতেই অসমীয়া ভাষাৰ শুদ্ধ প্ৰয়োগ নাজানে। এনে বিপদৰপৰা ৰক্ষা পাবলৈ স্নাতকোত্তৰ পৰ্যায়ত বাধ্যতামূলক ভাৱে আনুষংগিক বিষয় হিচাপে অসমীয়া বিষয়টোক অন্তৰ্ভুক্ত কৰিব পাৰি নেকি বিদ্বৎ সমাজে চিন্তা কৰি চাব। কাৰণ অসমীয়া বিষয়টোৰ বাদে স্নাতকোত্তৰ পৰ্যায়ত কোনো বিষয়তেই অসমীয়া ভাষাৰ প্ৰয়োগ নাই। যাৰ ফলত দুটা বছৰ সেই পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল বাধ্যতামূলকভাৱে অসমীয়া ভাষা-সাহিত্যৰপৰা আঁতৰি থাকিব লগা হয়।

অসমীয়া ভাষাৰ সংকটাৱস্থাৰ বাবে কেৱল আন কোনো ভাষাক দোষাৰোপ কৰাতকৈ এনে ধৰণৰ কাৰণবোৰ বিশ্লেষণ কৰি চালে নিশ্চয় সুফল আশা কৰিব পাৰি।

# এজনী অহংকাৰী ছোৱালী



ৰীমা খাতুন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এখন দেশত এজন ৰজা আছিল। তেওঁৰ এজনী জীয়েক আছিল। নাম চন্দ্রপ্রভা। সৰুৰেপৰা মৰম চেনেহৰ মাজেৰে চন্দ্রপ্রভাই দিন কটাবলৈ ধৰিলে।

এদিন দুদিনকৈ চন্দ্রপ্রভা ডাঙৰ হ'ল। চন্দ্রপ্রভাক ৰজাই যি শিক্ষা দিছিল সেই শিক্ষা তাই নল'লে। সেয়ে চন্দ্রপ্রভাক লৈ ৰজা নানা সমস্যাত পৰিল। চন্দ্রপ্রভাৰ অহংকাৰৰ কাৰণে তাইক কোনেও ভাল নোপোৱা হ'ল। বিশেষকৈ তাইৰ দীঘল চুলি কোছাক লৈ তাইৰ বৰ অহংকাৰ।

এদিনাখন বাহিৰত বহি চন্দ্রপ্রভাই মূৰ ফণিয়াই আছিল। এনেতে এগৰাকী বুঢ়ী আহি ক'লে, 'আই, মই তোমাৰ চুলিকোছা আৰু ধুনীয়া কৰি দিব পাৰিম।' তেতিয়া চন্দ্রপ্রভা দৌৰ মাৰি আহি বুঢ়ীক ক'লে ঃ 'আইতা, তোমাক যি লাগে মই তাকেই দিম। তুমি মোৰ চুলিকোছা আৰু ধুনীয়া কৰি দিয়াঁ। মোৰ দৰে চুলি যেন এই পৃথিৱীত আৰু কাৰোৰেই নহয়। তেনে কৰি দিব পাৰিবানে আইতা?' চন্দ্রপ্রভাৰ কথা শুনি বুঢ়ীয়ে ক'লে ঃ 'পাৰিম, আই পাৰিম। কিন্তু এই কাম ইয়াত কৰিব নোৱাৰি আই। সৌ হাবিখন দেখিছানে আই? তাতহে ইয়াৰ ঔষধ আছে। তুমি জানো যাব পাৰিবা? তোমাৰ পিতাৰা হৈছে এই ৰাজ্যৰ ৰজা। তোমাক জানো যাবলৈ দিব আই?' বুঢ়ীৰ কথা শুনি চন্দ্রপ্রভাই ক'লে, "আইতা আজি পিতাই নাই ঃ মই এতিয়াই তোমাৰ লগত যাওঁ বলা আইতা।' পলম নকৰি বুঢ়ী আৰু চন্দ্রপ্রভা হাবিলৈ গুচি গ'ল। হাবিৰ মাজত এটা ধুনীয়া ৰাজকাৰেং দেখি চন্দ্রপ্রভা আচৰিত হ'ল আৰু বুঢ়ীক ঘৰটো কাৰ সুধিলে। বুঢ়ীয়ে তেতিয়া এটা হাঁহি মাৰি ক'লে ঃ 'অহংকাৰী ছোৱালী। চুলিকোছাক লৈ তই বৰ অহংকাৰ কৰিছিলি নহয়। তাৰ ফল আজি ভোগ কৰি বি। মই কোনো মানুহ নহওঁ। মই এই হাবিৰ ডাইনী বুঢ়ী। আজিৰপৰা তই হ'বি মোৰ লিগিৰী। মোৰ সকলো কাম আজিৰপৰা তই কৰিবি। নহ'লে মই তোক কেঁচাই কেঁচাই খাই পেলাম।'

বুঢ়ীৰ কথা শুনি চন্দ্রপ্রভাই কান্দিবলৈ ধৰিলে আৰু ক'লে ঃ 'আইতা, তুমি মোক নাখাবা। মই কেতিয়াও আৰু অহংকাৰ নকৰোঁ। মোক থৈ আহাঁ আইতা। চন্দ্রপ্রভাৰ কথা শুনি বুঢ়ীয়ে খিলখিলাই হাঁহিবলৈ ধৰিলে আৰু যাদুৰ লাঠিডালেৰে চন্দ্রপ্রভাক তৎক্ষণাত এটা মেকুৰী সজাই পেলালে।

চন্দ্রপ্রভাৰ অহংকাৰৰ কাৰণে ডাইনী বুঢ়ীৰ হাতত পৰি এটা মেকুৰী হ'ল । সেয়ে কোৱা হয় — অহংকাৰে মানুহৰ পতন ঘটায়।

# অনুৰাধা তুমি সঁচাকৈয়ে ........

বন্তি সোনোৱাল
স্নাতক প্ৰথম বৰ্ষ



আজি বহু চেষ্টা কৰিও কৌশিকে টোপনি যাব পৰা নাই। ঘৰখন নিৰ্জনতাৰে ভৰি আছে। সকলোৱে নিতাল মাৰি নিদ্ৰাদেৱীৰ কোলাত শুই পৰিছে। আজি দিনটো কৌশিকে নিজকে বহুত সুখী যেন অনুভৱ কৰিছে। সিহঁতৰ মৰমৰ জান্তুক সকলোৱে অভিনন্দন জনাবলৈ আহিছে, কোনোৱে ফুলৰ থোপা যাচিছে, কিছুমানে হাতত মিঠাইৰ টোপোলা লৈ আহিছে। আজি জান্তুৱে নিজকে এজন সুপ্ৰতিষ্ঠিত চিকিৎসক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

জান্তুৰ সফলতাৰ বাবে কৌশিকে যেন অনুৰাধাৰ ওচৰত চিৰকৃতজ্ঞ। জান্তু অনুৰাধাৰ নিজৰ সন্তান নহ'লেও তেওঁ এগৰাকী মাতৃৰ দায়িত্ব পালনত কেতিয়াও পিছ হুঁহকি অহা নাই। জান্তুৱে আজিলৈকে নাজানে অনুৰাধা তাৰ জন্মদাত্ৰী নহয়।

টেঙাখাতৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি শিখাই ডিব্ৰুগড়ৰ কানৈ কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰে। তাইক দেউতাকে বহুত কষ্ট কৰি পঢ়ুৱাইছিল। তাই গান গাই ভাল পাইছিল বাবে কলেজৰ বাৰ্ষিক সন্মিলনত গান গাইছিল। তাইৰ গান শুনি সকলো মুগ্ধ হৈছিল আৰু বহুতে বন্ধুত্ব গঢ়াৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল। কৌশিককো প্ৰথমতে তাই বন্ধু বুলিয়েই গ্ৰহণ কৰিছিল। কিন্তু পিছলৈ সিহঁতৰ মাজত প্ৰেম নামৰ এটা সম্পৰ্কহে গঢ় লৈ উঠিল। চাওঁতে চাওঁতে কেতিয়া সিহঁতে কলেজৰপৰা বিদায় মাগিলে গমকে নাপালে। শিখাই স্নাতক ডিগ্ৰী লাভ কৰি গাঁৱৰে অস্থায়ী স্কুল এখনত নিয়োজিত হ'ল আৰু কৌশিকে বেংকত এটা চাকৰি পালে।

কৌশিকৰ ঘৰত তাৰ বিয়াৰ কাৰণে বৰকৈ জোৰ দিছে। সি ঘৰত ঘোষণা কৰি দিলে যে সি বিয়া কৰালে শিখাকে কৰাব নহ'লে চিৰকুমাৰ হৈয়ে ৰ'ব। মাকে তেতিয়া বাৰে বাৰে কৈছিল সদায় নিজৰ Status-অৰ লগত মিলাইহে সম্পৰ্ক গঢ়িব লাগে, নহলে সমাজত লাজ পোৱা যায়। কিন্তু কৌশিকে কোনোপধ্যেই শিখাক হেৰুৱাব নোখোজে। অৱশেষত সিয়েই সংগ্ৰামত জয়ী হ'ল আৰু শিখাৰ লগত তাৰ বিয়া হ'ল।

বিয়াৰ পিছত তিনিমাহমান থাকি কৌশিকে চাকৰিৰ ঠাই গুৱাহাটীলৈ গুচি গ'ল আৰু শিখা শাহুৱেক-শহুৰেকৰ লগত ঘৰতে থাকিল। এইদৰে সময়বোৰ পাৰ হৈ গ'ল আৰু লাহে লাহে তাই অনুভৱ কৰিলে যে তাইক শাহুৱেক আৰু কৌশিকৰ ভনীয়েকে প্ৰতিটো কথাতে খেচখেচাই থাকে কাৰণ তাই ঘৰৰপৰা দামী যৌতুক অনা নাই। কৌশিক ঘৰলৈ আহিলে সকলোৱে তাইক মৰম চেনেহ দেখুৱায় কিন্তু



সি গ'লেই তাকৌ আগৰ অৱস্থা আহে। কৌশিকক কথাটো ক'ম বুলি ভাৱিও তাই নকয়, শুনিলে সি কষ্ট পাব বুলি। এবছৰৰ মূৰত সিহঁতৰ প্ৰেমৰ সাক্ষী হৈ জান্তু আহিল। শিখাই জান্তুক পাই সকলো দুখ-কষ্ট পাহৰিলে। জান্তুৰ জন্মদিনৰ বাবে কৌশিক পোন্ধৰ দিনৰ ছুটী লৈ আহিল আৰু ছয়মাহমানৰ পিছত শিখাকো গুৱাহাটীলৈ লৈ যাব বুলি তাইক জানিবলৈ দিলে। কৌশিকৰ কথা শুনি শিখাৰ মুখখন আনন্দতে জিলিকি উঠিল আৰু সেই দিনটো অতি সোনকালে আহক বুলি ভগৱানক প্ৰাৰ্থনা কৰিলে।

কৌশিকে সপোনতো ভবা নাছিল যে তাৰ মৰমৰ শিখাজনীয়ে তাক এই সংসাৰত অকলে এৰি থৈ গুচি যাব। জান্তুক কোলাত লৈ সি একেথৰে শিখালৈ চাই ৰ'ল। সি যেন কান্দিবলৈ পাহৰিলে। তাৰ অৱস্থা দেখি কোনোৱে তাক মাতিবলৈ সাহস কৰা নাই। সকলোৱে সান্ত্বনা দিলে — ভাগ্যত যি আছিল সেয়া হৈ গ'ল, তাকে চিন্তা কৰি নিজকে কষ্ট দি একো লাভ নাই। আনে যিমান ক'লেও সি সেইটো স্বীকাৰ কৰি ল'ব পৰা নাই আৰু হয়তো কেতিয়াও নোৱাৰে। এইদৰে ছয়মাহমান পাৰ হৈ গ'ল। কৌশিকৰ ঘৰত তাক আকৌ বিয়া কৰিবলৈ জোৰ কৰিছে। কৌশিকে দ্বিতীয় বিৱাহ নকৰাম বুলি ভাবিছিল যদিও জান্তুৰ ভৱিষ্যতৰ কথা ভাবি বিয়াত সন্মতি দিলে আৰু অনুৰাধাক পত্নীৰূপে স্বীকাৰ কৰিলে। এইবাৰ কৌশিকে অনুৰাধাক চাকৰিস্থলীলৈ লৈ গ'ল।

অনুৰাধায়ো জান্তুক নিজৰ ল'ৰাৰ দৰে মৰম কৰে।

এইবাৰ একেলগে বিহুটি কটাম বুলি কৌশিক-অনুৰাধা নিজৰ গাঁৱৰ ঘৰলৈ আহিছে। এদিন আমনি লগাত অনুৰাধাই কমৰ ভিতৰত থকা এটা পুৰণি বাকচ খুলি চালে আৰু বাকচটো খুলি ফটোৰ এলবামবোৰ চাই থাকোঁতে হঠাৎ এখন কাগজৰ ওপৰত তাইৰ চকু পৰিল। কাগজখিলা পঢ়ি অনুৰাধাৰ দুচকুৰেদি বাৰিষাৰ বৰষুণৰ দৰে চকুপানী বৈ আহিল। কৌশিকৰ উপস্থিতিও তাই গম নাপালে। অনুৰাধাক তেনে অৱস্থাত দেখি আচৰিত হৈ কি হ'ল বুলি সোধাতো তাইৰ মুখৰপৰা এষাৰো মাত নোলাল। কৌশিকে ইফালে সিফালে চাওঁতে তাইৰ হাতত এখন কাগজ দেখা পালে আৰু ভয়ে ভয়ে কাগজখন খুলি চালে। সেয়াচোন এখন চিঠি আৰু আখৰখিনি সি চিনি পাইছে। তাত যিখিনি লিখা আছিল সেইখিনি পঢ়ি কৌশিক ক'ৰবাত যেন কিবা হৈ গ'ল। মোক মা আৰু ভন্টীয়ে প্ৰতিটো কথাতে খেচ্খেচাই থাকে। কাৰণ মই লগত দামী যৌতুক অনা নাই। মই নিজৰ ভাগ্যকে দুখ দি মনে মনে কান্দো। কৌশিক, তুমি আহিলে সকলোৱে মোক মৰম কৰি দেখুৱায়। কথাটো তোমাক ক'ম বুলি ভাবিছিলোঁ কিন্তু তোমাৰ মুখখন দেখি মই ক'বলৈ সাহস গোটাব নোৱাৰিলোঁ। মই নিজৰ কষ্ট হ'লেও তোমাৰ আৰু জান্তুৰ বাবেই জীয়াই থাকিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু মোৰ চেষ্টা ব্যৰ্থ হ'ল। কৌশিক তুমি যে জান্তুৰ জন্মদিনত মোলৈ এখন শাড়ী আনিছিলা, এদিন তোমালৈ বৰকৈ মনত পৰাত শাড়ীখনকে গাত মেৰিয়াই চাইছিলোঁ। তেতিয়া মায়ে কি কৈছিল জানা— এইবোৰ কেতিয়াবা বাপেৰৰ ঘৰত দেখি পাইছিলি? আজি শেষবাৰৰ বাবে কেইটামান কথা লিখিলোঁ আৰু হয়তো কেতিয়াও লিখিবলৈ সুবিধা নাপাম। তুমি জান্তুক চাবা আৰু পাৰিলে তাক মাকৰ মৰমৰপৰা বঞ্চিত নকৰিবা। মোৰ গাটো একেবাৰে বেয়া। মাহঁতক ক'লেও কাম কৰাৰ এলাহত ভেশচন ধৰিছোঁ বুলি কয় আৰু ঘৰৰপৰা কেনিও ওলাই যাবলৈ নিদিয়ে। মই এতিয়া কি কৰো কোৱাঁ?

শিখাই যে ইমান কষ্টেৰে জীয়াই আছিল সেই কথা কেতিয়াও কৌশিকে গমেই পোৱা নাছিল। শিখা-কৌশিকৰ বিয়াৰ কথা চলি থকা সময়ত শিখাক হেনো ওচৰৰ মিনতি পেহীয়ে কৈছিল — " আই বাওনা হৈ চন্দ্ৰলৈ হাত মেলিছ, চাবি যাতে খহি নপৰ।" ধনী মানুহে আমাৰ মৰম চেনেহ একো বুজি নাপায় । সিহঁতে মাত্ৰ টকা-পইচাহে চিনি পায়। এইখিনি কথা কৈ তাই কৌশিকক কৈছিল ঃ মই জানো তুমি কেতিয়াও এনে নকৰাঁ, তোমাৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে।

কৌশিকে আজিহে গম পালে সি যে কেতিয়াবাই শিখাৰ বিশ্বাস হেৰুৱাই পেলাইছিল। এইবোৰ কথা গম পোৱাৰ পিছত সি শান্তিৰে থাকিব পৰা নাই আৰু ঘৰৰ মানুহবোৰৰ ওপৰত তাৰ ঘৃণা উপজিল।

সেইটো ঘটনাৰ পাছদিনাই কৌশিক-অনুৰাধাহঁত গাঁৱৰ ঘৰৰপৰা গুচি আহিল আৰু দুয়ো প্ৰতিজ্ঞাবদ্ধ হ'ল যে সিহঁতে দ্বিতীয় সন্তান জন্ম নিদিয়ে। কৌশিকেও মন কৰিছে অনুৰাধাই কেতিয়াও জান্তুক তাইৰ নিজৰ সন্তান নহয় বুলি ভবা নাই। এগৰাকী মাতৃৰ সকলো দায়িত্ব অতি সুকলমে পালন কৰি আহিছে। সি এবাৰ অনুৰাধাৰ শুই থকা মুখখনলৈ চাই ভাবিলে অনুৰাধা আৰু তাৰ মাকৰ মাজত কিমান পাৰ্থক্য আছে। অনুৰাধা জান্তুৰ নিজৰ জন্মদাত্ৰী নহয় অথচ তাৰ কাৰণে কিমান কষ্ট কৰি আহিছে আৰু তাৰ মাকে তাৰ মৰমৰ শিখাজনীক তাৰপৰা আঁতৰাই পেলালে। কৌশিকৰ মুখৰপৰা ক'ব নোৱাৰাকৈয়ে ওলাই পৰিল ঃ অনুৰাধা তুমি সঁচাকৈয়ে মহান।

জয়ন্ত গগৈ
স্নাতক ১ম বৰ্ষ

# পাহৰি হেৰুওৱা অতীত


নিৰয়ণ হৈছে এজন অভিজ্ঞ কম্পিউটাৰ ছফটৱেৰ ইঞ্জিনিয়াৰ আৰু এজন গৱেষক। বিভিন্ন বিষয়ৰ ছফটৱেৰ আৱিষ্কাৰ কৰিছে যদিও তেওঁ বৰ্তমানলৈকে যিবোৰ আৱিষ্কাৰ কৰিলে সেইবোৰ তেওঁৰ অনুসন্ধানৰ বিষয় নহয়। নিৰয়ণ এজন ইঞ্জিনিয়াৰ আৰু গৱেষক হোৱাৰ উপৰিও এজন দায়িত্বশীল সাংসাৰিক ব্যক্তি। তেওঁৰ পত্নী অৰ্থাৎ নিৰুপমাও এগৰাকী ব্যস্ত মহিলা। তেওঁ গাঁও এখনৰ প্ৰাইমেৰী স্কুলত বিনামূলীয়া পাঠদান দিয়াৰ উপৰিও এগৰাকী সফল সমাজ সেৱিকা। ব্যস্ততাই তেওঁলোকৰ সাংসাৰিক জীৱনত কোনো ধৰণৰ অশান্তি সৃষ্টি কৰা নাই। তেওঁলোকে নিজৰ জীৱনক লৈ পৰম আনন্দিত। ব্যস্ততা আৰু সুখ স্বাচ্ছন্দ্যৰ মাজতে তেওঁলোকৰ মাজলৈ আহিল এটি কণমানি শিশু। কণমানি নৱজাতকটোৱে তেওঁলোকলৈ কঢ়িয়াই আনিলে অন্য এক সুখৰ বতৰা। তেওঁলোকে তাৰ নাম থ'লে নিতুল।



ইমানবোৰ সুখ-আনন্দৰ মাজতে হঠাৎ ক'ৰবাৰপৰা ক'লা ডাৱৰ আহি তেওঁলোকৰ জীৱনক আৱৰি ধৰিলে। নিৰয়ণ আৰু নিৰুপমা যিদিনাখন কণমানি নিতুলক লৈ চিকিৎসালয়ৰপৰা ঘৰলৈ বুলি ৰাওনা হৈছিল সেইদিনাই তেওঁলোকৰ জীৱনৰ আটাইতকৈ বেদনাময় দিন। যিখন গাড়ীত তেওঁলোক ঘৰলৈ ৰাওনা হৈছিল সেইখন আছিল গেছৰ দ্বাৰা চালিত। গাড়ীখন নিৰয়ণে নিজেই চলাই আহিছিল। গাড়ীখনৰ সৈতে তেওঁলোক ঘৰৰ পদূলি পালেহি। নিৰয়ণে গাড়ীখন ৰাখি নিৰুপমাক ক'লে, 'নিতুলক মোক দিয়াঁ আৰু তুমি লাহে লাহে আহাঁ।' নিৰুপমাই ক'লে, 'ঠিক আছে তুমি গৈ থাকাঁ; মই ল'ৰাটিৰ কাপোৰখিনি লৈ গৈ আছোঁ'। নিৰয়ণে 'ঠিক আছে' বুলি কৈ ঘৰৰ ফাললৈ আহিল। গাড়ীখনৰ ছিলিণ্ডাৰৰপৰা যে গেছ নিৰ্গত হৈ আছিল সেই কথা তেওঁলোকে গম পোৱা নাছিল। ওচৰেদি যোৱা বাটৰুৱা এজনে দলিয়াই দিয়া জলন্ত চিগাৰেটৰ লগত নিৰ্গত গেছৰ সংস্পৰ্শত তৎক্ষণাত গোটেই গাড়ীখনতে জুয়ে

ছানি ধৰিলে আৰু নিৰুপমা জীৱন্তে গাড়ীৰ ভিতৰত দহি-পুৰি ছাই হ'ল। নিজৰ চকুৰ আগত পত্নীৰ জীৱন্তে দহন দেখি নিৰয়ণ ভাগি পৰিল। এনেকৈয়ে নিৰয়ণৰ জীৱনত এফালে সুখৰ ৰেঙণি আৰু আনফালে দুখৰ উদ্‌গীৰণ হ'ল। তেওঁ ছমাহমান শিশুটিৰ সকলো কাম নিজেই কৰিলে। তাৰ পিতৃ-মাতৃ, আয়া সকলো নিজেই হ'ল। মাজতে এগৰাকী আয়া থৈছিল যদিও তাই দায়িত্ব চমু কৰিবলৈ বিচৰা বাবে তাইক উলিয়াই দিলে।

এদিনাখন ল'ৰাটিৰ বাবে পানী গৰম কৰি থকা অৱস্থাত নিৰয়ণে তাৰ ঘৰৰ কাষতে লাগি থকা সৰু পঁজা এটাৰপৰা বিভিন্ন ধৰণৰ মাকে নিজৰ ল'ৰাটিক দিয়া গালি-গালাজৰ শব্দ শুনিলে। নিৰয়ণে ঘৰৰপৰা ওলাই মানুহজনীৰ ঘৰলৈ গ'ল আৰু ঘৰৰ বাহিৰৰপৰা 'বাইদেউ বাইদেউ' বুলি চিঞৰিলে। মানুহজনী কান্দি কান্দি ওলাই আহি 'কি হ'ল কাক লাগে আপোনাক' বুলি সুধিলে। নিৰয়ণে নিজৰ পৰিচয় দি সকলোবোৰ সোধ-পোছ কৰাত জানিব পাৰিলে যে মানুহগৰাকীৰ কোনো নাই। অকলে কাম কৰি নিজৰ ল'ৰাটোক প্ৰতিপালন কৰে। কিন্তু সেইদিনা ল'ৰাটিয়ে ভাত খোজাত দিব নোৱাৰি ল'ৰাটিকে গালি-গালাজ কৰিছিল। নিৰয়ণে পৰিস্থিতিৰ বুজ লৈ মানুহগৰাকীক ক'লে, 'মই তোমাৰ সকলো অসুবিধা নোহোৱা কৰি দিম। মই তোমাক মোৰ বাইদেউ হিচাপে মানিম আৰু তোমাৰ ল'ৰাটিক মই ভাগিন হিচাপে মোৰ অৰ্ধ সম্পত্তি তাৰ নামত কৰি দিম। কিন্তু মোৰ এটা চৰ্ত হ'ব সেইটো হৈছে মোৰ কণমানি শিশুটিয়ে মাকৰ মমতা যাতে আদায় কৰিবলৈ সক্ষম হয় তাকে তুমি চেষ্টা কৰিব লাগিব'। মানুহগৰাকীয়ে সেই সময়ত কান্দি নিৰয়ণৰ ভৰিত পৰি প্ৰতিশ্ৰুতিবদ্ধ হৈ ক'লে, 'মই আপোনাৰ চৰ্ত মানিম' আৰু ক'লে, 'মই কণমানি নিতুলক তাৰ মাকৰ অভাৱ কেতিয়াও কৰিবলৈ নিদিও'। কিন্তু মানুহৰ মনত যে সম্পত্তিৰ লালসা দ্ৰুততম সেয়া প্ৰমাণ কৰিলে মণিষাই। মণিষাৰ মনত ভাৱ হ'ল যদি নিতুল নাথাকে তেন্তে সমগ্ৰ সম্পত্তিৰ অধিকাৰী হ'ব মণিষাৰ পুত্ৰ জিতেন। সেয়েহে তাই ৰচিলে কণমানি নিতুলৰ বিৰুদ্ধে এক ষড়যন্ত্ৰ। মণিষাই নিতুলৰ আহাৰত দিবলৈ ধৰিলে লঘূ বিষ। যাৰ ফলত নিতুল হৈ পৰিল অসুস্থ। নিৰয়ণে নিতুলৰ স্বাস্থ্যৰ অসুস্থতা দেখি তাক চিকিৎসালয়ত ভৰ্তি কৰালে। ইয়াত মণিষাৰ কু অভিসন্ধি আৰু সহজ হৈ পৰিল। সেই সময়তে চিকিৎসালয়ত নৱজাত শিশুবিলাক হেৰাবলৈ ধৰিছিল আৰু এই অজুহাততে মণিষাই নিজৰ নাটকীয় অভিসন্ধি ৰচিলে। মণিষাই ভাবিলে যদি মই নিতুলক নৈত উটুৱাই দিওঁ তেনেহ'লে সকলোৱে তাকো কোনোৱা দুৰ্বৃত্তই অপহৰণ কৰা বুলি ভাবিব। সেয়েহে নিতুলক নি মণিষাই চিকিৎসালয়ৰ কাষতে থকা নৈত উটুৱাবলৈ লৈ গ'ল। সেই সময়তে তাৰে এজন কৰ্মচাৰীয়ে মণিষাক প্ৰত্যক্ষ কৰি বাধা প্ৰদান কৰিলে। কিন্তু মণিষাই ইয়াতে ক্ষান্ত নাথাকি কৰ্মচাৰীজনকো মৃত্যুৰ ভাবুকি দিলে। কৰ্মচাৰীজনে মণিষাক ক'লে, 'এটি নৱজাতক হত্যা কৰি তুমি কি পাবা? পাপৰ বোজা কিয় নিজৰ মূৰত ল'ব খুজিছা!' তেতিয়া মণিষাই কিছুমান ছলনাময় কথা কৈ আৰু লগতে নিতুলৰ পিতৃ পৰিচয় আদি কৰি সকলোবোৰ সদৰি কৰি ক'লে। কৰ্মচাৰীজনে সকলো কথাৰ বুজ লৈ মণিষাক ক'লে, 'যদি কামটোত সাপো মৰে লাঠিও নাভগা যেন হয় তেন্তে কেনে হ'ব? মণিষাই তেতিয়া বুজি নাপাই মানুহজনক সুধিলে, 'আপুনি কি ক'ব বিচাৰিছে মই বুজিব পৰা নাই।' তেতিয়া মানুহজনে সদৰি ক'লে, 'মোৰ ল'ৰা-ছোৱালী নাই। শিশুটিক মোক দিয়ক মই ইয়াক নিজৰ পুত্ৰ হিচাপে ডাঙৰ দীঘল কৰিম আৰু মই ইয়াক লৈ দূৰণিলৈ গুচি যাম। মণিষাই কথাটোৰ প্ৰতি সঁহাৰি জনাই মানুহজনৰ পৰিচয় সুধি নিতুলক পঠাই দিলে। এনেকৈ সফল হ'ল মণিষাৰ ষড়যন্ত্ৰ। ইফালে নিতুলক বিচাৰি পিতৃ



নিৰয়ণ হাবাথুৰি খাইছে আৰু মণিষায়ো অভিনয় কৰি নিৰয়ণৰ লগতে উজাইছে। সময়ৰ কোবত ছিন্ন-বিচ্ছিন্ন নিৰয়ণে ভাগ্যৰ বশ্যতা স্বীকাৰ কৰিলে আৰু স্বীকাৰ কৰিলে যে কোনোৱা দুৰ্বৃত্তই নিতুলক অপহৰণ কৰিলে।

এনেকৈয়ে পাৰ হৈ গ'ল যোল্লটা বছৰ। এইফালে মণিষাৰ জিতেনো ডাঙৰ হৈ আহিল আৰু বেয়া সংগত পৰি চিগাৰেট, চাধা, ড্ৰাগছ ইত্যাদি মাদক দ্ৰব্যসমূহ সেৱন কৰিবলৈ ধৰিলে। নিৰয়ণো বৰ্তমান এটা গৱেষণাত ব্যস্ত হৈ পৰিল। মণিষা আকৌ নিজৰ পুত্ৰক লৈ চিন্তিত। এদিনাখন দুপৰীয়া সময়ত মণিষা অকলে ঘৰত থকা অৱস্থাত কোনোবা এজন যুৱক আহি উপস্থিত হ'ল। মণিষাই 'কাক বিচাৰিছা' বুলি সোধাত ল'ৰাজনে ক'লে সি হেনো কাম বিচাৰিহে আহিছে। মণিষাই ল'ৰাটোৰ মুখখন চাই ক'লে, 'তুমি ইমান ধুনীয়া ল'ৰা, ইয়াত কাম বিচাৰি আহিছাযে? ল'ৰাজনে ক'লে, 'সি হোনো বি.এ.ছি. পাছ কৰিলে যদিও চাকৰি নোপোৱাত আৰু দেউতাকৰ অসুস্থতাত সি কাম বিচাৰি আহিছে। মণিষাকো সেই সময়ত এটি বন কৰা ল'ৰাৰ প্ৰয়োজন আছিল কাৰণ এতিয়া মণিষা সেইখন ঘৰৰ গৃহস্থ হ'ল। সেইবাবে মণিষাই তাক ঘৰৰ কাম কৰিবলৈ থ'লে। মণিষাই ল'ৰাজনৰ নাম সোধাত ল'ৰাজনে নিজৰ নাম মিণ্টু হাজৰিকা বুলি ক'লে। ল'ৰাজনে ঘৰৰ সকলো কাম কৰিবলৈ ধৰিলে আৰু মালিক নিৰয়ণৰ লগতো চিনা পৰিচয় হ'ল। নিৰয়ণে কিন্তু তাৰ শিক্ষাগত অৰ্হতা চাই ঘৰৰ কামৰ ঠাইত গৱেষণাৰ কামতহে থ'লে। এদিনাখন হঠাৎ ক'ৰবাৰপৰা জিতেন আহি মাকৰপৰা বিশ হাজাৰ টকা খুজিছিল। কিন্তু মাকে নিদিয়াত মাকক মাৰিবলৈ লওঁতেই মিণ্টুৱে থাপ মাৰি ধৰিলে আৰু উতনুৱা জিতেনক এচৰ শোধালে। সেই খণ্ডতে জিতেনে বাইকখন লৈ ওলাই যাওঁতে ট্ৰাক এখনৰ খুন্দাত জিতেনৰ থিতাতে মৃত্যু ঘটিল। মাকে নিজৰ পুত্ৰৰ মৃত্যুৰ শোকত ভাগি পৰিল। জিতেনৰ মৃত্যুৰ দহদিনীয়াৰ দিনাখন আকৌ মিণ্টুৰো পিতৃৰ মৃত্যু ঘটিল। ঢুকুৱাৰ সময়ত মিণ্টুৰ পিতৃয়ে তাক এটা ৰেকৰ্ডিং কেছেট দিলে আৰু ক'লে তই এইখন শুনিবি। ইয়াত তোৰ জীৱনত হেৰোৱা এক অতীতৰ ঘটনা আছে। মণিষাই আকৌ নিজৰ উদং বুকুত মিণ্টুকে সুমুৱালে আৰু ক'লে তয়ে আজিৰপৰা মোৰ পুত্ৰ। পুত্ৰৰ সকলো দায়িত্ব তোৰ হাতত গটালোঁ'। তেতিয়া নিৰয়ণে কথাৰ আঁত ধৰি ক'লে নিজৰটো সদায় নিজৰ হৈয়ে থাকে লোকৰবোৰকহে আপোন কৰাটো ডাঙৰ কথা।

এনেকৈ গতি কৰিবলৈ ধৰিলে তেওঁলোকৰ জীৱন। এদিনাখন নিৰয়ণে গৱেষণা কাৰ্য চলাই থকা অৱস্থাত কম্পিউটাৰৰ হাৰ্ড ডিস্কখন বিদ্যুতৰ বিজুতি ঘটাৰ বাবে বেয়া হ'ল আৰু নিৰয়ণৰ গৱেষণা ইয়াতে স্তব্ধ হ'ল। নিৰয়ণ পুনৰ ভাগি পৰিল আৰু নিৰয়ণে ক'লে মই আৰু গৱেষণা কাৰ্য চলাব নোৱাৰোঁ। তেতিয়া মিণ্টুৱে আশ্বাস দি ক'লে এই গৱেষণা মই সম্পূৰ্ণ কৰিম। নিৰয়ণে ক'লে এই কাম কৰিবলৈ প্ৰচণ্ড মনৰ প্ৰয়োজন। তুমি পাৰিবা জানো? তেতিয়া মিণ্টুৱে ক'লে মই দৃঢ় বিশ্বাসী যে মই গৱেষণা সফল কৰিব পাৰিম। মিণ্টুৱে আৰম্ভ কৰিলে গৱেষণা কাৰ্য আৰু তিনি মাহৰ ভিতৰত ইয়াৰ সফল ৰূপায়ণ ঘটালে। নিৰয়ণ আনন্দত উত্ৰাৱল হৈ পৰিল আৰু মিণ্টুক দাঙি লওঁতে তাৰ পকেটৰপৰা এটা কেছেট ওলাল। নিৰয়ণে এইটো কি বুলি সোধাত মিণ্টুৱে ক'লে, 'এইটো মোৰ দেউতাই মৃত্যুৰ সময়ত দি যোৱা কেছেট। ইয়াত দেউতাই মোৰ জীৱনৰ হেৰোৱা অতীতৰ বিষয়ে কৈছে'। নিৰয়ণে সুধিলে, 'তুমি এইটো কেছেট শুনিছানে নাই?' সেই সময়ত মণিষাও আছিল। মিণ্টুৱে ক'লে, 'মই শপত খাইছিলোঁ যে মই এই গৱেষণা কাৰ্য শেষ কৰিহে এই ৰেকৰ্ডিং শুনিম।' মণিষায়ে ক'লে, 'তেনেহ'লে আহাঁ আমি তিনিও এই কেছেটটো শুনি লওঁ।' কেছেটটো মিণ্টুৱে ৰেকৰ্ডাৰত সুমুৱাই দিলে আৰু কেছেটটো চলিবলৈ ধৰিলে। কেছেটৰ ভাষ্য শুনি মণিষাৰ গাৰ নোম ঠিয় হৈ গ'ল। নিৰয়ণৰ চকুৰে চকুপানী বৈ আহিল আৰু কঁপিবলৈ ধৰিলে। মিণ্টুৱে টেপটো বন্ধ কৰি মণিষাক সুধিলে, 'আপুনি মোক এনে কিয় কৰিলে। মইতো আপোনাক একো দুখ দিয়া নাছিলোঁ। কিয় মোক নিজৰ পিতৃৰ মমতাৰপৰা আঁতৰ কৰিলে? মণিষা নিমাত হ'ল আৰু কান্দিবলৈ ধৰিলে আৰু ক'লে, 'মোক ক্ষমা কৰি দিয়াঁ মিণ্টু। মই সম্পত্তিৰ লোভত পৰি অন্ধ হৈ পৰিছিলোঁ। মোক তুমি ক্ষমা কৰি দিয়া।' নিৰয়ণৰ বহল অন্তৰে সকলোবোৰ দেখি মিণ্টুক ক'লে, 'তুমি মণিষাক ক্ষমা কৰি দিয়াঁ। কাৰণ দোষ কৰাতকৈ ক্ষমা নকৰাটো ভুল জানানে?' আজিৰপৰা তুমি মোৰ কণমাণি আৰু মণিষা তোমাৰ পেহী। মণিষাই তেতিয়া নিৰয়ণৰ মহাত্ম্যক বুজি চৰণত পৰি ক'লে, 'মোক ক্ষমা কৰি দিয়া ভাইটি, তোমাক মই বুজি পোৱাত দেৰি কৰিলোঁ। তুমিতো দ্ৰুপদীৰ বস্ত্ৰদান দিয়া স্বয়ং প্ৰভু কৃষ্ণ। নিৰয়ণে মণিষাক ধৰি ধৰি ক'লে, 'তুমি মোৰ বাইদেউ আছিলা, আছা আৰু ভৱিষ্যতলৈ তুমি বাইদেৱেই হৈ থাকিবা।'

# ভাৰতীয় শাস্ত্ৰীয় সংগীত





ৰিণ্টু চেতিয়া
স্নাতক ২য় বৰ্ষ

"গীতং বাদ্যং তথা নৃত্যং
এয়াং সংগীতম উচ্যতে।"
— সংগীত ৰত্নাকৰ

পৃথিৱীৰ প্ৰাচীনতম কলাসমূহৰ ভিতৰত 'সংগীত'ক শ্ৰেষ্ঠতম কলা হিচাপে আখ্যা দিয়া হয়। মানৱ জাতিৰ বিকাশৰ লগে-লগে ভাৱ-অনুভূতি-আৱেগ আদি চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ ভাৱৰ ফলত চৌষষ্ঠি কলাৰ সৃষ্টি হৈছিল। তাৰ ভিতৰতেই মানুহৰ ভাৱ আৰু কাৰ্যক মূৰ্ত্তৰূপত প্ৰকাশ কৰাত সংগীতৰ ভূমিকা সবাতোকৈ গুৰুত্বপূৰ্ণ। সাধাৰণ অৰ্থত গীত, বাদ্য তথা নৃত্য এই তিনিও কলাৰ সমাবেশেই হৈছে সংগীত। ভাৰতীয় সংগীত বুলিলে ৰাগ সংগীত বা শাস্ত্ৰীয় সংগীতকে বুজায়। বিজ্ঞানসম্মতভাৱে সংগীত শাস্ত্ৰৰ নিয়ম মানি সংগীতৰ চৰ্চা কৰিলে তাকে 'শাস্ত্ৰীয় সংগীত' বোলা হয়। ইংৰাজী প্ৰতিশব্দ Classical Music-অৰ অৰ্থ হিচাপে শাস্ত্ৰীয় সংগীতক উচ্চাংগ সংগীত বা মাৰ্গীয় সংগীত হিচাপেও আখ্যা দিব পাৰি। ভাৰতীয় শাস্ত্ৰীয় সংগীত পৃথিৱীৰ প্ৰাচীনতম সংগীত ধাৰাসমূহৰ ভিতৰত অন্যতম। বৈদিক যুগৰপৰাই ভাৰতত শাস্ত্ৰীয় সংগীতৰ চৰ্চা হৈ আহিছে।

**ভাৰতীয় সংগীতৰ প্ৰচলনৰ কাল বিভাজন ঃ**

ভাৰতীয় সংগীতৰ প্ৰচলনৰ সময় চাৰিটা ভাগত ভাগ কৰা হৈছে —

১। অতি প্ৰাচীন কাল (বৈদিক যুগ) খ্ৰীঃপূঃ ২০০০ৰপৰা খ্ৰীঃপূঃ ১০০০লৈ।

২। প্ৰাচীন কাল — খ্ৰীঃপূঃ ১০০০ৰপৰা ৮০০ খ্ৰীষ্টাব্দলৈ।


৩। মধ্য কাল — (মুছলিম প্ৰভাৱ) ৫০০ খ্ৰীষ্টাব্দৰপৰা ১৮০০ খ্ৰীষ্টাব্দলৈ।

৪। আধুনিক কাল — ১৮০০ খ্ৰীষ্টাব্দৰপৰা বৰ্তমানলৈ।

গতিকে দেখা যায় যে অতি প্ৰাচীন কালৰপৰাই ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ প্ৰচলন হৈ আহিছে আৰু সুৰৰ বিচিত্ৰতাৰ বাবে ভাৰতীয় শাস্ত্ৰীয় সংগীতে পৃথিৱীৰ প্ৰায় সকলো

ৰৈইতে এটি উৎকৃষ্ট ধাৰা হিচাপে স্বীকৃতি লাভ কৰিছে।

বৰ্তমান প্ৰচলিত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ পদ্ধতি দুটা। এটা হ'ল উত্তৰ-ভাৰতীয় তথা হিন্দুস্থানী সংগীত পদ্ধতি আৰু আনটো দক্ষিণ ভাৰতীয় তথা কৰ্ণাটকী সংগীত পদ্ধতি। দুয়োটা সংগীত পদ্ধতিৰ মাজত কিছু পাৰ্থক্য আছে যদিও তুলনামূলকভাৱে দুয়োটাৰে মূল একে। ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ মূখ্য স্বৰ সাতটা — ষড়জ (সা), ঋষভ (ৰে), গান্ধাৰ (গা), মধ্যম (মা) পঞ্চম (পা) ধৈৱত (ধা) আৰু নিষাদ (নি)। এই সাতোটা স্বৰ থকাৰ উপৰিও এটা সপ্তকত চাৰিটা কোমল স্বৰ (ৰে, গা, ধা, নি) আৰু এটা তীব্ৰ মধ্যম (মা) থাকে।



নাদ, শ্ৰুতি, ঠাট, গমক, মীড়, স্বৰ, আৰোহণ, অৱৰোহণ, পকড়, তান, আলাপ আদি শাস্ত্ৰীয় সংগীতৰ অংশ। সুসংবদ্ধভাৱে তালৰ ব্যৱহাৰ শাস্ত্ৰীয় সংগীতৰ অন্যতম এক বিশেষ বৈশিষ্ট্য। সেইদৰে গায়ন শৈলীৰ লগত বাদ্যৰ নিবিড় সম্বন্ধ আছে। ভাৰতীয় বাদ্যক (১) ততবাদ্য, (তানপুৰা, চেতাৰ, সৰোদ, বেহেলা এচৰাজ), (২) সুষিৰ বাদ্য (বাঁহী, পেঁপা, গগণা, হাৰমণিয়াম, চেহনাই) (৩) অৱনদ্ধ বাদ্য (তবলা, ঢোল, ডবা, ঢোলক, পাখোৱাজ, খোল) আৰু (৪) ঘন বাদ্য (ঘণ্টা, কাঁহৰ দ্বাৰা নিৰ্মিত) এই চাৰি ভাগত ভাগ কৰা হৈছে।

ভাৰতীয় সাস্ত্ৰীয় সংগীত বা ৰাগ সংগীতত ৰাগ পৰিৱেশনৰ নিৰ্দিষ্ট সময় আছে। ঠিক সেইদৰে ৰাগ সংগীতৰ গায়ন শৈলীৰো খেয়াল, টপ্পা, ঠুম্ৰী, তাৰাণা, ধ্ৰুপদ, ধামাৰ, স্বৰগম, লক্ষণ গীত আদিত বিভিন্ন ধৰণে পৰিৱেশনৰ অৰ্থে ভাগ কৰা হৈছে।

শাস্ত্ৰীয় সংগীত ভাৰতীয় সংগীত কলাৰ শ্ৰেষ্ঠ নিদৰ্শন। বৰ্তমান ভাৰতীয় শাস্ত্ৰীয় সংগীতে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। ভাৰতীয় মহান সংগীত সাধকসকলে বিশ্ব দৰবাৰত ভাৰতীয় শাস্ত্ৰীয় সংগীতক এক উচ্চ আসন দিবলৈ সক্ষম হৈছে। অৱশ্যে বিশিষ্ট সংগীতজ্ঞ পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডেজীৰ সময়ত (১৯০৪) ভাৰতত শাস্ত্ৰীয় সংগীতত বিশৃংখলতাই দেখা দিয়াৰ লগতে সংগীতৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। ভাতখাণ্ডেজীয়ে অশেষ প্ৰচেষ্টাৰে সুনিৰ্দিষ্ট ধাৰা সৃষ্টি কৰি কৰি উত্তৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতক নতুন ৰূপত গঢ় দিলে। সেইদৰে পণ্ডিত বিষ্ণু দিগম্বৰ পালুস্কৰে এক নতুন ধাৰাৰ সৃষ্টি কৰি শাস্ত্ৰীয় সংগীতৰ ধাৰা বৰ্তাই ৰাখে। তেনেদৰে দক্ষিণ ভাৰতীয় সংগীত পদ্ধতিৰ প্ৰৱৰ্তক হ'ল পণ্ডিত বাঙ্কতযখী

শাস্ত্ৰীয় সংগীত ভাৰতীয় সংগীত কলাৰ শ্ৰেষ্ঠ নিদৰ্শন। বৰ্তমান ভাৰতীয় শাস্ত্ৰীয় সংগীতে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। ভাৰতীয় মহান সংগীত সাধকসকলে- বিশ্ব দৰবাৰত ভাৰতীয় শাস্ত্ৰীয় সংগীতক এক উচ্চ আসন দিবলৈ সক্ষম হৈছে।

প্ৰাচীন সময়ৰপৰাই তানসেন, জয়দেৱ, শাৰংগদেৱ, আমীৰ খুচৰু আদি সংগীতকাৰসকলে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ যি ভেঁটি টনকীয়াল কৰিছিল তেনেদৰে বৰ্তমান সময়ত ৰবিশংকৰ, আলি আকবৰ খাঁ, হৰিপ্ৰসাদ চৌৰাচিয়া, বিচমিল্লা খাঁ, এম. এছ শুভলক্ষ্মী, হৰিচৰণ চৌৰাচিয়া, পাৰবিন চুলতানা, বিজু ভাগৱতী আদি ব্যক্তিসকলে নিজ নিজ প্ৰচেষ্টাৰে ভাৰতীয় শাস্ত্ৰীয় সংগীতক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিছে। "Music is the language of emotions" অৰ্থাৎ সংগীত হৃদয়ৰ সূক্ষ্ম ভাৱৰ ভাষা। সংগীতৰ এক অপূৰ্ব মহিমা আছে। ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ লালিত্য আৰু মধুৰতাই যুগে যুগেই মানুহক আকৰ্ষণ কৰি আহিছে। সুস্থ আৰু মাৰ্জিত সাংস্কৃতিক বাতাৱৰণ সকলোৰে কাম্য। বৰ্তমানৰ বস্তুবাদী আৰু পাশ্চাত্য প্ৰভাৱে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ পৰম্পৰাতো শিপাবলৈ ধৰিছে। অত্যাধুনিক পপ অথবা ৰক সংগীতৰ তুলনাত শাস্ত্ৰীয় সংগীত বহু পৰিমাণে শান্ত, সমাহিত আৰু সংবেদনশীল। এতিয়া ভৱিষ্যত প্ৰজন্মৰ কৰ্তব্য হ'ব শাস্ত্ৰীয় সংগীতৰ মূল গাঁঠনি বিকৃত হ'বলৈ নিদি সমাজৰ প্ৰান্তে প্ৰান্তে ইয়াৰ প্ৰকৃত স্বৰূপ বৰ্তাই ৰখা।





# হৰেকৃষ্ণ ডেকাৰ সৈতে সাক্ষাৎকাৰ

আধুনিক অসমীয়া সাহিত্যৰ অগ্ৰণী লেখকসকলৰ অন্যতম হৰেকৃষ্ণ ডেকাৰ জীৱন আৰু কৰ্মৰ বিষয়ে জানি নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় উপকৃত হ'ব। এই আশা কৰি এই সাক্ষাৎকাৰ তত্বাৱধায়কৰ সৌজন্যত গ্ৰহণ কৰিলে সম্পাদিকাই।

প্ৰথমে, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ পৰিয়ালৰ হৈ আপোনাক শ্ৰদ্ধা-সম্ভাষণ জনাইছোঁ আৰু আপোনাৰ জীৱন আৰু কৰ্ম সম্বন্ধে জানিবলৈ ইচ্ছা কৰিছোঁ। একে সময়তে আপোনাক এই কথাও জনাওঁ যে এই প্ৰশ্নকেইটাৰ উত্তৰ হিচাপে আপুনি জনোৱা কথাখিনি আমাৰ মুখপত্ৰ 'কানৈয়ান'ত প্ৰকাশ কৰা হ'ব। আশাকৰোঁ আপুনি সন্মতি দিব।

উত্তৰ ঃ ধন্যবাদ।

প্ৰশ্ন ঃ তিনিচুকীয়াৰ 'মাকুম'ত জন্মলাভ কৰি আপুনি গুৱাহাটীৰ স্থায়ী বাসিন্দা হ'লহি। গতিকে ঠাইৰ নামৰ হিচাপতে আপোনাৰ জীৱনটো বিচিত্ৰ অভিজ্ঞতাময় বুলি ধাৰণা হয়। আপোনাৰ শিক্ষা-জীৱন সম্বন্ধীয় তেনে অভিজ্ঞতাসমূহ জনাবনে?

উত্তৰ ঃ মাকুম নহয়, তিনিচুকীয়াহে মোৰ শৈশৱৰ ঠাই। মোৰ তেতিয়াৰ ঘৰ চেনাইৰাম হাইস্কুলৰপৰা বেছি দূৰত নাছিল। স্কুলৰ দুপৰীয়াৰ বিৰতিৰ সময়তে আহি ঘৰত ভাত খাই পুনৰ স্কুললৈ গৈছিলোঁ। ১৯৫৯ চনত প্ৰৱেশিকা পৰীক্ষাৰ পিছত কটন কলেজত পঢ়িবলৈ গুৱাহাটীলৈ আহিলোঁ। তাৰ পিছৰপৰা গুৱাহাটীয়েই মোৰ বাসভূমি হৈ পৰিল। তিনিচুকীয়াত মোৰ প্ৰাথমিক শিক্ষা হৈছিল আদৰ্শ প্ৰাথমিক বিদ্যালয়ত আৰু মই হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিলোঁ চেনাইৰাম হাইস্কুলত। প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল প্ৰয়াত কমলেশ্বৰ দত্ত। তেখেতে অনুশাসন আৰু নিয়মানুৱৰ্তিতাত বৰ গুৰুত্ব দিছিল। আমাৰ শিক্ষকসকলেও বৰ যত্নকৈ পঢ়াইছিল। হাইস্কুলত অভিজ্ঞ শিক্ষকৰ সংখ্যা কম আছিল। বিশেষকৈ ইংৰাজী আৰু অংক বিষয়ত। কিন্তু তাতো প্ৰধান শিক্ষকে নিয়মানুৱৰ্তিতা আৰু অনুশাসনত গুৰুত্ব দিছিল। শিক্ষাগুৰুসকলে কিন্তু নিজৰ সামৰ্থ্যৰ ভিতৰতেই বৰ যত্নেৰে

পঢ়াইছিল। মই নিজকে পাঠ্যক্রমৰ ভিতৰত আৱদ্ধ কৰি নাৰাখিছিলোঁ। বিভিন্ন বিষয়ৰ কিতাপ পঢ়িবলৈ লৈছিলোঁ। পাঠ্যক্রমৰ বিষয়বস্তুৰ ক্ষেত্ৰতো পাঠ্যক্রমত দিয়া কথাখিনিৰ ভিতৰতে আৱদ্ধ নাথাকি সেই বিষয়ৰ জ্ঞান পাঠ্যক্রমৰ বাহিৰৰ কিতাপৰপৰাও অৰ্জন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

প্ৰশ্ন ঃ আপোনাৰ ছাত্ৰ-জীৱনৰ সময়ৰ শিক্ষাৰ (দান আৰু গ্ৰহণ প্ৰক্ৰিয়াকে ধৰি) মান আৰু সাম্প্ৰতিক কালৰ শিক্ষাৰ গুণগত মানৰ মাজত পাৰ্থক্য দেখেনে? কেনেদৰে?

উত্তৰ ঃ যথেষ্ট পাৰ্থক্য দেখোঁ। এতিয়াও চৰকাৰী খণ্ড বা চৰকাৰে সাহায্য দিয়া ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰৰ শিক্ষাৰ মান, শিক্ষাৰ দায়িত্ববোধ, প্ৰয়োজনীয় আহিলা-পাতি, চৌপাশৰ বাতাবৰণ, ছাত্ৰ-ছাত্ৰীৰ নিষ্ঠা আদি সকলোতে অৱনতি ঘটিছে। বেচৰকাৰী ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে চাৰিওফালে আগুৰি পেলাইছে। এইবোৰ বিদ্যালয়ৰ এটা অংশৰ বাদে বাকীবোৰৰ মূল উদ্দেশ্য ব্যৱসায়। চৰকাৰী বা ৰাজহুৱা খণ্ডৰ বিদ্যালয়ৰ পৰিৱেশে আকৰ্ষণ কৰিব নোৱৰা বাবে অভিভাৱকসকলে যথেষ্ট খৰচ কৰি ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুৱাবলৈ আৰম্ভ কৰিছে। আৰু এইবোৰ ইংৰাজী মাধ্যমৰ হোৱা কাৰণে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাষাটোকে নজনা হৈছে। কিন্তু বেচৰকাৰী বিদ্যালয়বোৰৰ গতানুগতিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ সৰহখিনিকে ঠেকছিগা কৰি গঢ়ি তুলিছে, নিজৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাহীনতাৰ সৃষ্টি কৰিছে। পাঠ্যক্রমৰপৰা ভূগোল, বুৰঞ্জী উঠাই দিয়া কাৰণেও ছাত্ৰ-ছাত্ৰীৰ মানসিকতা গঢ়াত জাতীয় চেতনাৰ অভাৱ ঘটিছে আৰু বৈষয়িক দৃষ্টিভংগী বৃদ্ধি পাইছে।

প্ৰশ্ন ঃ শিক্ষাৰ উদ্দেশ্য নিশ্চয় এটা চাকৰি যোগাৰ কৰাই নহয়। কিন্তু আমাৰ এইখন দুখীয়া দেশত শিক্ষাই আমাক আৰ্থিক নিৰাপত্তা দিয়া উচিত বুলি এটা ধাৰণা আছে। এই ধাৰণাৰ ভিত্তিও আছে। এই প্ৰসঙ্গত আপোনাৰ দৃষ্টিভংগীটো অলপ বহলাই জনাওকচোন।

উত্তৰ ঃ শিক্ষাই কেৱল যে আৰ্থিক নিৰাপত্তাহে নিশ্চিত কৰিব লাগে সেইটো নহয়। শিক্ষাৰ উদ্দেশ্য চাকৰিমুখীও হ'ব নালাগে। শিক্ষাই মানসিক পুষ্টি দিব লাগে, স্ব-নিৰ্ভৰতা বঢ়াব লাগে আৰু প্ৰতিজন ব্যক্তিকে সু-নাগৰিক কৰি গঢ়ি তুলিব লাগে। শিক্ষাই মানুহক মানৱ সম্পদ হিচাপে গঢ়ি তুলিলে আৰু সকলোৰে কৰ্তব্যবোধ আৰু বিচাৰ-বুদ্ধিৰ ক্ষমতা বঢ়ালে তেনে শিক্ষাই প্ৰত্যেক নাগৰিকক বিকাশৰ এক উপাদান কৰিব পাৰে। শিক্ষাই গণতান্ত্ৰিক মূল্যবোধ বঢ়ালেহে গণতন্ত্ৰৰ উদ্দেশ্য সফল হ'ব। আৰ্থিক



নিৰাপত্তাৰ প্ৰয়োজন আছে, কিন্তু সেইটোৱেই একমাত্ৰ উদ্দেশ্য হ'লে মানুহ অতি ব্যক্তিবাদী হ'ব আৰু সামূহিক স্বাৰ্থৰ কথা পাহৰিব। এক সৎ সমাজৰ উপাদান হিচাপে যদি প্ৰতিজন শিক্ষিত মানুহ গঢ় নলয়, তেন্তে তেনে শিক্ষাৰ সাৰ্থকতা সীমিত আৰু বহু ক্ষেত্ৰত তেনে শিক্ষা ব্যৰ্থ।

প্ৰশ্ন ঃ আপুনি কৰ্মজীৱন আৰম্ভ কৰিছিল শিক্ষকতাৰে। কিন্তু আপুনি আৰক্ষী সেৱালৈ তাক সলনি কৰিলে। কাৰণবোৰ জনাবনে?

উত্তৰ ঃ মই শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰিছিলোঁ। কিন্তু কৰ্মক্ষেত্ৰৰ পৰিসৰ সীমিত যেন লাগিছিল। এক বহল অভিজ্ঞতাৰ পৰিসৰ বিচাৰি অন্য ক'তো নাপাই সৰ্বভাৰতীয় সেৱাকেই বাচি ললোঁ। আৰক্ষী সেৱা মই লওঁ বুলি লোৱা নাই। মই প্ৰশাসনীয় সেৱাৰ আশা কৰিছে

প্ৰতিযোগিতামূলক পৰীক্ষাত বহিছিলোঁ। মই কোনো coaching লোৱাৰ সুযোগ পোৱা নাছিলোঁ আৰু সৰ্বভাৰতীয় পৰীক্ষাৰ মানৰ সম্যক ধাৰণা মোৰ নাছিল। পাঁচটা বিষয়ৰ পৰীক্ষা দিয়াৰ পিছত মোৰ ধাৰণা হ'ল যে মোৰ পৰীক্ষা ভাল হোৱা নাই আৰু বাকী তিনিখন কাকতৰ পৰীক্ষা নিদিয়াকৈয়ে গুচি আহিলোঁ। কিন্তু মোৰ ইতিমধ্যেই আগৰ কাকতকেইখন সম্পূৰ্ণ হোৱা কাৰণে আৰু নম্বৰো সন্তোষজনক হোৱাত ভাৰতীয় আৰক্ষী সেৱাত নিযুক্তি পালোঁ। প্ৰসাসনীয় সেৱাৰ বাবে দ্বিতীয়বাৰ চেষ্টা কৰা নহ'ল।

প্ৰশ্ন ঃ আৰক্ষী সেৱাত যোগদানে আপোনাৰ সাহিত্য-চৰ্চাক এটা বিশেষ পৰ্যায়লৈ নিয়া বুলি আমি ধাৰণা কৰোঁ। আৰক্ষী-জীৱনৰ বিচিত্ৰ অভিজ্ঞতাই আপোনাৰ লেখক-জীৱনটোক বিশেষভাৱে সমৃদ্ধ কৰা বুলি আপুনি নাভাবেনে?

উত্তৰ ঃ আৰক্ষী জীৱন আৰম্ভ কৰাৰ আগতেই মই লেখক আছিলোঁ। মোৰ সংবেদনত ইয়াৰ প্ৰভাৱ পৰিছিল। আৰক্ষীৰ প্ৰশিক্ষণৰপৰা মই কৰ্তব্যবোধ আৰু দায়িত্বশীলতাৰ অনুশাসন গ্ৰহণ কৰিছিলোঁ। কিন্তু আৰম্ভণিৰপৰাই মই প্ৰশাসনীয় দৃষ্টিভংগীৰ ঠাইত সেৱাৰ দৃষ্টিভংগীহে লৈছিলোঁ। আৰক্ষী জীৱনত অজস্ৰ অভিজ্ঞতাৰ সমুখীন হৈছোঁ। কঠিন মানৱীয় পৰীক্ষাৰ মুখামুখী হৈছোঁ। এই বিলাকৰপৰা মই সাহিত্যৰ সমল পাইছোঁ। কিন্তু এই অভিজ্ঞতাক মোৰ ভিতৰৰ লেখকজনে মানৱতাবোধৰ দৃষ্টিৰে গ্ৰহণ কৰিবলৈ শিকাইছে। একোটা অতি কঠিন মুহূৰ্ততো মই দিকহাৰা নহৈ এই ভিতৰৰ লেখকজনৰ বিৱেচনাৰে কৰ্তব্য নিৰ্দ্ধাৰণ কৰি সফল হৈছোঁ। গতিকে আৰক্ষী জীৱনৰ অভিজ্ঞতা আৰু মোৰ সাহিত্যক সংবেদনা পৰস্পৰৰ সম্পৰ্কক 'দৃঢ়তা' আৰু 'কঠোৰতা'ৰ মাজত থকা পাৰ্থক্যৰ বিচাৰ মই কৰিবলৈ শিকিছোঁ। সামাজিক স্বাৰ্থ আৰু ৰাজনৈতিক স্বাৰ্থৰ মাজক ভেদৰেখা চিনিবলৈ মই অসুবিধা পোৱা নাই।

প্ৰশ্ন ঃ সাহিত্য-চৰ্চা আপুনি কেতিয়াৰপৰা কৰিছিল? ইংৰাজী সাহিত্যৰ প্ৰত্যক্ষ ছাত্ৰ হোৱাটোৱে আপোনাৰ সাহিত্য-জীৱনক কিমানদূৰ পুষ্ট কৰিছে বুলি আপুনি ভাবে?

উত্তৰ ঃ মই চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতে মোৰ প্ৰথম ৰচনা লিখিছিলোঁ আমাৰ স্কুলৰ আলোচনী 'ফুলকলি'ৰ বাবে। তেতিয়া আলোচনীখন হাতেলিখা আছিল। ৰচনাখনৰ নাম আছিল 'স্বাধীন ভাৰতত'। তাৰ পিছত আৰু লেখা এৰা নাই। ইংৰাজী সাহিত্যৰ শিক্ষা আৰু পঠন-পাঠনে মোৰ অভিজ্ঞতাৰ পৰিসৰ বঢ়াইছে আৰু সাহিত্যৰ মান সম্বন্ধে এক সজাগতা আনিছে।

প্ৰশ্ন ঃ 'সমুদ্ৰ-ভীতি'ৰ দৰে চৰ্চিত কবিতা আৰু 'বন্দীয়াৰ' তথা 'শ্বৰেংগাৰ'ৰ নিচিনা ৰুচি আৰু জীৱনবোধৰ গল্প লিখা আপোনাৰ ভিতৰৰ লেখকজনক আপোনাৰ মাজৰ সমালোচকজনে সহায় কৰিছে নে বাধাগ্ৰস্ত কৰিছে (বুলি আপুনি ভাবে)? অকণমান ব্যাখ্যা কৰি ক'বনে?

উত্তৰ ঃ মই ভাবোঁ যে প্ৰত্যেক 'ছিৰিয়াছ' লেখকেই এজন সমালোচকো। জীৱন-জগতৰ প্ৰতি সমালোচনাৰ দৃষ্টি পেলাব নোৱাৰিলে লেখকৰ অভিজ্ঞতাই মাত্ৰা লাভ কৰিব নোৱাৰে। বহু ক্ষেত্ৰত ই সচেতন নহৈ অচেতন হয়। সাহিত্যত যদি কেৱল আৱেগেই সকলো হয় তেন্তে সেই সাহিত্য এক তাৰল্যত উটি-ভাঁহি যায়। মুখৰোচক কাহিনী লিখি বিনোদন দিব পাৰি, কিন্তু তেনে বিনোদনধৰ্মী লেখা শ্ৰমজীৱি মানুহৰ অৱসৰ সময়ত সাময়িক মনোৰঞ্জনৰ আহিলা হ'ব পাৰে, কিন্তু কাকো মানসিক সমৃদ্ধি দিব নোৱাৰে। যি লেখাই জীৱন-জগতৰ তাৎপৰ্যত পোহৰ পেলায়, ঔৎসুক্যৰ সৃষ্টি কৰে, ভাষাৰ দিগন্ত বহল কৰি সেই ভাষাৰ প্ৰকাশ ক্ষমতা বৃদ্ধি কৰে — এনেবোৰ লেখাৰ গুৰুত্ব অধিক। গতিকে এক জীৱনবোধৰ প্ৰয়োজন আছে আৰু এই জীৱনবোধ সচেতন সমালোচনামূলক দৃষ্টিভংগীয়ে বৃদ্ধি কৰে।

প্ৰশ্ন ঃ আপোনাৰ চাকৰি-কালত অসমৰ সামগ্ৰিক পৰিৱেশ অস্থিৰ। ভাষা-আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলন, নতুন নতুন সন্ত্ৰাসবাদী সংগঠনৰ উত্থান আদি কৰি অনেক ঘটনাই যোৱা চল্লিছ বছৰমান অসমখনকে জোঁকাৰি আছে। এইছোৱা সময়ত আপুনি এনে এটা চাকৰিত আছিল, য'ৰপৰা এনে অস্থিৰতা-অৰাজকতাৰ লগত প্ৰত্যক্ষভাৱেই জড়িত

হ'বলগীয়া হয়। এতেকে এইখিনি সময়ৰ অভিজ্ঞতাৰে অসমৰ বৰ্তমানৰ আধাৰত ভৱিষ্যতটো কেনে হ'ব বুলি আপুনি ধাৰণা কৰে? অলপ ব্যাখ্যা কৰি ক'বনে?

উত্তৰ ঃ বৰ্তমান সময়ত থিয় দি ভৱিষ্যত দৃষ্টিৰে কথা কোৱা অসুবিধা। মোৰ 'ভৱিষ্যত' বুলি কবিতা এটা আছে, তাত মই কিছু আভাস দিছোঁ। আমি এক অস্থিৰ সময়ত আছোঁ। সমাজখনত নানা শক্তিৰ টনা-আঁজোৰা চলিছে। যুক্তিৰ শাসনতকৈ আৱেগৰ উচ্ছলতই আমাক বেছিকৈ পৰিচালনা কৰি আছে। ৰাজনীতিত ৰাজহুৱা স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থই সমাজক দায়িত্ববোধক কোঙা কৰিছে। দুৰ্ভাগ্যক্ৰমে, ৰাজ্যক সঠিকভাৱে পৰিচালনা কৰিবলৈ অভিজ্ঞ, বিৱেকী, সমাজৰ প্ৰতি দায়বদ্ধ কোনো নেতৃত্বও নাই। শিক্ষা ক্ষেত্ৰৰ অৰাজকতা, কৃষিৰ বিকাশৰ প্ৰতি অৱহেলা, অৰ্থনৈতিক বিকাশৰ লেহেম গতি, অনুপ্ৰৱেশ, বানপানী আদি দীৰ্ঘদিনীয়া সমস্যাক ক্ষুদ্ৰ-দৃষ্টিৰে ফালৰি কাটি যোৱাৰ অপৰিপক্ক ৰাজনৈতিক দৃষ্টিভংগী আদি মিলি অনিশ্চয়তাৰ সৃষ্টি কৰিছে। ৰাজনীতিত জড়িত থকা নাগৰিক সমাজৰ সচেতন সক্ৰিয় ভূমিকাৰ প্ৰয়োজন হৈছে। তৰুণ প্ৰজন্মৰ মাজত সমাজ-চেতনা সবল হোৱাৰ প্ৰয়োজন আছে। কিন্তু ই ৰাজনৈতিক পশ্চাৎটানৰপৰা মুক্ত হ'ব লাগিব আৰু এওঁলোকে আৱেগিক যুক্তিক প্ৰাধান্য দিব লাগিব। তেওঁলোকে চকু মুদি খোজ কাঢ়িব নোৱাৰে, দৃষ্টি খোলা হ'ব লাগিব। কিন্তু মাটিৰ কেইফুটমান ওপৰেৰে খোজ কাঢ়িবলৈ চেষ্টা কৰাতকৈ, মাটিৰে দৃঢ় পদক্ষেপ দি, আৰু সৃষ্টিশীল দৃষ্টিভংগীৰে আগবাঢ়িব লগিব।

প্ৰশ্ন ঃ অসমীয়া সাহিত্যত যোৱা কেইবছৰমানত কবিৰ সংখ্যা অতি দ্ৰুতগতিত বাঢ়িছে। এনে কবিসকলৰ সৰহভাগৰে কিন্তু কোনো অনুশীলন-অধ্যয়ন বা চিন্তাৰ গভীৰতা দেখা নাযায়। তথাপি নাম কৰাৰ প্ৰতিযোগিতাত এনেভাৱে বিস্ফোৰণ হোৱা কবিৰ সংখ্যাই কি সূচায়? কাৰণ, গল্পকাৰ বা ঔপন্যাসিকৰ সংখ্যা এনেভাৱে বঢ়া দেখা নাযায়।

উত্তৰ ঃ কেইটামান শব্দৰেই কবিতা লিখিব পাৰি কাৰণে বহুতে কবিতা লিখাই আটাইতকৈ সহজ বুলি ভাৱে আৰু সেয়াই সকলো ঠাইতে কবিতা লিখাৰ ধুম বেছি। কবিৰ সংখ্যা অত্যধিক বৃদ্ধি পোৱাটো একো দোষণীয় কথা নহয়। এশজন কবিতা লেখাৰুৰ মাজত এজনো যদি প্ৰকৃতাৰ্থত কবি ওলায়, তেন্তে সাহিত্যৰ কাৰণে ই আশাৰ কথা। কিন্তু তাৰ বাবে এটা নিৰ্ণয় লাগিব। সেই নিৰ্ণয় দিব পাৰিব সাহিত্যৰ ৰসজ্ঞান থকা আৰু সমাজ চেতনা থকা সমালোচকে। আমাৰ তৰুণ প্ৰজন্মত তেনে সমালোচকৰ অভাৱ দেখিছোঁ। দিকদৰ্শনৰ অভাৱত নাৰ্চিচিজ্‌মত ভোগা কবিসকলে নিজৰ শব্দত নিজেই মজি ভেদজ্ঞান হেৰুৱায়। আন কিছুমানে মঞ্চসুলভ কায়দাৰে বাহ্ বাহ্ আদায় কৰাৰ পদ্ধতি এটা লৈছে। একোটা চমক লগাই দিয়া শিৰোনাম আৰু তৰল ভাৱাবেগেৰে কোনো কোনোৱে চেমনীয়া একশ্ৰেণী পঢ়ুৱৈক ৰোমাঞ্চিত কৰিবলৈ লৈছে আৰু এওঁলোকে সাহিত্যৰ প্ৰকৃত ৰস কি, সাহিত্যত জীৱনবোধ কি এইবোৰ কথা ব্যক্তব্য নিদিয়া হৈছে।

প্ৰশ্ন ঃ উপৰোক্ত প্ৰশ্নটোৰ আধাৰ হৈছে, আলোচনী-নিৰ্ভৰ অসমীয়া সাহিত্যৰ কবিতাৰ জগৎখনত কোনো আলোচনীতে কবিতাই প্ৰকাশৰ মুখ নেদেখা 'কবি'য়েও ইখনৰ পাছত সিখনকৈ কবিতা পুথি প্ৰকাশ কৰা দেখা যায়। সেইবোৰ কাব্যগ্ৰন্থ কোনো আগশাৰীৰ কিতাপৰ দোকানতো পোৱা নাযায়। অৰ্থাৎ কবিতাক 'সহজ সাহিত্য' বোলা ধাৰণা এটাই লাহে লাহে গা কৰি উঠিছে। ঠাইবিশেষে এনেকুৱাও হোৱা দেখা গৈছে, ধন-সম্পদ অলপ হোৱাৰ পাছতে কাব্য-চৰ্চাত মনোনিৱেশ কৰা লোকৰ সংখ্যা বাঢ়িছে। আপুনি গল্পকাৰো, কবিও। আপুনি জানো কবিতাক সহজ সাহিত্য বুলি ভাবে?

উত্তৰ ঃ কোনো সাহিত্যই সহজ নহয়, তাত বহু সাধনা, বহু অনুশীলন থাকে। ভাষাৰ ব্যৱহাৰত সাহিত্যৰ সাৰ্থকতা বহুখিনি নিৰ্ভৰ কৰে। ভাষাজ্ঞানো অত্যাৱশ্যকীয়। বাকীখিনি কথা নিজেই কৈছা। মই আৰু বহল নকৰোঁ।

প্ৰশ্ন ঃ নতুন সমালোচকসকলৰ ভিতৰত আপুনি এনেকুৱা কাৰোবাক চিহ্নিত কৰিব পাৰিছেনে যি ভৱিষ্যতৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ দিশ-নিৰ্ণয়ৰ দায়িত্ব মৰ্যাদা সহকাৰে পালন কৰিব পাৰিব (বুলি আশা কৰিব পাৰি)?

উত্তৰ ঃ দিক নিৰ্ণয় কৰিব পৰা নতুন সমালোচক মোৰ চকুত পৰা নাই। যি দুই এজনৰ ৰসবিচাৰ আছে; তেওঁলোকৰ অধ্যয়নৰ অভাৱ। যি দুই এজনৰ ৰসবিচাৰ আৰু অধ্যয়ন আছে, তেওঁলোক অসমীয়া সাহিত্যৰ দিক নিৰ্ণয় কৰাত আগ্ৰহী নহয়। তেওঁলোক ইংৰাজী সাহিত্যৰ লগত জড়িত হোৱা কাৰণেই কিজানি অসমীয়া সাহিত্যৰ প্ৰতি দৃষ্টিপাত নকৰে। এতিয়া এজন বাণীকান্ত কাকতি বা এজন হীৰেন গোঁহাই আমি আৰু নোপোৱা হ'লোঁ।

প্ৰশ্ন ঃ আপুনি এখন আগশাৰীৰ সাহিত্য-আলোচনীও সম্পাদনা কৰিলে। আলোচনীৰ সম্পাদক হিচাপে নতুন লেখক-লেখিকা যিমানক আপুনি পালে তাৰে কিমান শতাংশৰ ভৱিষ্যৎ উজ্জ্বল বুলিব পাৰে জনাবনে? এইসকলৰ কিমান শতাংশই ভৱিষ্যতৰ অসমীয়া পঢ়ুৱৈক ধৰি ৰাখিব পৰাকৈ সময়োপযোগী সাহিত্য ৰচনা কৰিব পৰাকৈ দেশ-কালৰ প্ৰেক্ষাপটত নিজকে প্ৰস্তুত কৰি ৰখা বুলি আপোনাৰ ধাৰণা?

উত্তৰ ঃ মই শতাংশৰ হিচাবত ক'ব নোখোজোঁ। তৰুণ লেখকসকলৰ ভিতৰত প্ৰতিভাৱান গল্প লেখা কেইবোজনকো পাইছোঁ। এওঁলোকৰ ভাষাৰ ওপৰত দখলো ভাল। কিন্তু কবিতা আৰু সাহিত্যৰ সমালোচনাৰ ক্ষেত্ৰত মই কোনো আশাৰ বতৰা পোৱা নাছিলোঁ — দুই চাৰিজন কবিয়ে সীমিত পৰিসৰত ভাল কবিতা অৱশ্যে লিখিছে। নতুন দিক-দৰ্শন দিব পৰা সাহিত্যিকৰ সন্ধান মই তৰুণ প্ৰজন্মৰ ভিতৰত পোৱা নাই। আশীৰ দশকত অতি প্ৰতিভাবান কেইজনমান কবি ওলাইছিল। কিন্তু এওঁলোকৰ মাজতো নতুন দিশৰ সন্ধান দিবপৰা কাকো মই পোৱা নাই।

প্ৰশ্ন ঃ 'অসমীয়া' ভাষাটোৰ বিষয় হিচাপে আমাৰ বিদ্যালয়সমূহত শিকনৰ এটা বিজ্ঞানসন্মত কাৰ্যপন্থা আছে বুলি আপুনি ভাবেনে? যদি নাই, আপোনাৰ মতে কাৰ্যকৰী কাৰ্যপন্থা কেনে হ'ব লাগে?

উত্তৰ ঃ বিদ্যালয়ত পাঠ্যসূচী কেৱল পৰীক্ষাকেন্দ্ৰিক হ'লে সি বিদ্যায়তনিক হৈয়ে ৰ'ব। বৌদ্ধিক ঔৎসুক্য জগাই তোলাকৈ Workshop আদিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন। সাহিত্যৰ ইতিহাস উচ্চ শিক্ষাৰ সাহিত্যৰ পাঠ্যক্ৰমৰ অংগ হোৱা উচিত আৰু পাঠ নিৰ্বাচনো সাহিত্যৰ ইতিহাসৰ লগত সম্বন্ধযুক্ত হ'ব লাগে। স্নাতক শ্ৰেণীৰপৰাই সাহিত্যৰ ছাত্ৰ-ছাত্ৰীৰ লগত বিদ্যালয়ৰ বাহিৰৰ লেখকৰ অন্তৰংগ আলাপৰ ব্যৱস্থা কৰিব লাগে আৰু কৰ্মসূচীৰো অংগ হ'ব লাগে। বিষয়বস্তুৰ ওপৰত Seminer হ'ব লাগে। স্নাতক শ্ৰেণীৰপৰাই গৱেষণামূলক দৃষ্টিভংগীৰে আগবাঢ়িব পাৰি।

প্ৰশ্ন ঃ 'অসমীয়া' বুলি কৈ কেতিয়াবা আত্মগ্লানিত ভুগিবলগীয়া অৱস্থাত পৰিছে নেকি? বিশেষকৈ বিভিন্ন সমাজ-বৌদ্ধিক ঘটন-সংঘটনৰ প্ৰেক্ষিতত?

উত্তৰ ঃ নাই পৰা। নিজকে অসমীয়া বুলি কৈ হীনমন্যতাত ভোগা নাই। কিন্তু ভাৰতীয় নহয় বুলিও কোৱাৰ প্ৰয়োজন বোধ কৰা নাই। ভাৰতীয় সত্বাক অস্বীকাৰ নকৰাকৈয়ে অসমীয়া বুলি নিজকে অনুভৱ কৰোঁ।

প্ৰশ্ন ঃ অসমীয়া ভাষাৰ প্ৰিয় গ্ৰন্থখন তুলি ল'বলৈ দিলে আপুনি কোনখন ল'ব? কিয়?

উত্তৰ ঃ কেৱল এখন গ্ৰন্থক প্ৰিয় বুলি ক'ব নোখোজোঁ। গতিকে প্ৰশ্নটোৰ উত্তৰ নিদিলোঁ।

প্ৰশ্ন ঃ ইংৰাজী ভাষাৰ কোনখন গ্ৰন্থ আপোনাৰ সৰ্বাধিক প্ৰিয়? কাৰণটো জনাবনে?

উত্তৰ ঃ ইয়াৰো উত্তৰ একেটাই।

প্ৰশ্ন ঃ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আশীৰ্বাদসূচক দুষাৰমান বক্তব্য আগবঢ়াবনে?

উত্তৰ ঃ মই ছাত্ৰ-ছাত্ৰীসকলক এইটোৱেই ক'ম যে তোমালোকে চাকৰিৰ বাবে শিক্ষা গ্ৰহণ কৰিছা বুলি নাভাবিবা। নিজৰ মানসিক উৎকৰ্ষক সমাজৰ এক মূল্যবান সম্পদ হ'বলৈ চেষ্টা কৰিবা। তোমালোকৰ ওপৰত তোমালোকৰ ভৱিষ্যতেই নিৰ্ভৰশীল নহয়, তোমালোকৰ জাতিৰ অস্তিত্ব আৰু তোমালোকৰ ভাষাৰ প্ৰৱহমাণতাও তোমালোকৰ মাৰ্গ দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। জীৱিকাক প্ৰয়োজন বুলি ভাবিবা; কিন্তু জীৱনক অধিক গুৰুত্ব দিবা। সমাজৰ মূল্যক ভৱিষ্যতে তোমালোকেই বহন কৰিব লাগিব।

আপোনাৰ সুদীৰ্ঘ কৰ্মময় জীৱনৰ কামনা কৰিছোঁ। আপুনি আমাক কৃতজ্ঞতাৰ পাশত বন্দী কৰিলে।

ঘৰত থকা একমাত্ৰ ডাকুৱা কুকুৰাটোৱে ডাক দিবলৈ নৌ পাওঁতেই মুহিধৰ বিছনাৰপৰা গিৰিস্ কৰে উঠিল। ঘৈণীয়েক কণমায়ে চকু দুটা লাহেকৈ মেলি ক'লে, উঠিলেই নে?

ঃ বজাৰলৈ যাব নেলাগিব? — মুহিধৰ উঠিল।

ঘৈণীয়েকে আকৌ আহাৰমহীয়া পুৱাৰ কিনকিনিয়া বৰষুণজাকৰ আমেজটো বুকুত সৰহকৈ সানি লোৱাৰ মানসেৰে চাদৰখন মূৰে-গায়ে ভালকৈ মেৰিয়াই লৈ বেৰৰ ফালে কাতি হৈ শুই থাকিল।

আজি সোমবাৰ। সপ্তাহৰ একমাত্ৰ বজাৰবাৰ। ই যেন বজাৰবাৰ নহৈ, মুহিধৰ আৰু কণমাইৰ পেটৰ পোৰণি মাৰোঁতাহে। ঘৰৰে দুই এপদ শাক-পাছলি বেচি সপ্তাহৰ পাঁচদিন যেনেতেনে চলে। আজি আকৌ চাউলো নাই। বজাৰখনেই একমাত্ৰ ভৰসা।

# তেজৰে কমলাপতি .....



**শ্ৰীপ্ৰদীপ বড়া**
স্নাতক দ্বিতীয় বৰ্ষ

মুহিধৰে চৌকাটোৰপৰা ফুটছাইখিনি উলিয়াই কেৰাচিন তেল অলপ ঢালি জুইকুৰা জ্বলালে। কেঁচা খৰি, লাহে লাহে জ্বলিছে। সি উঠি গৈ কালিয়েই গোটাই থোৱা ঢেঁকীয়া কেইডাল মুঠি মুঠিকৈ বান্ধিলে। তাৰ পাছত বাৰীলৈ গৈ কেইডালমান কচু ঠুৰি, দহ-পোন্ধৰটামান নেমুটেঙা, বুঢ়া হৈ যাব ধৰা চাৰিটা জাতি লাও আৰু কেইটামান ভোট

জলকীয়া গোটাই আনিলে।

ঃ পাৰে যদি মই কোৱা কথাটো ভাবি চাব।

ঃ ভাবিম দে। — বস্তুকেইটাৰে সৈতে মোনাটো মামৰে ধৰা চাইকেলখনৰ আগত ওলমাই লৈ মুহিধৰে দুৱাৰডলিত তিনিবাৰ সেৱা কৰি যাবলৈ ওলাল। বৰষুণজাক এৰিছে, তথাপি চোতালখন সেমেকা। আঢ়ৈকুৰিৰ দেওনা পাৰ হোৱা ক্ষীণকায় দেহাৰে সি চাইকেলখন ঠেলি নি চহৰ পোৱাবগৈ লাগিব। চহৰখন সৰু যদিও বস্তুৰ দাম অলপ আছে। তাতে এইবাৰ কণমায়ে তাঁত এযুতিও লগাব খুজিছে। প্ৰথমে সি মানাই কৰিছিল।

ঃ বুঢ়া দেহাৰে এতিয়া তাঁতত জোপ লৈ বহি থাকিব নেলাগে। কি লাগে ক'বি। পাৰিলে কিনিয়ে আনিম।

ঃ নহয়, আপোনাৰ চুৰিয়াখন উঁৱলি গৈছে। মোৰো চাদৰ নাই। পাৰিলে চুৰিয়া দুখন লগাই ল'ম।

বৰ আগ্ৰহ, কাম এৰাৰপৰা তাই দিনটো এনেয়ে থাকে। সেইদেখিহে সূতা আনিবলৈ কৈছে।

ঃ কাইটি, ওলাইছা। তুমি নেজানা হ'ব পায়? আজি হেনো কিবা অসম বন্ধ।

ঃ হে! তই ক'ত শুনিলি?

ঃ মই কালিয়ে শুনিলোঁ, ৰেডিঅ'ত। সেয়ে আলিত বজাৰৰ গাড়ীকেইখন গৈছে নে নাই চাই আহিলোঁ। গাড়ীকেইখন দেখোন নাই যোৱা।

মুহিধৰৰ মূৰত যেন সি কটাৰী লৈ অনা জাতিলাও এটাইহে ৰামটাঙোন সোধালে। পিটি তাতকৈ সৰু। লগতে সি নিজেও এটা বেপাৰী। সি মিছা নেমাতে।

ঃ বাৰু, ইমান দূৰ আহিলোঁ যেতিয়া, চহৰখননো কেইখোজ? গৈয়ে আহোঁ দে।

পিটিক মুহিধৰে তাৰ ভিতৰৰ পোৰণিটোৰ উমান নিদিলে। আজি যে কিবা এটা নিবিকিলে সিহঁতৰ চৰুৱে জুইৰ তাপ নাপাব। তাৰ 'গেষ্ট্ৰিক'ৰ দৰৱ দুটামানো কিনিব লগা আছিল। ছেঃ!

○○○○○



ঃ ঐ ঐ, আজি অসম বন্ধ নেজান? তহঁতৰ কাৰণেই মূল্য বৃদ্ধি হ'ব আৰু তহঁতেই বন্ধ নেমান। ফুট।

চহৰ পোৱা মাত্ৰেই এটা ডেকা ল'ৰাই মুহিধৰৰ ফালে চোঁচা ল'লে। ল'ৰাটো তাৰ পুতেকৰ বয়সীয়াই হ'ব। তাৰ পুতেকেও হোনো কিবা সন্থা নে ফন্থা এটাত ঘূৰি ফুৰিছে। সি ক'ত থাকে, কেনেকৈ চলিছে মুহিধৰে নেজানে। ল'ৰাই মাক-দেউতাকক অৱশ্যে টকা নোখোজে। কেতিয়াবা এমাহৰ মূৰত ঘৰলৈ আহি মাকৰ হাতত দুই-তিনিশ টকা দিহে যায়। আজি দুমাহে সি ঘৰলৈ অহা নাই। ইও কিজানি তাৰ পুতেকৰ দৰেই নেতা। মুহিধৰে ভাবিলে।

দুৱাৰডলিত তিনিবাৰ সেৱা কৰি অহা আঢ়ৈকুৰি বছৰৰ মুহিধৰ গঁগৈয়ে নিজে সপ্তাহৰ গোটেই সোমবাৰটো গপচত বহি থকা ঠাইডোখৰলৈ তিনিবাৰ চাই ঘৰমূৱা হ'ল। কি ক'বগৈ কণমাইক? ইমান সোনকালে উভতি অহা বাবে কণমাই প্ৰথমে আচৰিত হ'ব। তাৰ চকুলৈ নোচোৱাকৈয়ে তাই ভিতৰলৈ যাব।

○○○○○

আগতে মুহিধৰৰ দিনবোৰ অলপ ভালেৰেই গৈছিল। ডেকাকালত সি সমাজৰ কাম কৰি ভাল পোৱা মানুহেই আছিল। কিন্তু বেছি সামাজিক কাম কৰোঁতে কৰোঁতে নিজে একো এটা কাম শিকিব নোৱাৰিলে। খেতি-বাতি অৱশ্যে সি কৰে, নকৰা নহয়। যোৱাবেলিও কৰিছিল। কিন্তু বানে নিলে। পাঁচ বছৰমানৰ আগতে কণমায়ে পেটৰ তাড়নাত লোকৰ ঘৰত চাহপাত ছিঙিবলৈও গৈছিল। এতিয়া তাইৰো দেহাই নেটানে। পুতেকেতো মেট্ৰিক পাছ কৰিয়ে ঘৰ এৰিলে। এবাৰ পুতেকে দি যোৱা তিনিশ টকাৰে কণমায়ে দুটামান কুকুৰা কিনি পুহিছিল। কিন্তু যোৱা বছৰত 'বাৰ্ড ফ্লু'নৈ কি এটা বেমাৰত

চব জহনিত গ'ল। এই শাকৰ বেপাৰখনেই বুঢ়া-বুঢ়ীক টানি আছে।

০০০০০

কি আছেনো এই বন্ধবোৰত? মুহিধৰে ভাবি নেপায়। বন্ধ দি জানো চৰকাৰক লৰাব পাৰি? চৰকাৰী অফিচাৰবোৰৰহে মাথো সুবিধা হয়। এটা দিন অন্ততঃ জিৰাব পাৰে ভালকৈ। কিন্তু মুহিধৰৰ দৰে মানুহবোৰৰ? ইহঁতবোৰে 'অসম বন্ধ'ত জিৰণি নাপায়, সিহঁতৰ পেটৰ মেচিনটোৱেহে দিনটো জিৰণি লয়। মুহিধৰে লাহে লাহে চাইকেলখন ঠেলি গ'ল। আহোঁতে ঘূৰাৰ সমান বেগত এতিয়া তাৰ চাইকেলখনৰ চকাকেইটা ঘূৰিব পৰা নাই।

আজি কিহৰ অসম বন্ধনো? মূল্য বৃদ্ধি। মানে দাম বাঢ়িছে? কাৰ কাৰণে বাঢ়িছে। সপ্তাহত তিনিটা দিন বন্ধ হ'ব, বেপাৰীবোৰে সেই বন্ধত হোৱা লোকচান পূৰাবলৈ দাম অলপ বঢ়াবই লাগিব।

মূল্যবৃদ্ধিৰ নামত দিয়া আজিৰ অসম বন্ধটোৱে দেখোন আজি মুহিধৰ আৰু কণমাইৰ বুঢ়া পেট দুটাকে বন্ধ কৰি দিব। ঘৰৰ পদুলিমুখ পাই মুহিধৰ ৰৈ গ'ল। তাৰ মনত এটাই প্ৰশ্ন, 'এই মূল্যবৃদ্ধিৰ বাবে অসম বন্ধ নে, অসম বন্ধৰ বাবে মূল্যবৃদ্ধি??'

মূল্যবৃদ্ধিৰ নামত দিয়া আজিৰ অসম বন্ধটোৱে দেখোন আজি মুহিধৰ আৰু কণমাইৰ বুঢ়া পেট দুটাকে বন্ধ কৰি দিব। ঘৰৰ পদুলিমুখ পাই মুহিধৰ ৰৈ গ'ল। তাৰ মনত এটাই প্ৰশ্ন, 'এই মূল্যবৃদ্ধিৰ বাবে অসম বন্ধ নে, অসম বন্ধৰ বাবে মূল্যবৃদ্ধি??'

মুহিধৰহঁতৰ গাঁৱলৈ ইতিমধ্যে সন্ধ্যাৰ কোমল আন্ধাৰ নামি আহিল। অলপ আগতে মুহিধৰে বান্ধি থৈ যোৱা গৰুহালে গোহালিত বাগৰ দি টোপনিয়াবলৈ ধৰিছে। মুহিধৰ আৰু ব্ৰজেনে ইতিমধ্যে ভাতকেইটা খাই শেষ কৰিছে। মাঘীয়ে ভাতকেইটা বাঢ়ি লৈ পীৰা এখন পাৰি বহি ল'লে। কাঁহীৰ কাষতে এজেবা নিমখ।

ঃ ভাতকেইটা খোৱাৰ সময়তে তালৈ বৰকৈ মনত পৰে অ', ক'ত বা আছে, কি বা খাইছে? মাঘীয়ে প্ৰথম গৰাহ ভাত মুখলৈ নি আদবাটতে ৰখাই উচুপি উঠিল। মুহিয়ে ইতিমধ্যে হাত ধুইছে। মাঘীলৈ এটা কেঁৰা চাৱনি দি ক'লে।

ঃ কিবা লাভ হৈছে জানো মনত পেলাই? এইসাঁজ ভাত পুতেৰাই খুৱাইছে জীয়েৰাই খুৱাইছে তাক এবাৰ ভাবি চোৱাঁ। তালৈ আৰু মনত পেলাই নেথাকিবা। কাষতে বহি শেষৰ গৰাহ ভাত মুখত লোৱা ব্ৰজেনে বুজি পালে।

ঃ তেনেকৈনো কিয় কয়? সিতো আপোনাৰেই ল'ৰা!

ব্ৰজেনৰ বুজনিত মুহিধৰৰ খং কমক চাৰি বাঢ়িলহে।

ঃ কেৱল তেজৰ সম্পৰ্ক থাকিলেই পুত্ৰ বুলি নকয়। যি পুত্ৰ ধৰ্ম পালন কৰে সিহে পুত্ৰ। জোঁৱাই তুমি শুবা, মই বাগৰ দিওঁগৈ। মুহি উঠি গ'ল। নিজৰ পুতেকৰ ওপৰত মানুহজনৰ আজি খং উঠিছে। যিটো ল'ৰাক মানুহ কৰিবলৈ এহাল মাক-দেউতাকে নিজৰ ৰুচি-অভিৰুচি সকলো বিসৰ্জন দিয়ে, সেই পুত্ৰই যদি জীৱনৰ ভাটি বেলাত মাক-দেউতাকক লগ দি নিদিয়ে, নিশ্চিতভাৱে মাক-দেউতাকৰ খং উঠিব। খঙতকৈ বেছি দুখ পাইছে মুহিধৰে। মুহিধৰ বিছনালৈ গ'ল। ব্ৰজেনে কিছুপৰ শহুৰেক যোৱাৰ ফালে চাই থাকিল।

ঃ আজি তুমি চাউলকেইটা ননা হ'লে আমি লঘোণেই থাকিলোঁহেঁতেন জোঁৱাই। বাৰীৰে শাক-পাঠলিকেইটাৰ বাদে আৰু একো উপায় নোহোৱা হৈছে। — মাঘীৰ দুয়োগাল তিতি গৈছে। নিজৰ ল'ৰা হৰেনে কেতিয়া ঘৰৰ ফালে মন দিব তাৰে আশাত সদায় ভগৱানক প্ৰাৰ্থনা কৰে। ঘৰখন চলোৱা মুহিধৰৰ বাবে টান হৈ পৰিছে। আধি-মাটি কেইডৰাৰপৰা ধানকেইটাই চাৰিমাহো ভালকৈ জুৰাব নোৱাৰে।



ভিনদেউ মই দেশৰ স্বাৰ্থক অপমান কৰি ক্ষুদ্ৰ স্বাৰ্থক গুৰুত্ব দিছোঁ, মই স্বাৰ্থপৰ। মই বৃহৎ স্বাৰ্থক অপমান কৰিছোঁ। ঢলং ঢপংকৈ ভিতৰলৈ সোমাই যাওঁতে হৰেণে আনৰ্গল বহি গৈছে। সিযেন তাৰ বুকুৰ মাজৰ সমস্ত কতা কৈ পেলাব।

জীয়েক শেৱালিৰ গিৰিয়েকৰ এখন ব্ৰইলাৰ কুকুৰাৰ ফাৰ্ম আছে। জোঁৱায়েক ব্ৰজেন যেন জোঁৱায়েক নহয়, পুতেকহে। আজি অসম বন্ধত শাহুয়েক-শহুৰেকৰ হ'ব পৰা অৱস্তাৰ কথা অনুমান কৰি চাউল-পাত লৈ ঢপলিয়াই আহিছে।


ঃ আপুনি চিন্তা নকৰিবচোন আই। মই আছোঁ, শেৱালি আছে, আমি জানো আপোনালোকক চাব নোৱাৰিম? ব্ৰজেনে হাত ধুই আহি লাহেকৈ কাঁহীখন আগলৈ ঠেলি দিলে। মাঘীয়ে তেতিয়ালৈকে ভাত খোৱাই নাই। নিস্তব্ধ জুশালখনত টিমিক-টামাককৈ জ্বলি থকা টিপ-চাকিটোৱেই যেন সিহঁতৰ মাজত যোগসূত্ৰ স্থাপন কৰিছে।

ঃ মই কিন্তু হৰেনক বেয়া পাইছোঁ ... নিৰৱতা ভংগ কৰি কোৱা ব্ৰজেনৰ কথাষাৰে ইমানপৰে মাঘীৰ মনৰ মাজত গুজৰি গুমৰি থকা ভাবটোক যেন বাহিৰলৈ উলিয়াইহে আনিলে। মাঘীয়ে চকুপানীক বাধা দিব নোৱাৰিলে।

ঃ তোমাতকৈও বেছি দুখ পাইছে তেওঁ। মানুহজন একেবাৰে ভাগি পৰিছে। কান সমনীয়া পুতেক এটা থাকোঁতে ...

ঃ আপুনি নেকান্দিবচোন আই। আমি তাক বুজাম। বিছনাত পৰি থকা মুহিধৰৰ মুখৰপৰা 'পাৰে পৰি হৰি' বৰগীতটো নিগৰি আহিল। ব্ৰজেনৰ অনুমান হ'ল মুহিধৰৰ বুকুৰ কোনোৱা এটা কোণৰপৰাহে যেন স্বতঃস্ফূৰ্তভাৱে বৰগীতটো ওলাই আহিছে।

০০০০০



কাৰোবাৰ বলিষ্ঠ মুঠিৰ আঘাতত মহীধৰহঁতৰ ঘৰৰ আগফালৰ বাঁহৰ দুৱাৰখনে কেৰমেৰাই উঠিল। দুৱৰখনৰ আৰ্তনাদত মাঘী সাৰ পাই উঠি বহিল।

ঃ কোন?

ঃ ৰ'বাহে, পুলিচো হ'ব পাৰে। — মুহিধৰৰ মনত এক অজান আশংকাই বাঁহ লৈছে। পুতেক সংগঠনত ঘূৰে। ক'ত কেতিয়া কি লেঠা লগাই ফুৰে কোনে জানে?

ইতিমধ্যে ব্ৰজেন গৈ দুৱাৰ খুলি দি আচৰিত হয়। এই ৰতিখন হৰেন আৰু ক'ৰপৰা ওলালহি।

ঃ অ' ভিনদেউ ....। হৰেনৰ গোটেই গাটোৱেই মদ মদ গোন্ধাইছে। কেনেবাকে ঘৰৰপৰা ওলাই যাবলৈ পালেই হ'ল, পোনে পোনে যেন মদৰ ঘাটিতহে ভৰি থ'বগৈ।

ঃ ভিনদেউ মই দেশৰ স্বাৰ্থক অপমান কৰি ক্ষুদ্ৰ স্বাৰ্থক গুৰুত্ব দিছোঁ, মই স্বাৰ্থপৰ। মই বৃহৎ স্বাৰ্থক অপমান কৰিছোঁ। ঢলং ঢপংকৈ ভিতৰলৈ সোমাই যাওঁতে হৰেনে অনৰ্গল বকি গৈছে। সি যেন তাৰ বুকুৰ মাজৰ সমস্ত কথা কৈ পেলাব।

ঃ মোৰ মা-দেউতা আজি লঘোণে থাকিব। সমাজৰ তলশ্ৰেণীৰ মানুহবোৰ লঘোণে থাকিব, সেইটো মোৰ বাবে হ'ব লাগে ক্ষুদ্ৰস্বাৰ্থ।

ঃ তই বহচোন ... হৰেনৰ শৰীৰটোক নিজৰ নিয়ন্ত্ৰণলৈ আনি হৰেনলৈ চকীখন আগবঢ়াই দিলে। হৰেনৰ নিয়ন্ত্ৰণহীন ভৰিৰ আঘাতত চকীখন উফৰি পৰিল। পুতেকৰ মাত শুনি মাঘী দৌৰি আহিল। পুতেকৰ এইটো ৰূপ দেখি মাতৃহৃদয় বিষাদেৰে ভৰি পৰিল।

ঃ হৰেন বোপাই তই নিজৰ এইটো কি গতি কৰি আনিছ? এই শেষ ৰাতিখন ....।

হৰেন আৰু ৰ'ব নোৱাৰিলে। সি গৈ মাকৰ ভৰিত ধৰি হুকহুকাই কান্দি দিলে। মাকৰ চৰণত মূৰ থৈ যেন সি নিজৰ সমস্ত পাপৰ প্ৰায়শ্চিত্ত কৰিব বিচাৰিছে। সি দেউতাকক বিচাৰি উঠিল।

ঃ দেতা .... দেতা ....

ঃ হ'ব বহি থাক। গেলা পানীসোপা খাই কান্দি দেখুৱাবলৈ আহিছ? পুতেকৰ এই ৰূপ কোনোদিনেই মানি ল'ব নোৱাৰে মুহিধৰে।

ঃ সংগঠন কৰি এইবোৰকে শিকিছ?

ঃ মই ফালিছোঁ। সংগঠন কৰা ল'ৰা, কিডাল ফালিছোঁ মই? মোক পৰিণীতাই আজি ইনছাল্ট কৰিলে। মই বোলে নিজৰ মা-দেউতাকে চাব নোৱাৰোঁ তাইক মই কেনেকৈ খুৱাম? ব্ৰজেনে টনি আনি হৰেনক এবাৰ বহুৱাবৰ চেষ্টা কৰিলে। কিন্তু হৰেনে যেন আজি তাৰ ক'বলগীয়াবোৰ ক'বই। মুহিধৰক হৰেনৰ কথা শুনিবলৈ আগ্ৰহী যেন পাই ব্ৰজেনে আৰু হৰেনক বাধা নিদিলে। হৰেনে অনৰ্গল বকি গ'ল।

ঃ অসম বন্ধ দিলেই মা-দেউতাৰ দৰে হাজাৰজনৰ পেট মৰে, সেইটো গৌণ। কিডাল কৰিছে সদায় সদায় অসম বন্ধ দি? বৃহৎ স্বাৰ্থৰ কথা ভবাসকলে কেতিয়াবা সৰু সৰু দিন হাজিৰা কৰাসকলৰ পেটৰ উমান লৈ পাইছে? ... হৰেনৰ মনত ইমান দিনে সোমাই থকা বিদ্ৰোহৰ আগ্নেয়গিৰিটো যেন আজি উদ্‌গীৰণ হ'বলৈ ধৰিছে।

মুহিধৰ, মাঘী আৰু ব্ৰজেন তিনিওজনে কেৱল হৰেনলৈ লক্ষ্য কৰিছে। বহুদিনৰ মূৰত নিজৰ জেদী সন্তানৰ আচল ৰূপটো মাঘীয়ে দেখা পাইছে।

ঃ যিটো সমস্যা আমি বেলেগ উপায়েৰেও সমাধান কৰিব পাৰোঁ তাৰ কাৰণেও অসম বন্ধ। ... হৰেনে মাথো বকি গৈছে। তাকে কলেই মোক অপমান কৰে। আগতে আমি এটা সংগঠনত আছিলোঁ। এতিয়া এশটামান ভাগ হৈ গ'লোঁ ....। হৰেনে মনত সংগঠনসমূহৰ বিৰুদ্ধে যেন কিছুমান যুক্তি তৈয়াৰ কৰি লৈছে। যি কোনোদিনে এনে সংগঠনসমূহ ভাগ ভাগ হৈ যোৱাটো নিবিচাৰে। নিৰ্দিষ্ট এটা সংগঠন থকাৰ পাছতো চুতীয়া, আহোম, সোনোৱাল কছাৰী, মেছ, মটক আদি বিভিন্ন সাম্প্ৰদায়ভিত্তিক বিভাজনে হৰেনৰ মনটো বিদ্ৰোহী কৰি তুলিছে। এনে বিভাজনমুখী মনোভাৱেই যে অসমীয়া জাতিটোক দুৰ্বল কৰি তুলিছে তাক হৰেনে ভালকৈ বুজি পাইছে। এতিয়া আমি আহোম, চুতীয়া, মটকহে হ'লোঁ অসমীয়া হলে কোনো নহ'লোঁ।



ঃ ভিনদেউ, মই দেশৰ স্বাৰ্থক অপমান কৰা নাই। সকলোকে দেখুৱাই দিম ময়ো মা-দেউতাক খুৱাব পাৰোঁ। পৰী, তুমিও চাই থাকাঁ .... মই বৃহৎ স্বাৰ্থক ..... ঢলং-পলং খোজেৰে হৰেন বিছনাৰ ফালে খোজ ল'লে। সি বৰ ভাগৰুৱা হৈ পৰিছে, ব্ৰজেনে ধৰি মেলি তাক বিছনাত শুৱাই দিলে।

ইমানপৰে শুই থকা চৰাইবোৰে সাৰ পাই চিৰিক-চাৰাককৈ মাতিবলৈ ধৰিলে।

ঃ হে'ৰা

ঃ ওঁ

ঃ ৰাতি পুৱালেই চোন, দিনটো নতুনকৈ আৰম্ভ কৰিবৰ হ'ল, আৰু নোশোওঁ দিয়াঁ....।

পুবৰ আকাশখন ৰঙচুৱা হৈ পৰিল। ব্ৰজেনে গৈ কোঠাটোৰ একমাত্ৰ খিৰিকিখন খুলি দিলে।



# ড° ভবেন্দ্ৰনাথ শইকীয়াৰ দৃষ্টিত শিশুজগত

অৰ্ঘ্যা গোস্বামী
উচ্চতৰ মাধ্যমিক১ম বৰ্ষ

ড° ভবেন্দ্ৰনাথ শইকীয়া একেধাৰে এজন সাহিত্যিক, নাট্যকাৰ, চলচ্চিত্ৰ নিৰ্মাতা, সমাজসেৱক, সংস্কৃতিকৰ্মী আৰু বৃত্তিত এজন অধ্যাপক আছিল। কিন্তু সেইসমূহৰ ভিতৰত ড° ভবেন্দ্ৰনাথ শইকীয়াই গুৰুত্ব সহকাৰে শিশুৰ প্ৰতি এক বিশেষ দায়বদ্ধতা দেখুৱাই গৈছে। বিশ্লেষণ কৰি চালে দেখা যায় শিশুৰ প্ৰতি তেখেতে পূৰ্ব পৰিকল্পিত আঁচনিৰে নিৰ্দিষ্ট কেইটামান দিশত কেইটামান কাম কৰিছিল। যথা— শিশুৰ বাবে সাহিত্যৰ সৃষ্টি কৰা, শিশুৰদ্বাৰা সাহিত্যৰ সৃষ্টি কৰোৱা, সাহিত্যৰ মাধ্যমেৰে পৰোক্ষভাৱে উপদেশ দিয়া, নৈতিক শিক্ষা দিয়া, শিশুৱে কৰা কামবোৰক গুৰুত্ব দিয়া, শিশুৰ ধেমেলীয়া স্বভাৱৰ বিকাশ ঘটোৱা যাতে আনন্দেৰে থকা স্বভাৱ গঢ় লৈ উঠে, শিশুৰ চিত্ৰাঙ্কণৰ জৰিয়তে শিশুৰ সমস্যাবোৰ দৃষ্টিগোচৰ কৰা, শিশুৰ আনন্দ, মানসিক আৰু বৌদ্ধিক বিকাশ আৰু সাংস্কৃতিক দিশত প্ৰতিভা বিকাশৰ বাবে বিশেষ সুবিধা দিয়া ইত্যাদি ভালেমান দিশত ভবেন্দ্ৰনাথ শইকীয়াই প্ৰত্যক্ষভাৱে কৰি যোৱা কামবোৰ আনকো শিশুৰ বাবে কৰণীয় দায়িত্বৰ কথা সকিয়াই গৈছে।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ শিশু সাহিত্যসমূহ হ'ল — গল্পপুথি 'মহাদুষ্টৰ দুষ্টবুদ্ধি', 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট', 'মৰম', প্ৰবন্ধ আৰু গল্পৰ জৰিয়তে লিখা নৈতিক শিক্ষামূলক পুথি 'তোমালোকৰ ভাল হওক', 'ককাদেউতাৰ চিঠি', কিশোৰ উপন্যাস 'মৰমৰ দেউতা' আৰু 'পদ্যৰ ধেমালি' নামৰ এখন পদ্যপুথি।

এইসমূহ সাহিত্যৰ প্ৰায়ভাগৰে প্ৰথম প্ৰকাশ ঘটিছিল ড° শইকীয়াৰ সম্পাদনাত প্ৰকাশ হোৱা শিশু আলোচনী 'সঁফুৰা'ত। ইয়াতে 'আশাকৰোঁ তোমালোক সকলো ভালে আছা' নামৰ সম্পাদকীয় এটি প্ৰকাশ পাইছিল। এই সম্পাদকীয় প্ৰবন্ধসমূহ 'ড° ভবেন্দ্ৰনাথ শইকীয়াৰ শিশু সাহিত্য সমগ্ৰ'ত সন্নিৱিষ্ট হয়। সফুঁৰা আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱাৰ অন্তৰালত ড° ভবেন্দ্ৰনাথ শইকীয়াই বিশেষ ধৰণৰ উদ্দেশ্য সন্মুখত ৰাখিছিল। যথা —

১। শিশু সাহিত্যৰ ঘাই উদ্দেশ্য শিশুসকলৰ এজন শুভচিন্তক বন্ধু হিচপে যিমানখিনি পাৰি ভাল ভাল আদৰ্শৰ কথা শিকাবলৈ যত্ন কৰা।

২। প্ৰতিজন লিখিব জনা মানুহেই শিশু সাহিত্য ৰচনা কৰা কামটোক কৰিবলগীয়া এটা অৱশ্য কৰ্তব্য হিচাপে আহ্বান জনোৱা।

৩। মানুহৰ দেহৰ সুষম বিকাশৰ বাবে যেনেদৰে উপযুক্ত পৰিমাণৰ খাদ্যৰ প্ৰয়োজন হয়, ঠিক তেনেদৰে মনৰ সুষম বিকাশৰ বাবেও পৰ্যাপ্ত পৰিমাণৰ শিশু সাহিত্যৰ প্ৰয়োজন হয়।

৪। পাঠ্যপুথিয়ে শিশুক বিভিন্ন বিষয় আৰু প্ৰসংগৰ লগত পৰিচিত কৰাই দিলেও সেয়া সকলো সময়তে যথেষ্ট নহয়।

৫। সাধাৰণ বুদ্ধিৰ ল'ৰা-ছোৱালীয়েও যদি পাঠ্যগ্ৰন্থসমূহৰ উপৰি অন্য কিতাপত সেইবোৰ বিষয় বা প্ৰসংগ পঢ়িবলৈ পায় তেওঁলোক যথেষ্ট পৰিমাণে উপকৃত হ'ব।

৬। কল্পনাৰ বিকাশ সাধন কৰা আৰু জীৱনৰ বাবে প্ৰয়োজনীয় বিভিন্ন আদৰ্শৰ সৈতে পৰিচিত কৰি দিয়াত শিশু সাহিত্যই উল্লেখনীয় ভূমিকা লয়।

ড° ভবেন্দ্ৰনাথ শইকীয়াই নিজে শিশু সাহিত্য সৃষ্টি কৰাৰ লগতে শিশুসকলে যাতে হাতত কলম তুলি ল'বলৈ প্ৰেৰণা পায় তাৰ বাবে সঁফুৰাত কেইখিলামান পৃষ্ঠাত শিশুসকলৰ লিখনি প্ৰকাশ কৰিছিল।

'মহাদুষ্টৰ দুষ্টবুদ্ধি' আৰু 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট' নামৰ গল্প পুথি দুখনৰ মাজেৰে ড° শইকীয়াই শিশুৰ কাৰ্য-কলাপত থকা সৰল আনন্দ আৰু নিৰ্দোষ ধেমালিৰ কিছুমান কাহিনী সন্নিৱিষ্ট কৰিছে। ৰুণি, বাপু, মুনু আৰু ভুলু এই চাৰিটা মূখ্য চৰিত্ৰৰ মগজুত সৃষ্টি হোৱা উদ্ভট কল্পনাৰ ফলত সিহঁতে কৰি ফুৰা নানা দুষ্টালিৰ কাৰ্যকলাপৰ ৰসাল কাহিনীয়ে হ'ল 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট'। এই দুয়োখন কিতাপৰ যোগেদি শিশুৰ মনস্তত্ত্বক বুজি পোৱাৰ সুবিধা দিলে ড° ভবেন্দ্ৰনাথ শইকীয়াই।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ কিশোৰ উপন্যাস 'মৰমৰ দেউতা'ৰ মূল বিষয় কিশোৰ অপৰাধ প্ৰৱণতা। বিপুল নামৰ মুখ্য চৰিত্ৰটোৰ মাজেৰে তেখেতে যুৱচামৰ উচ্ছৃংখল অৱস্থাক প্ৰকাশ কৰাৰ লগতে তাৰ ফলত এখন ঘৰত হোৱা অশান্তিকৰ পৰিস্থিতিক সুন্দৰকৈ বৰ্ণাইছে। কিশোৰ উপন্যাস হিচাপে 'মৰমৰ দেউতাই' অসমীয়া সাহিত্যলৈ এক বিশেষ বৰঙণি যোগায়। শিশুৰ বা কৈশোৰ অৱস্থাৰ মনস্তাত্বিক দিশৰ পৰিচয় এই গ্ৰন্থই পৰিষ্কাৰকৈ অঙ্কণ কৰিছে।

'ককাদেউতাৰ চিঠি' বা 'তোমালোকৰ ভাল হওক' এই গ্ৰন্থসমূহৰ লিখনিত দেখা যায় যে ড° ভবেন্দ্ৰনাথ

**'ককাদেউতাৰ চিঠি' বা 'তোমালোকৰ ভাল হওক' এই গ্ৰন্থসমূহৰ লিখনিত দেখা যায় যে ড° ভবেন্দ্ৰনাথ শইকীয়াই শিশুৰ মন আকৰ্ষণ কৰিব পৰাকৈ ধেমেলীয়া কথাৰ মজেৰে কিছুমান নীতিশিক্ষা আৰু শৈশৱতে গ্ৰহণ কৰিবলগীয়া উপদেশ দি গৈছে। বিভিন্ন প্ৰসঙ্গক লৈ লিখা এই লিখনিসমূহে শিশুসকলৰ বহুতো সমস্যাৰ সমাধান দিয়ে।**



শইকীয়াই শিশুৰ মন আকৰ্ষণ কৰিব পৰাকৈ ধেমেলীয়া কথাৰ মজেৰে কিছুমান নীতিশিক্ষা আৰু শৈশৱতে গ্ৰহণ কৰিবলগীয়া উপদেশ দি গৈছে। বিভিন্ন প্ৰসঙ্গক লৈ লিখা এই লিখনিসমূহে শিশুসকলৰ বহুতো সমস্যাৰ সমাধান দিয়ে।

শিশু সাহিত্যৰ উপৰিও ড° ভবেন্দ্ৰনাথ শইকীয়াই শিশুৰ আনন্দ-বিনোদন আৰু সাংস্কৃতিক দিশৰ বিকাশৰ বাবে কিছুমান আঁচনি পৰিকল্পনা কৰি বাস্তৱ ৰূপ দিছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ অধ্যক্ষ পদত থাকোঁতে তেখেতে শিশুসকলৰ সৰ্বাত্মক বিকাশৰ বাবে কলাক্ষেত্ৰত এখন শিশু উদ্যান নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছিল। শিশুৰ উন্নয়নৰ বাবে এখন শিশু উদ্যানৰ সৃষ্টি কৰাৰ কথা অসম নালাগে সেই সময়ত ভাৰতৰ অন্য কোনো ঠাইতে এনে ধৰণৰ দ্বিতীয় এটা অনুষ্ঠান গঢ়াৰ পৰিকল্পনা কোনেও কৰা নাছিল। কলাক্ষেত্ৰৰ সচিব গৌতম শৰ্মাৰ সহযোগত শিশু উদ্যানৰ আঁচনি প্ৰস্তুত কৰি সুপৰিকল্পিত আৰু সুচিন্তিতভাৱে ২০০০ চনত কলাক্ষেত্ৰৰ এটা অংশত মুঠ ১২ বিঘা মাটিত স্বপ্নৰ শিশু উদ্যানখন মুকলি কৰিলে। নাম দিলে 'শিশুবন'। শিশুবনৰ পুতলাগৃহ, পুথিভঁৰাল, ফ্ৰেণ্ডছিপ্ পেভিলিয়ন'ত শিশুৱে উমলিবলৈ সুবিধা পালে। লগতে নাচ-গান-নাটক পৰিৱেশন কৰিবলৈ এখন সৰু মঞ্চও পালে।

২০০০ চনৰ ১২ ফেব্ৰুৱাৰীত ড° ভবেন্দ্ৰনাথ শইকীয়া শিশু কল্যাণ ন্যাস নামেৰে তেখেতৰ সপোনৰ শিশু কল্যাণ ন্যাসটো গঠন হৈছিল। এই ন্যাসত ড° শইকীয়াই সাঁচি থোৱা নিজৰ সমুদায় ধন আৰু গুৱাহাটীৰ বেলতলা পথৰ ২ নম্বৰ বশিষ্টপুৰ পথৰ নিজৰ বাসভৱনৰ সৈতে মাটিখিনি ন্যাসৰ হাতত বিধিসম্মতভাৱে অৰ্পণ কৰিছিল।

শিশু কল্যাণ ন্যাসৰ জৰিয়তে ভবেন্দ্ৰনাথ শইকীয়াদেৱে 'আৰোহন' নামেৰে এটি স্বেচ্ছাসেৱী আৰু আত্মনিৰ্ভৰশীল সংগঠন গঢ়ি তোলাৰ পৰিকল্পনা কৰিছিল আৰু সেই অনুযায়ী ২০০২ চনৰ ২০ ফেব্ৰুৱাৰীত এটি চাৰিমহলীয়া ঘৰৰ আধাৰশিলা স্থাপন কৰা হয়। সম্পূৰ্ণ দুবছৰৰ ভিতৰতে আৰোহন নিৰ্মাণ কৰি ২০০৪ চনৰ ২০ ফেব্ৰুৱাৰীৰ দিনা উদ্বোধন কৰিব বুলি পৰিকল্পনা কৰিছিল যদিও তেখেতৰ সেই সপোন আধৰুৱা হৈ ৰয়। তথাপি স্থপিতবিদ অৰিজিৎ চৌধুৰীৰ আৰ্হিৰে প্ৰায় ১৬০০০ বৰ্গফুট মাটিত আৰোহন নিৰ্মাণ হয় আৰু বেলতলাৰ এই শিশুগৃহটিলৈ শদিয়াৰপৰা ধুবুৰীলৈকে বিভিন্নজনে দান-বৰঙণিৰে সহায় আগবঢ়োৱাৰ লগতে চৰকাৰেও এই প্ৰচেষ্টাক সমৰ্থন জনাই আৰোহনক গঢ় দিয়ে। মুকলিলৈ খেল-ধেমালিৰ বাবে 'ফুলনি'; 'পুথিভঁৰাল, হবিকেন্দ্ৰ, চাৰু আৰু কাৰুকলাৰ প্ৰশিক্ষণ কেন্দ্ৰ, বহুমুখী প্ৰেক্ষাগৃহ আৰু অভ্যৰ্থনা কক্ষ আৰু সৰুকৈ এটা 'কনফাৰেন্স হল' থকা আৰোহনক আজিও ড° ভবেন্দ্ৰনাথ শইকীয়া শিশু কল্যাণ ন্যাসে শিশুৰ বাবে জীয়াই ৰাখিছে।

শিশুৰ প্ৰতি ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱে কিয় এটা উদ্দেশ্য আগত ৰাখি কামবোৰ পৰিকল্পিতভাৱে কৰিছিল তাক প্ৰতিজন সচেতন নাগৰিকে যুক্তিৰে বিশ্লেষণ কৰি চোৱা দৰকাৰ। ভৱিষ্যতৰ এখন সুস্থ-সবল, ক্ষিপ্ৰ, গতিশীল সমাজৰ বাবেই ড° শইকীয়াই এই মহৎ চিন্তাৰ আৰ্হি দেখুৱাই গ'ল। এই আৰ্হিৰে শিশুৰ কল্যাণৰ বাবে সকলোৱে হাতে কামে আগবাঢ়ি গ'লেহে ভবেন্দ্ৰনাথ শইকীয়াদেৱৰ বিজ্ঞানসম্মত আঁচনিয়ে গতিশীল ৰূপ পাব।

*ভৱিষ্যতৰ এখন সুস্থ-সবল, ক্ষিপ্ৰ, গতিশীল সমাজৰ বাবেই ড° শইকীয়াই এই মহৎ চিন্তাৰ আৰ্হি দেখুৱাই গ'ল। এই আৰ্হিৰে শিশুৰ কল্যাণৰ বাবে সকলোৱে হাতে কামে আগবাঢ়ি গ'লেহে ভবেন্দ্ৰনাথ শইকীয়াদেৱৰ বিজ্ঞানসম্মত আঁচনিয়ে গতিশীল ৰূপ পাব।*

# কালান্তৰৰ কবিতা

মৃদুল শৰ্মা
অধ্যাপক, অসমীয়া বিভাগ

প্ৰাক্‌কথন ঃ

হিয়ালি জিয়ালি জোনাক এডৰাত
বুকুত ফুলাম অনুভৱ এসোপা লৈ
এজাক মানুহ জৰ্জৰিত ডাৱৰীয়া মনৰ
ভৱিষ্যই কৰা ইতিকিঙত সিহঁত ক্ৰুদ্ধ-বিধ্বস্ত-উত্যক্ত

ইটোৱে চায় সিটোৰ চকুত কিবা দেখাৰ
আশংকাগ্ৰস্ত সম্ভাৱনাৰে
অচিনাকি বনৰীয়া লতা এডালে জপটিয়াই ধৰে
সিটোক ..... ক্ৰমশঃ ইটোক ..... আৰু আটাইকে

কথোপকথন ১ ঃ

হে' প্ৰভু! কি হৈছে মোৰ
কি মায়াৰ গ্ৰাসত পৰিলোঁ দুৰ্ঘোৰ? মই বাৰু
পাগল হৈছোঁ নেকি? যদি হোৱা নাই তেন্তে তুমি?

ক্ষমা কৰিবা। হাঁহিলা তুমি মোৰ ডাইলগ্ শুনি
ভালপোৱাত হেনো ক্ষমাৰ স্থান নাই
মোৰ আগমঙহ, মোৰ চেনাই

আন্ধাৰৰ দেহৰ গোন্ধ বাৰু লুণীয়ানে?

কথোপকথন ২ ঃ

কমলাকুঁৱৰীক লৈতো আৰু কোনো নীতিয়েই নচলে এতিয়া
গতিকে বুৰ গ'ল তাইৰ দুচকুৰ সংগ্ৰাম হেঁপাহৰ সপোন
আৱৰি ধৰিলে জুয়ে

স্বৰ্গদেউ কুশলে থাকক। মাতষাৰ তাইৰ ডিঙিৰপৰাই
ওলাইছিলনে?

কলমৌ খাওঁতে বুঢ়া হনুমন্তে নগৰী কৰিলে ছন
অথচ সোণৰ সিংহাসনত তেতিয়াও ৰাৱণৰ যি হাঁহি

তেনেহ'লে শান্তিৰে বৈ থকা নৈখনক জোকাই ল'লা কেলেই
হাড় নিচিনিলা মঙহ নিচিনিলা ছালছটাতো চিনিব লাগিছিল।
বাঘ বাঘেই। মানুহ খাওক বা নাখাওক
তাৰ পাছৰখিনিতো গম পাবাই

আঁকৌ তুমি হেনো শুয়েই আছিলা তেতিয়াও

কথোপকথন ৩ ঃ এইমাত্ৰ যে প'ষ্টমৰ্টেম কৰিলে কাৰ দেহ সেইটো
আপুনি যে লিখিলে **a healthy young body / male 5'9"**
কি পালে তাৰ পেটত
তাৰ কপালত লিখাখিনি চালেনে

আপোনাৰ কপালৰ লেখাখিনি চাইছেনে
প্ৰিম'ৰ্টেম কৰি

পুতি থ'ব বুইছে লাও হৈ ওলমিব জৰা হৈ গেলাতে টেঙা দি
ফুল হৈ ফুলাব আপোনাৰ কপাল

বাঃ কাৰ স্পৰ্শত কোন ৰজা হয় কাৰ ছত্ৰভংগ যোগ পৰে কেতিয়া
দুঃশাসনে কাৰ বুকুৰ তেজ পি খায়
আঃ সৌফালে চোৰাঁ সৌফালে সৌফালে
ভাগি পৰিল দুয়োজোপা গছ সামান্য কেঁচুৱা এটাৰ ইমান বল!

জীয়া দেৱতাৰ নিৰ্দেশত লগ্ন গণনাত
মঙলতীয়ে বাৰে বাৰে ভুল কৰেই যেতিয়া
মোলৈ নেঘেৰিটিঙেই ভাল

মোৰ দেৱতাই মানুহৰ তেজ নাখায়।

কথোপকথন ৪ ঃ কি হৈছিলনো আচলতে? কি কৰি আছিলা ইমান পৰে
ধুনীয়া সপোন দেখি লাওখোলাত পৰিৱেশিত জীয়া
মানুহৰ জেলী? মানুহ ৰ'ষ্ট! অভিজাত
ৰেষ্টোৰাঁত তেতিয়া সংগীত-সুৰা-সুৰ-অসুৰৰ সমবেত সম্ভোগ
পুৰি খাবলৈ বৰ ভাল মানুহৰ মঙহ

আৰু দেখিলানে পোৰা মানুহ খোৱা ঘোঁৰাৰ দৌৰ
আৰু পৰীয়া কুকুৰজাকৰ অস্থিৰতা ঃ
নিৰাপত্তাইতো ঘাই কথা।

বৰ ধুনীয়াকৈ পলাই ফুৰিব পাৰোঁ মই
আপুনি পাৰেনে

ভাল লাগে বৰ ভাল লাগে
এই তেল সনা বাঁহত বগোৱা বান্দৰৰ বান্দৰামি
তুমিতো এইখন খেলকে চাব খুজিছিলা

কথোপকথন ৫ ঃ তেওঁ স্বৰ্গলৈকে গ'ল নতুনকৈ কিনা গাড়ীখনতে উঠি
আৰু সেই ল'ৰা-ছোৱালীহাল — বিয়া হ'বলৈ আহিছিল হেনো
ভাগ্য ভাল, প্ৰিয়জনৰ মৃত্যু নেদেখিলে সিহঁতে

এৰা! যি পাইছা তাকে গ্ৰহণ কৰাঁ জীৱন বুলি

শুনাচোন, ক'ৰবাত নেগেৰা বাজিছে
দ্ৰুত লয়ত

প্ৰেক্ষাপটৰ আঁৰত ঃআৰু তেতিয়া লুইতেদি ভটীয়াই গুচি গৈছে
বিবৃতি-ব্যস্ত দ্ৰুত আঙুলি লেপটপৰ কীব'ৰ্ডত

কথোপকথন ৬ ঃ এৰা! তোমাক মৰাৰ দাবীতো অন্ততঃ মই কৰিব পাৰোঁ
মুকলি কৰি ৰাখিব পাৰোঁ মোৰ
ৰাজপাট দখলৰ বাট

তীখাবোৰ মঙহ হৈ গ'ল মঙহাল মানুহবোৰ বহি থকা
গাড়ীখন এতিয়া এটা জঁকা

চোৰাংচোৱাই হেনো খবৰো দিছিল

আচৰিত কথা চিলনীৰ জীয়েকৰ চুলিডালতকৈও বিস্ময়কৰ
আৰু দীঘল এই তলা-নলা নোহোৱা সময়
বৰ্তমান বা ভৱিষ্যৎ বা ইতিহাস

কথোপকথন ৭ ঃ ইতিহাস নঙঠা ফকীৰ। তাতে পিন্ধাই দিয়াঁ সোণ-ৰূপ
মণি-মৰকতৰ আভূষণ
ঢাকি দিয়াঁ কমলা কুঁৱৰীৰ জঁকা
প্ৰতিশ্ৰুতিৰে। প্ৰতিশ্ৰুতি অথবা
নিশ্চয়তাসূচক দুষাৰ কথা, এটা হাঁহি
অকণমান প্লিচাৰিণধৰ্মী চকুপানী

সমবেত স্বৰ ঃ উঠি আহিছে আহিছে আহিছে আহিবই এতিয়া
বিপুল আনন্দত এতিয়া কমলা কুঁৱৰী উঠি আহিব
তেজৰ পুখুৰীটোৰপৰা

কমলা কুঁৱৰীৰ জঁকা

আৰু নাচিব কেঁচাইখাতীৰ নাচ
লুইতে খহাই নিব ধুই নিব মানুহৰ আৱৰ্জনা
আৱৰ্জনাৰ দেশ

পুচ্ছাংশ ঃ তাতেইতো শেষ!
তেনে এটা শেষৰ বাবে ধৈৰ্য ধৰি
অকণমান অপেক্ষা কৰাঁ


সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় শেষ হোৱাৰ পথত
আৰু খন্তেক সময়ৰ পাছতেই ....

# মই আকৌ আহিম

অপূর্ব দাস
স্নাতক ১ম বর্ষ

শাওণৰ বোকা-পানীৰে
লুতুৰি পুতুৰি হোৱা
ৰোৱনীজনী গ'ললৈ
এমোকোৱা আশাৰ হাঁহিৰে
তাইৰ লিহিৰি হাতৰ পৰশেৰে
সেউজীয়া কৰি থৈ গ'ল
উদং পথাৰখন
আৰু কাণে কাণে কৈ গ'ল
মই আকৌ আহিম
মই আকৌ আহিম।

হেমন্তৰ হিমে ধোৱা
তোৰ লাজৰ ওৰণিখন
গুচাই দিবলৈ
আৰু হেঁপাহৰ সোণ গুটি নিবলৈ।



# এখুদ অনুভৱ

ইন্দুকল্প দিহিঙীয়া
স্নাতক ১ম বৰ্ষ

শব্দবোৰ ভাতঘুমটিত..
বাক্যবোৰৰ নিৰ্লজ্জতা
দফা দফা বাগৰে
আঘোনৰ আঘোনী, ডাঙৰী
মুঠি মুঠি, এমোকোৱা
গৰ্ভৱতী হাঁহি।
প্ৰেম, পগলা ফাটেকত,
লজ্জাহীনতাত নিৰ্লজ্জ
সেউজীয়া কলপ,
পগলা ঘণ্টা।

# তোমাক বিচাৰি পাওঁ

দীপশিখা গগৈ
স্নাতক ১ম বৰ্ষ

তোমাক বিচাৰি পাওঁ
কবিতাৰ পংক্তিৰ মাজত
সেয়ে, এনেকৈয়ে লিখি যাম
পংক্তি ভৰা কবিতাৰ মিছিল ....।
বাস্তৱৰ ৰূঢ়তাৰ মাজত
তোমাক লৈ সাজোঁ।
কল্পনাৰ সৌধ
মোৰ সপোনবোৰে তোমাক
বিচাৰি ফুৰে
অনুভৱে কয়, তুমি থাকাঁ।
পংক্তিৰ মাজে মাজে
সেয়ে লিখি আছোঁ, লিখি যাম
পংক্তি ভৰা কবিতাৰ মিছিল.....!






## আন্ধাৰ

ৰিণ্টু চেতিয়া
স্নাতক ২য় বৰ্ষ

এনেকৈয়ে
যন্ত্ৰণাবোৰ সৰি পৰে
ৰাতিৰ ৰোকোচাত
আৰু
অব্যক্ত শব্দবোৰে
আঁৰি লয় আন্ধাৰৰ আঁচল
য'ত সামৰি থোৱা থাকে
এমুঠি আলাপৰ অবুজ নীৰৱতা।
সময়বোৰ এখন নদী হৈ পৰে
প্ৰেম, ভালপোৱা
ইত্যাদি ইত্যাদি
সম্পৰ্কবোৰ জীৱন অৱবাহিকাত,
হৈ পৰে অনুভৱী গদ্য।
আৰু
সকলো যেতিয়া শেষ হয়
ধূসৰ বিষণ্ণতাৰ ছাঁবোৰ
এনেকৈয়ে,
সৰি পৰে ৰাতিৰ বুকুত
আৰু
চাৰিওফালে হৈ পৰে
আন্ধাৰ।।



## অনুভূতি স্বাধীনতাৰ


জোনালী তালুকদাৰ
স্নাতক ১ম বৰ্ষ

চাওঁতে চাওঁতে
পাঁচবছৰ বাগৰিল
কালৰ সোঁতত।
বানে গৰকা ধেমাজিতো
আজি স্বাধীনতা দিৱসৰ কোলাহল।
স্বাধীনতাৰ অৰ্থ বুজি নোপোৱা
অথচ স্বাধীনতা দিৱসত ভাল ল'বলৈ যোৱা
মনজিৎ, সিদ্ধাৰ্থ, যুগান্তৰ, মানসীৰ
আত্মাই হয়তো ভাৱিছে ....
সন্ত্ৰাসৰ বিৰুদ্ধে বিপ্লৱ হ'ব পাৰে
কিন্তু বিপ্লৱেই যেতিয়া সন্ত্ৰাস হয়
তাৰ পৰিণতি কি হ'ব পাৰে বাৰু?
শাওনৰ শেষত আকৌ ভাদৰ আগমন
আৰু
ভাদ মাহৰ দুবৰিৰ আগত
নিয়ৰৰ টোপাল সৰাৰ সলনি
২০০৪ চনত ধেমাজিৰ খেল পথাৰত সৰিছিল
কেঁচা তেজৰ চেকুৰা
কেইটামান নিস্পাপ শিশুৰ ....।।
কোনে কয়
আমাৰ কণমানি কেইটাৰ দেশাত্মবোধৰ অভাৱ?
জাতীয়তাবাদী চেতনা জগাবলৈ
জানো,
সন্ত্ৰাসবাদৰ
শ্লোগানৰ প্ৰয়োজন?
তথাপিতো
মনজিৎ, সিদ্ধাৰ্থই বুজিছিল
দেশ বুলিলে আদেশ নালাগে।।
হে মৃত্যুদাতাসকল
কণমানি কেইটাৰ তেজৰ চেকুৰাৰে
আহিব জানো
তোমালোকৰ স্বাধীনতা??

# সন্ত্ৰাসবাদ

কাজল দাস
প্ৰাক্তন ছাত্ৰ

কাতৰ ক্ৰন্দনৰ ব্যথা
কিমান যে হৃদয় বিদাৰক
ৰক্তপিপাসুসকলে কি জানে?



তেওঁলোকে জানেনে
অকস্মাতে আপোনজনক
হেৰুৱাৰ বেদনা

তেওঁলোকে জানেনে
গুলীৰে নিহতসকলৰ
এটোপাল তেজৰ মূল্য

তেওঁলোকে জানেনে
ভগ্ন হৃদয়ৰ ব্যথা
কিমান যে বেদনাদায়ক

তেওঁলোকে জানেনে
বোমা বিস্ফোৰণত অকালতে
পিতৃ-মাতৃক হেৰুৱা
নিঠৰুৱা শিশুসকলৰ
এটোপাল চকুলোৰ মূল্য

তেওঁলোকৰ শিলাময় হৃদয়ে জানে
কেৱল হত্যা আৰু সন্ত্ৰাস।



# শিক্ষাগুৰু

ভৃগুৰাম মিলি
স্নাতক ৩য় বৰ্ষ

হে মহান শিক্ষাগুৰুসকল
আজি এই মধুৰ ক্ষণত
তোমাৰ চৰণলৈ মোৰ শত শত
প্ৰণাম নিৱেদন জনাইছোঁ
লগতে আন্তৰিক শুভেচ্ছা নিবেদিছোঁ
বৈচিত্ৰ্যময় পৰিৱেশত তুমিও
বিভিন্ন ৰূপে তোমাৰ পৰিচয় দিছা
কেতিয়াবা গুৰুদেৱ, কেতিয়াবা শিক্ষাগুৰু
কেতিয়াবা জীৱনৰ পথ পদৰ্শক
আকৌ কেতিয়াবা তুমি
আজীৱন জ্ঞান দাতা ৰূপে
মানৱ সমাজৰ কল্যাণৰ হকে
নিজকে উছৰ্গা কৰিছা
সঁচাই তুমি মহান
তোমাৰ পৰশেৰে উজ্জ্বলাই তুলিছা
সমগ্ৰ বিশ্ব জগত।
সূৰুযে যেনেকৈ পোহৰ বিলাই
সমগ্ৰ বিশ্ব পোহৰাই তোলে
ঠিক তেনেকৈ তুমিও জ্ঞানৰ পোহৰ বিলাই
পোহৰাই তুলিছা এই মানৱ জগত।
ধন্য, ধন্য তুমি আজীৱন জ্ঞানদাতা
জীৱনৰ পথ পদৰ্শক
তোমাৰ পদধূলাৰে ধন্য হৈছোঁ আমি
সাৰ্থক হৈছে আমাৰ জনম।

## তুমি সুখী হোৱাকৈ ভাল পাব নোৱাৰিলোঁ তোমাক !

ভাস্কৰজ্যোতি দাস
ভূগোল বিভাগ

এইযে কেতিয়াবা ৰাতি
বেৰৰ ফাঁকেৰে জোনৰ পোহৰত
ছঁয়া-ময়াকৈ জিলিকে তোমাৰ মুখ
স্মৃতিৰ সজল কেন্‌ভাছত

চিগাৰেটৰ ধোঁৱাৰ মাজত মুখ ঢাকি
আঁতৰি যায়—
দীঘলীয়া মৌন নিশাহ এটা

তোমাক মোক অকলে এৰি ............

ভাগৰুৱা পাখি সামৰি
হয়তো, এদিন তুমি উভতি আহিবা

অৱহেলিত কোণত পোতখাই থকা
শিপাবোৰ এদিন গছ হৈ গজিব...........।

আশা..... এয়েতো জীৱন

সেয়ে ——
কফিন খুলি গুচি আহোঁ বাৰে বাৰে।

## আজি আকৌ মনত পৰিছে

বিজয় চাংমাই
স্নাতক তৃতীয় বৰ্ষ

ঢৌ জানো অকল সাগৰতে উঠে?
হৃদয়তো উঠে চাগে।
প্ৰবল সোঁতত ঢৌ উঠে জোঙা হৈ।
পুৰণি স্মৃতিবোৰ আৰু পুৰণি হ'ল
হৃদয়ৰ ভিতৰলৈ বেদনাৰ সলিলা হৈ।
ধেৎ! আজি আকৌ মনত পৰিল।

জোঙা ঢৌবোৰে জোৰেৰে খুন্দা মাৰে বুকুত
আৰু নামাৰিব কিয়?
ওলাবলৈনো কিমান কষ্ট দিব চকুৰ ওপৰত
কাঞ্চন বৰুৱাই কিয় জানো লিখিছিল
"অসীমত যাৰ হেৰাল সীমা"
লগ পোৱা হ'ল নিশ্চয় ক'লোঁহেঁতেন।
"অসমীত যাৰ হেৰাল সীমা"
নাভাবিবা মৰুভূমি হ'ব বুলি
কাৰণ জীয়াই ৰাখিছোঁ মই
এদিন চিনাকি, দুদিন ব্যথাৰে আৰু
নয়ন ভৰাই চোৱা তোমাৰ প্ৰতিচ্ছবি মনেৰে
স্মৃতিবোৰ সাঁচি থৈছোঁ এখনি নাৱত
য'ত তোমাৰ সন্মুখত বহি মই ব'ঠা বাওঁ।
তোমাৰ দুষ্টালিত নাৱে টুলুং ভুটুং কৰে
কিয় পানী চুব খুজিছা?
উস! নকৰিবা, পিছলি পৰিবা।

আজি আকৌ মনত পৰিছে।।

# লুইতৰ বুকুত ককাৰ ল'ৰালি

সুদৰ্শন গগৈ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ



বহুদিন আগতে লুইতৰ পাৰত
আছিল এখনি গাঁও
ককাৰ ল'ৰালি বিচাৰি গৈ গৈ
সেই গাঁওখনি পাওঁ।

ল'ৰালিৰ মন, উৰণীয়া পখী
বনত ফৰিং ধৰে
সন্ধিয়া হ'লেই ঘৰলৈ আহি
আইক আমনি কৰে।

সমনীয়া-স'তে দুপৰ-পৰত
পানীত লুকালুকি খেলে
লুইতৰ তলিত সোণ জিলিকিছে
কোনে বুটলিব পাৰে!

এনে- ল'ৰালিক পাহৰেব কেনেকৈ
ককা বৰ আৱেগিক হয়,
অসীম-আকাশত কিবা ৰং বিচাৰি
নিজানত থমকি ৰয়।

লুইতৰ বুকুতে এদিন ককাই
ল'ৰালিক বিদায় দিলে,
সেইদিনাখনে ৰূপহী আইতাৰ স'তে
বিৱাহত বান্ধ খালে।

ল'ৰালিৰ লগৰী বৰ লুইততে
আইতাই জুলুকি বায়,
বাৰীৰ মানিমুনি খুতৰা বুটলি
দুসাজ সুখেৰে খায়।

নিজ গাঁৱৰে পিছফালে এখনি
আছিল ধাননি পথাৰ,
সেই পথাৰত যিয়ে ভৰি দিয়ে
নাছিল অভাৱ তাৰ।

ককাই পথাৰত কোৰ মাৰি আহি
আবেলি ঘৰ সোমায়,
আইতাৰ মুখত মিঠামাত শুনি
সকলো ভাগৰ পলায়।

এনে সুখ দেখি বিধিও কিজানি
নোৱাৰে থাকিব বৈ,
সেয়েহে এদিন কাল-ৰূপলৈ
লুইতো আহিল বৈ।

লখিমী পথাৰত আহুধান হালিছে
মনবোৰ উঠিছে নাচি,
ইফালে লুইতত বৰ ঢল নামিছে
খহিছে পথাৰৰ মাটি।

ল'ৰালিৰ লগৰী মৰমৰ তটিনী
আজিনো কি ৰূপ ল'লে,
নিমিষতে আহি দেওনা পালেহি
সকলো উটুৱাই নিলে।

তাহানি যুগতে আজো ককাই
তুলিছিল ঘৰৰ ভেঁটি,
আজিৰ প্ৰলয়ক কোনে বাধা দিব
সকলো গৈছে উটি।

গাঁৱৰ নৰ-নাৰীৰ বিননি ৰোলত
আকাশ পৰিছে খহি,
তথাপিতো লুইতখন শান্ত নহৈছে
আহিছে খৰখেদা কৰি।

গাঁৱৰ গাঁওবুঢ়াই ভাবিবই পৰানাই
তথাপি দিছে সকীয়নি,
যিয়ে য'ত পাৰা সুবিধা চাই
সাজি লোৱাঁ ঘৰখনি।

বুঢ়া মেঠাসৱে ইজনে সিজনক
যাঁচিছে বিদায়ৰ বাণী
যোৱাঁ যোৱাঁ বন্ধু দূৰলৈ যোৱাঁগৈ
নুটুকিবা চকুপানী।

জীয়াই থাকোঁতে কেতিয়াবা আমি
যদি হওঁ মুখামুখী,
নিজৰ কাহিনী ক'ম সকলোৰে
ন-ঘৰৰ ঠিকনা সুধি।

নৱ বিবাহিত আমাৰ ককাই
আইতাক লগত লৈ
নৈৰ পাৰে পাৰে উজাই গ'লগৈ
অচিনাকী গাঁৱলৈ।

হঠাতে আইতাই বাটতে থমকি
পিছফালে ঘূৰি চায়
যিটো বাটেৰে আহিছিল তেওঁলোক
এতিয়া সেয়াও নাই।

ককাৰ দুচকুত শোকৰ চকুলো
দুগালেৰে বৈ যায়,
পথাৰ-শুৱনি কজলা গৰুহাল
এতিয়া গোহালিত নাই।

তথাপিতো দুয়োয়ে দুয়োকে সাবটি
আগলৈ আগুৱাই যায়,
ৰাতিৰ জুই খেদি এদিন হঠাতে
আমাৰ গাঁওখনি পায়।

দুদিনৰ আগতে এই ঠাইখনিত
আছিল বনেৰে ভৰি,
বানত ভগনীয়া অসহায়সকলে
পাতিছে গাঁওখনি আহি।

এই গাঁৱৰে কোনোবা কোণত
ককাই আহি ল'লে মাটি,
বৰ কষ্টেৰে বাঁহ-বেত গোটাই
সাজিলেহি পঁজা এটি।

গাঁৱৰ মানুহে নলনী ভাঙিছে
খুলিব নতুন পাম,
আইতাই আহি ককাক কৈছে
আমিও সুখেৰে খাম।



কোনোবা এদিন ফাগুনৰ ৰাতি
আকাশে গৰজি উঠে,
দেউতাই আহি আইতাৰ কোলাত
আলফুলে শুই পৰে।

বহুতৰে চেনেহৰ এইখনি ন-গাঁও
যেন মিলনৰে পুৰ,
এই গাঁৱৰেই ৰঙচুৱা মাটিত
আইতা যে গ'ল বুৰ।

মৰমৰ মৰমী, জীৱনৰ লগৰী
যদিও আইতা নাই,
আমাক লগ পাই ককাই আজি
আছে শান্তিৰে জীয়াই।

এদিন আবেলি ককাৰ স'তে মই
গৈছিলোঁ লুইতলৈ
বলিয়া বানেৰে ধুই লৈ যোৱা

এইখন কেনেকুৱা নৈ।


মোৰ কথা শুনি ককাই হাঁহি উঠে
ওচৰলৈ আহি কয়,
এই লুইতত বহু গুণ আছে
এতিয়া নুবুজ তই।

বহুদিন আগতে সৌ সিখিনিতে
আছিল আমাৰ গাঁও,
য'ত এতিয়া ঘেৰ-ঘেৰকৈ
চলিছে মেচিনৰ নাও।

গছ-গছনিৰে ভৰপুৰ গাঁওখনি
ভাল লাগিছিল চাই,
এই নৈ-বুকুতে সকলো জাহ গ'ল
সেই ৰং এতিয়া নাই!
সেই ৰং এতিয়া নাই!

এই কথা শুনি আজিও যে মই
হঠাতে উচপ খাওঁ
এখুজি দুখুজি সপোনৰ বাটেৰে
ককাৰ গাঁৱলৈ যাওঁ।


কেতিয়াবা দিঠকত বৰনৈ-চাপৰিত
বালিও খুচৰি চাওঁ
ককাৰ ল'ৰালিৰ কোনোবা মুকুতা
কিজানি বিচাৰি পাওঁ!
কিজানি বিচাৰি পাওঁ!





## আমাৰ মহাবিদ্যালয়

ৰীমা খাতুন
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

জ্ঞানৰ অন্বেষণত
H.S. 1st year-ত লগালোঁ নাম
ডিব্ৰুগড় হনুমানবক্স সুৰজমল মহাবিদ্যালয়
মোৰ মহাবিদ্যালয়ৰ নাম।
শিক্ষক-শিক্ষয়িত্ৰীসকল
বৰ পৰিশ্ৰমী
জ্ঞানৰ জ্যোতি বিলোৱাই যাৰ কাম।
তেওঁলোকলৈ যাচিছোঁ
মোৰ আন্তৰিক প্ৰণাম।
মহাবিদ্যালয়খন বৰ ভাল পাওঁ
ন বজাত সাজু হৈ
মহাবিদ্যালয়লৈ যাওঁ।
ছাৰ বাইদেউৰ কথাবোৰ
মন দি শুনো
জ্ঞান আৰু আদৰ্শৰে
মহাবিদ্যালয়ৰ নাম যেন
উজ্জ্বলাব পাৰোঁ।


O.H.S.KANOI COLLEGE



## মোৰ প্ৰথম প্ৰেম


গৌতম মালৌ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ


চিপ চিপ চিপ চিপ
বৰষুণৰ মাজতো আজি মই
উদাস উদাস আৰু উদাস
মোৰ মৰমে মৰম বিচাৰি গৈ
আকৌ উভতি নাহিল
হয়তো কৰবাত হেৰাল
নাইবা তাক প্ৰতিদান নিদিলে
জীৱনত প্ৰথম
মৰমে মৰম বিচাৰিছিল
প্ৰতিদান স্বৰূপে সি
বিষাদ লভিছিল।
মোৰ প্ৰথমা প্ৰিয়াই মোক
অনাদৰ কৰিছিল
আশাবোৰ সপোনবোৰ
নিমিষতে ভাঙিছিল
জীৱনলৈ মোৰ
অন্ধকাৰ নামিছিল
আৰু নকৰোঁ প্ৰেম
নালাগে মোক
যি প্ৰেমে ভাঙে
হাজাৰখন হিয়াক।

## শৱদেহৰ বিচাৰ

আফ্ৰুজ আলি
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

সম্প্ৰতি এয়া এক সুলভ ছবি
নাম যাৰ মৃতদেহ।
যদি আছিল তেওঁ সৎ-আদৰ্শ নাগৰিক,
তেনেহ'লে হয়তো তেওঁৰ সপোন আছিল
দেশক ৰক্তাক্ত পৰিস্থিতিৰপৰা উদ্ধাৰ কৰাত
পৰোক্ষভাৱে হ'লেও সহায় কৰা,
আৰু আশা কৰিছিল যি কোনো মূল্যত নিজ অঞ্চলৰ উন্নতি।
আৰু যদি আছিল তেওঁ
দুনীৰ্তিপৰায়ণ, উচ্চপদস্থ ক্ষমতাশালী বিষয়া,
তেওঁৰ সপোন আছিল আত্মসাতৰ কোটি টকাৰে
বিলাসী গাড়ী আৰু আট্টালিকা সজা
আৰু আশা কৰিছিল
অফিচৰ কামৰ লেহেম গতি।
আৰু সঁচাই তেওঁ যদি আছিল অসৎ
তেওঁৰ মৃত্যুত ৰাইজে মুকলিকৈ নহ'লেও
মুখ লুকাই হাঁহিছে।
শান্তিৰ নিশ্বাস এৰিছে।
আৰু তেওঁৰ মৃত্যুৰ আনন্দত
প্ৰস্তুতি কৰিব এসাজ পেট ভৰাই খাবলৈ
আৰু আছিল যদি তেওঁ দেশপ্ৰেমী আদৰ্শ নাগৰিক
তেনেহ'লে ৰাইজে মুকলিকৈ শোকৰ চকুপানী টুকিব,
আৰু প্ৰস্তুতি কৰিব শোকসভা পাতিবলৈ।





# শিক্ষাগুৰু

সীমা খাতুন
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

হে শিক্ষাগুৰু
তুমি জ্ঞানৰ
অসীম সাগৰ।
তুমি দীপ্ত আভা,
অম্লান জ্ঞান-সূৰুযৰ।
হে মহান গুৰু,
আমাক শক্তি দিয়াঁ,
আমাক জ্ঞানৰ পোহৰেৰে আলোকিত কৰাঁ
আন্ধাৰ ফালি সৎ পথেৰে
আমাক আগুৱাই নিয়া।
শিক্ষাগুৰু তুমি মোৰ,
লওঁ আজি শিৰত তুলি
তোমাৰ চৰণ-ধূলি
জ্ঞান মন্দিৰৰ দেৱতা তুমি,
লোৱা মোৰ ভক্তিৰ অঞ্জলি।

# কথা

পাপৰি মেধি
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

সপোনৰ কথা ধুনীয়া,
লগত আহে বহু লগৰীয়া।
জীৱনৰ কথা আচৰিত,
সুখ-দুখ-যাতনাই উতলায় চিত।
মনৰ কথা অলেখ,
জগতৰ অলিয়ে গলিয়ে ঘূৰে,
নাই অলেখ লেখ।
জীৱজগতৰ কথা অমূল্য,
চাৰিমুঠি জীৱই বঢ়ায় প্ৰকৃতিৰ ঐশ্বৰ্য
এই কথা বুজিলেই,
তুমি পাবা জীৱনৰ প্ৰকৃত সৌন্দৰ্য।